Kangjia College
Magazine
1966 - 1981

RANGIA COLLEGE
LIBRARY
Class No.
Book No.
Acc. No. 10383

RAN RY
ACC
Call
Boc
Dat


10383

02
ACC NO

RANGIA COLLEGE LIBRARY
A.C.C. NO
DT.

# ৰঙিয়া কলেজ আলোচনী

॥ ৰঙিয়া কলেজ ছাত্ৰ একতা সভাৰ মুখপত্ৰ ॥




ঃ বছৰেকীয়া প্ৰকাশ ঃ

॥ একাদশ বছৰ ॥

॥ একাদশ সংখ্যা ॥

॥ ১৯৭৯-৮০-৮১ ॥

॥ সম্পাদক ঃ সঞ্জীৱ কলিতা ॥

# ৰঙিয়া কলেজ আলোচনী

ৰঙিয়া কলেজ ছাত্ৰ একতা সভাৰ বছৰেকীয়া মুখপত্ৰ

একাদশ বছৰ ॥ একাদশ সংখ্যা ॥ ১৯৭৯-৮০-৮১ চন

- বেটুপাত : স্বৰ গোষ্ঠী, ৰঙিয়া
- ব্যাখ্যা চিত্ৰৰ শিল্পী : গিৰীশ কলিতা
- সম্পাদনা আৰু অংগসজ্জা : সঞ্জীৱ কলিতা

## ঃ সম্পাদনা সমিতি ঃ

সভাপতি : অধ্যক্ষ নীলকান্ত মহন্ত ॥ তত্ত্বাবধায়ক : উমেশ চন্দ্ৰ গোস্বামী ॥ সম্পাদক : সঞ্জীৱ কলিতা ॥ সদস্যসকল : অধ্যাপক নৰেন্দ্ৰ কলিতা ॥ চমেন পাঠক ॥ মফিজুদ্দিন আহমেদ ॥ বিজয়া চৌধুৰী

- প্ৰকাশক : সম্পাদনা সমিতিৰ হৈ সঞ্জীৱ কলিতা
- মুদ্ৰণত : গোবিন্দ প্ৰেছ, ৰঙিয়া

# এই সংখ্যা আলোচনীৰ পাতে পাতে

- শ্ৰদ্ধাঞ্জলী
- সম্পাদকৰ কলম ( ক )
- প্ৰবন্ধ : পৃথিবীত শক্তিৰ নাটনি, শক্তি অবিহনে ভৱিষ্যত পৃথিবী : শ্ৰীশ্ৰীধৰ কলিতা ( ১ ) ॥ সাম্প্ৰদায়িক অশান্তি আৰু মানৱ চিন্তাৰ বিকল্প স্ৰোত ঃ শ্ৰীমাইকণ কলিতা ( ১২ ) ॥ চল্লিশ লাখ মানুহৰ জেল : শ্ৰীমোজাম্মিল হক ( ১৭ ) । প্ৰত্নতত্ত্ব উদ্ধাৰৰ অগ্ৰদূত হেমচন্দ্ৰ গোস্বামীৰ কবিতা : শ্ৰীডিম্বেশ্বৰ ডেকা ( ২৭ ) ॥ মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা আৰু বৰগীত : শ্ৰীমুকুল কলিতা ( ৩৮ ) ॥ ঘেগ : ইয়াৰ প্ৰতিৰোধৰ উপায় আছেনে : ডঃ হেমচন্দ্ৰ বৰ্মণ ( ৪৪ ) ॥ দেনিকেন তত্ত্ব আৰু শেহতীয়া অভিযান : মজিবৰ ৰহমান ( ৪৭ ) ॥ বিবাহ সংস্কাৰ আৰু জাতি গঠনত শ্ৰীশ্ৰীঠাকুৰ : অধ্যাপক শ্ৰীহৰেণ দাস ( ৫৬ ) ॥ উত্তৰ পূৰ্বাঞ্চল, জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰসংগত : শ্ৰীতৰুণ শইকীয়া ( ৬৫ ) ॥ এটা ভূমিকম্পৰ পৰিণতি ঃ প্ৰদীপ কলিতা ( ৭০ ) ॥ দেব গন্ধৰ্বসকল অন্য গ্ৰহৰ বাসিন্দা নেকি : দিলীপ শৰ্মা ( ৭২ ) ॥ তিনিজন কুমলীয়া ছাত্ৰৰ বুকুভেদা গুলি কাৰ আদেশ আৰু ষড়যন্ত্ৰৰ ফল : চমেন পাঠক ( ৭৮ ) ॥ অসমত সুস্থ ছবিৰ সমস্যা আৰু সমাধান : প্ৰহ্লাদ চৌধুৰী ( ৮০ ) সৰবৰহী অধ্যাপকৰ স্মৃতিত : গীতালী শৰ্মা ( ৮২ ॥
- কবিতা : আকৰ্ষণ : গোপাল ৰাজবংশী ( ১১ ) ॥ নীৰৱ বেদনা : দীপালী শইকীয়া ( ১১ ) ॥ এটি প্ৰশ্ন : অঞ্জলী শৰ্মা ( ২৬ ) ॥ বেদনা : সত্যবতী কলিতা ( ২৬ ) ॥ দুখৰ দিনৰ কবিতা ঃ প্ৰমোদ কলিতা ( ৩১ ) ॥ প্ৰতীক্ষা : লক্ষীপ্ৰভা দাস ( ৩৭ ) ॥ বক্ৰ ঃ ৰবীন্দ্ৰ ডেকা ( ৫০ ) ॥ পৰিবৰ্তন : চাহাবুদ্দিন আহমেদ ( ৫০ ) ॥ আধাদজন বুলগেৰীয় কবিতাৰ স্তবক : অনুবাদ ৰুকিন্নণী কলিতা ( ৫৫ ) ॥ গোহাৰি : ধৰণীধৰ দাস ( ৬০ ) ॥ লিমেৰিক : অঞ্জলী শৰ্মা ( ৬৪ ) ॥ আমি কাঠৰ মানুহ : নৃপেন কলিতা ( ৬৯ ) ॥ কাৰ দাম বেছি : প্ৰতুল শাইৈ ( ৭৪ ) ॥
- গল্প : এখন অৰ্দ্ধনিৰ্মিত নক্সা : ঘনশ্যাম কাকতি ( ৫ ) এটা নতুন সুৰুযৰ জন্ম : গীতালী শৰ্মা ( ২০ ) : স্মৃতি : বিজয়া চৌধুৰী ( ৩২ ) ॥ চিওঁতাৰ সৈনিক : মূল বাৰটোল্ট ব্ৰেখটৰ অনুবাদ— বিপিন কাকতি ( ৪২ ) ॥ মৃত্যু ঃ সঞ্জীৱ কলিতা ( ৫১ ) ॥ কবৰখানা মূল : গীদ্যমোঁপাচাৰ অনুবাদ-- গিৰিধৰ কলিতা ( ৬১ ) ॥
- প্ৰাচীৰ পত্ৰিকাৰ পৰা ( ৭৫ )
- বিভাগীয় সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদনসমূহ ( ৮৪ )

## ঃ শ্ৰদ্ধাঞ্জলী ঃ

১৯৭৯ চনৰ পৰা আজিলৈকে অসমৰ অস্তিত্ব ৰক্ষাৰ সাম্প্ৰতিক বিদেশী বহিষ্কাৰ আন্দোলনত পুলিচৰ গুলি আৰু দুৰ্বৃত্তৰ আক্ৰমণত নিহত প্ৰতিজন শ্বহীদলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী ।

এই কালচোৱাত বিভিন্ন ঠাইত দেশমাতৃকাৰ সাৰ্বভৌমত্বৰ হকে যুদ্ধ কৰি আহত আৰু লাঞ্চিত হোৱা ভাই ভনীসকললৈ আমাৰ আন্তৰিক সমবেদনা ।

ওপৰোক্তসকলৰ নামতে ৰঙিয়া কলেজ আলোচনীৰ একাদশ বছৰ, একাদশ সংখ্যা, ১৯৭৯-৮০-৮১ চন উৎসৰ্গিত হ'ল ।

## Editorial Board



**From Left to Right :—**

**Sitting :—***Prof. U. C. Goswami ( i/c. College Magazine ), Mr. N. K. Mahanta ( Principal i/c. ), Prof. N. Kalita ( Member ).*

**Standing :—***Miss. B. Choudhury ( Member ), Mr. S. Kalita ( Editor, College Magazine ), Mr. M. Ahmed ( Member ), Mr. S. Pathak ( Member ),*

# সম্পাদকৰ কলম



## ॥ সমসাময়িক ॥

সম্পাদকীয়টো লিখিব লাগিব আলোচনীখন ছপা হোৱাৰ একেবাৰে শেষত, ই হব লাগিব তত্বপৰ্ণ, আকৰ্ষণীয়, গঠনমূলক বিশ্লেষণাত্মক, অথচ চুটি, যিটো মোৰ বাবে এক প্ৰকাৰ অসম্ভৱ। কোনো ধৰণৰ গহীন গম্ভীৰ গধূৰ বিষয়ৰ ওপৰত তত্বমূলক লিখনি মোৰ দ্বাৰা অসম্ভৱ, মই মাথো আজি আলোচনীখন পুৰ্ণোদ্দমে ছপা হৈ থকা অৱস্থাত পৰৱৰ্তী ছপা হব লগীয়া লিখনিটো কি হব, কি ধৰণে সজাব লাগিব, এনে চিন্তাৰ মাজে মাজে মোৰ মনলৈ অহা কথা কেতবোৰ দাঙি ধৰিব পাৰো।

মোৰ আৰু মোৰ সমনীয়াসকলৰ দেউতাসকলৰ কেইজনমানে ভাৰতৰ স্বাধীনতা আন্দোলনৰ মাজভাগৰ প্ৰচণ্ড ব্যস্ততাপূৰ্ণ সময় ছোৱাত মহাত্মা গান্ধীৰ অহিংস আন্দোলনত জপিয়াই পৰিও তলে তলে বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হৈছিল বুলি শুনিছো। এবাৰ হেনো কৰবাত চৰকাৰী ৰাসগৃহত জুই লগাই দি বহুদিন ঘৰৰ পৰা পলাই থাকিবলগীয়া হৈছিল। নিঃসন্দেহে তেওঁলোকে দেশৰ বাবে প্ৰচুৰ ত্যাগ কৰিছিল; পিচে আজি তেওঁলোকতকৈ বহুত পিচত ৰাজনীতিৰ শিক্ষা লাভ কৰি ভাৰতৰ চূড়ান্ত আসন লাভ কৰা ইন্দিৰা গান্ধীয়ে তেওঁলোকক তাম্ৰ পত্ৰ নিদিয়ে; তেওঁলোকে জেল খোৱা নাছিল। পুলিচৰ হাতত ধৰা নিদি আৰে আৰে সংগ্ৰামৰ ঘাটি তৈয়াৰ কৰিছিল।

এয়া মোৰ গাতনি। সিদিনা এই বৃদ্ধ চামৰ এজনক লগ পাওঁতে কথা প্ৰসঙ্গত এনেবোৰ কথাই ওলাল। অসমৰ অস্তিত্ব ৰক্ষাৰ অহিংস আন্দোলনত দেশৰ অখণ্ডতা আৰু সাৰ্ব্বভৌমত্বৰ হকে যুঁজা সংগ্ৰামী লোকক আমাৰ দেশৰ পুলিচেই কুকুৰ মেকুৰীৰ দৰে হত্যা কৰা, আনকি আহত সকলৰ মাজত দেশৰ স্বাধীনতা সংগ্ৰামী বৃদ্ধও আছে, দেখি তেওঁ এই দেশত আৰু জীয়াই থাকি ৰামৰাজ্য চোৱাৰ হাবিয়াস এৰি পেলাইছে। আনকি তেওঁৰ ঘৰত সোমাই মাজৰাতি পুলিচৰ লোকে নাৰী পুৰুষক তীব্ৰ অপমান কৰি কুমলীয়া

পাইছো। গতিকে কর্তৃপক্ষই যাতে অলপ চকু দিয়ে।

ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্ত দেৱ, যিজনৰ পৰামৰ্শ মোৰ মূলধন আছিল : শ্ৰীযুত গোলোক ভূঞাৰ উপদেশ মই পাহৰিব নোৱাৰো। তত্ত্বাবধায়ক শ্ৰীউমেশ চন্দ্ৰ গোস্বামী দেৱৰ সহায় অবৰ্ণনীয়। অধ্যাপক বৃন্দৰ শ্ৰীঅমৰেন্দ্ৰ শৰ্মা, শ্ৰীহৰেণ শৰ্মা, শ্ৰীৰজত ডেকা, শ্ৰীআব্দুল ৰেজ্জাক, শ্ৰীহৰেণ দাস, শ্ৰীনৰেন্দ্ৰ কলিতা, আদিৰ প্ৰতি মই চিৰকৃতজ্ঞ হৈ থাকিম।

বন্ধু-বান্ধৱী নৃপেন কলিতা, বিজু চৌধুৰী, প্ৰতুল শালৈ, চমেন পাঠক, শ্ৰীধৰ কলিতা, মফিজুদ্দিন আহমেদক মই পাহৰিব নোৱাৰো।

শ্ৰীগিৰীশ কলিতা (দাদা), শ্ৰীপ্ৰদীপ কাকতিৰ সহায়ৰ বাবে মই চিৰঋণী।

এই সংখ্যা আলোচনী প্ৰকাশ কৰি দিয়া বাবে গোবিন্দ প্ৰেছৰ কৰ্মীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা।

যি সকল বন্ধু-বান্ধৱীয়ে মোক সহায় কৰি এই সংখ্যা আলোচনী ইমান খিনিলৈ আগবঢ়াত সহায় কৰিলে সেই সকলৰ প্ৰতি মই কৃতজ্ঞ। আলোচনীখনৰ গল্প-প্ৰবন্ধাদিৰ লিখক-লিখিকাসকললৈ মোৰ শুভেচ্ছা জনালোঁ।

॥ জয় আই অসম ॥

শ্ৰীসঞ্জীৱ কলিতা

২/৩/৮২ ইং

# ॥ পৃথিৱীত শক্তিৰ নাটনি, শক্তি অবিহনে ভৱিষ্যত পৃথিৱী ॥

শ্ৰীশ্ৰীধৰ কলিতা
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বৰ্ষ।

আমেৰিকাৰ নে ইংলণ্ড; এজন মানুহ বিজ্ঞানী নহয়, মাষ্টৰো নহয়, এজন সাধাৰণ লেখক সাহিত্যিক; নাম এৰিখ্ ভন্ দেনিকেন। তেওঁ বিজ্ঞানৰ কোনো সূত্ৰ আবিষ্কাৰ কৰা নাই, বিজ্ঞানৰ বিশেষ কিছু নাজানেওঁ; কিন্তু মানুহজনে আজব বিষয় কিছুমান অধ্যয়ন, অনুসন্ধান, পৰীক্ষা-নিৰীক্ষা কৰি কিছুমান প্ৰাচীন, বৰ্তমান আৰু ভৱিষ্যতৰ তথ্য সম্বলিত ইতিহাস আৰু সমস্যা দাঙি ধৰি তাৰ সমাধানৰ উপায় স্বকীয় প্ৰচেষ্টাত উলিয়াইছে। এই সমগ্ৰ কথাবোৰ তেওঁ ‘Chariots of God’ নামৰ এলানি গ্ৰন্থত লিপিবদ্ধ কৰি তাত টোকা সন্নিবিষ্ট কৰিছিল যে এই গ্ৰন্থলানিৰ কোনো কথাৰ অনুবাদ বা পুনৰ প্ৰকাশ হব নোৱাৰিব; কিন্তু ইতিমধ্যে এগৰাকী বাংলা লেখকেও থিক তেওঁৰ নাম পাহৰিলোঁ, এই গ্ৰন্থৰ ভিত্তিতে হবলা এলানি বাংলা গ্ৰন্থ ৰচনা আৰু প্ৰকাশ কৰিছে। এই দুই লেখকৰ গ্ৰন্থাৱলীৰ বিশদ তথ্যালোচনা আমেৰিকাৰ Reader's Digest আৰু ভাৰতৰ Illustrated weekly, Imprint আদি আলোচনীত প্ৰকাশ পাইছে; কিছু বাক বিতণ্ডাও নোহোৱা নহয়।

আৰব, ইৰাণ আদি মধ্য প্ৰাচ্যত যিবোৰ সৰু বৰ মৰুময় দেশ আছে বৰ্তমান বিশ্বৰ ৰাজনীতিত ইহঁতে মুখ্য ভূমিকা লৈছে। এই বালিময় ৰাষ্ট্ৰসমূহৰ এটা ধমকিত আমেৰিকা, কানাডা, ফ্ৰান্স আদি মহাপ্ৰতাপী ৰাষ্ট্ৰৰ বৈদেশীক-নীতি সলনি হৈ যাব পাৰে। কেনেকৈ? অলপতে এই সৰু দেশবোৰে বিদেশলৈ, বৃহৎ ৰাষ্ট্ৰবোৰলৈ তেলৰ যোগান বন্ধ কৰিব বুলি ভাবুকি দিয়াৰ লগে লগে সাংঘাতিক হৈ-হাল্লাৰ সৃষ্টি হৈ যোৱা কথা আমি জানোঁ। তেলতো এবিধ অক্ষয় সম্পদ নহয়। সৰিয়হ, তিল আদিৰ খেতি ব্যাপক ভাবে কৰি খোৱা আৰু গাত ঘঁহা তেল প্ৰচুৰ পৰিমাণে উৎপাদন কৰিব পৰা যায়; কিন্তু পেট্ৰোল, ডিজেল; আলকাটৰা আদিৰ উৎপাদন সৃষ্টিৰ দ্বাৰা বৃদ্ধি কৰিব পৰা যায় নে? উজনি অসমত ব্যাপক এলেকা

এটাৰ প্ৰচুৰ তেল উলিয়াই বাহিৰলৈ চালান দি থকাৰ ফলত মাটিৰ তলত শূণ্যতাৰ সৃষ্টি হোৱা বুলি গুজৱ শুনা গৈছে। তেল ক্ষয়িষ্ণু হম্পদ। এদিন তেল শেষ হৈ যাবই। গতিকে তেল বিহীন পৃথিবী, সমাজ চলিবলৈ এতিয়াৰ পৰাই নানান ঠাইত আখৰা আৰম্ভ হৈছে। মমৰ ব্যৱহাৰ এতিয়া গাঁৱৰ ঘৰ-বোৰত, অনুন্নত দেশত লোদ-ছেদিং হলে আৰু মছজিদ বোৰতে সীমাবদ্ধ হব ধৰিছে। বিজুলী শক্তিৰ প্ৰচুৰ প্ৰচলনে তেলৰ সহায়ত পোহৰৰ সমস্যা শেষ কৰিছে। কোৱা বাহুল্য-নিউইয়ৰ্ক চহৰত পাঁচ মিনিট সময়ৰ বাবে বিজুলী বন্ধ ৰখাৰ আয়োজন এসপ্তাহ জুৰি চলে। ইয়াৰ ফলত কোটী কোটী ডলাৰ লোকচান হয়। কেবাটাও বৃহৎ ধৰণৰ ডকাইতি হয়। তাৰ সু উচ্চ স্কাই স্ক্ৰোপাৰ-বোৰ এক মিনিট বিজুলী নহ'লে চলিব নোৱাৰে। ভাৰততেই লোদ-ছেদিঙে চুৰি ডকাইতি বৃদ্ধি কৰিছে আৰু পশ্চিমবংগ আদি ৰাজ্যত ৰাজনীতিৰ হৈ হাল্লা বঢ়াইছে।

পেট্ৰোল নোহোৱাকৈ গাড়ী মটৰ যন্ত্ৰ-পাতি চলোৱাৰ বুদ্ধিও কানাডা, ব্ৰাজিল আদি দেশত ওলাইছে। তাত পেট্ৰোলৰ সলনি এলকোহল ( মদ ) ভৰাই গাড়ী চলাই সুফল পোৱা গৈছে। মদৰ ব্যৱহাৰ ব্যয়-বহুল হ'লেও ই পেট্ৰোলতকৈ সহজলভ্য। গুৱাহাটীত ইঞ্জিনিয়াৰিং কলেজৰ অধ্যাপক এজনে গাড়ীত পানী ভৰাই চলোৱা খবৰ বাতৰি কাকতত পঢ়া মনত আছে। এই আঁচনিয়ে পিচত কি ৰূপ ললে তাক জনা ন'গল।

প্ৰাকৃতিক শক্তি ব্যাতিৰেকে মানুহৰ মগজুৰ শক্তিৰ দীপ্তিয়ে শ্ৰেয়ঃ, তাক কোৱা বাহুল্য। মানৱ উদ্ভূত শক্তিৰ উৎস হ'ল খাদ্য। খাদ্যৰ সফল প্ৰয়োগ হ'ল— প্ৰচুৰ প্ৰোটিন আৰু কেলৰীৰ সমাহাৰ অবিহনে মানৱ যন্ত্ৰ বিকল হৈ থাকিব -- ষ্টাৰ্ট নোহোৱা ইঞ্জিনৰ দৰে। খাদ্য দ্ৰব্যৰো এদিন তীব্ৰ নাটনি, জনসংখ্যাৰ তুমুল বিস্ফোৰণে ঘটাব বুলি ভয়ৰ কথাই হৈ পৰিছে। যি নহক আমাৰ কলেজ আলোচনীৰ এটা সংখ্যাত এনে খাদ্যৰ সমস্যা সমাধানৰ উপায় সম্পৰ্কীয় নিবন্ধ প্ৰকাশ পাইছে। খাদ্যৰ সলনি সমান কেলৰী, প্ৰোটিন যুক্ত বিজ্ঞানী বিষ্কৃত গেচ খাই বাচি থকাৰ কথা ভিত্তিহীন বুলিয়ে কব পাৰি। বিশ্বৰ খাদ্য বিশেষজ্ঞ বা কৃষি সংস্থা সমূহে সম্প্ৰতি বিশ্বত দেখা দিয়া আৰু অদূৰ ভৱিষ্যতে হব পৰা খাদ্য নাটনিয়ে নিত্যান্তই কৃত্ৰিম। তেওঁলোকৰ মতে এইবাৰ বিশ্বত সৰ্বাধিক পৰিমাণৰ খাদ্য শস্য উৎ-পাদন হৈছে আৰু অতিপাত মজুত আৰু লক্ষ লক্ষ টন শস্য অবাবত নষ্ট হোৱা বাবে কিছু নাটনি নোহোৱাকৈ থকা নাই। অদূৰ ভৱিষ্যতে খাদ্য দ্ৰব্যৰ নাটনিৰ সম্ভাৱনা নাই। মাটিৰ উৰ্বৰা শক্তি ক্ৰমশঃ লোপ পাই আছে ই সঁচা কথা; কিন্তু মাটিৰ পৰিমাণ কেতিয়াও নকমে। বৰং নতুন নতুন ধৰণৰ উন্নত সাৰ আৰু পদ্ধতিৰ প্ৰয়োগে কৃষিৰ উৎপাদন বৃদ্ধিহে কৰিব লাগিছে। যিয়েই নহওঁক, বিজ্ঞানে কৃষিৰ উৎপাদন কমাব নিদিয়ে; কিন্তু সমস্যা হ'ল পৃথিবীৰ স্থায়ীত্বৰ



ভৱিষ্যতেই যেতিয়া অনিশ্চিত, খদ্য দ্ৰব্যৰ কথা বহুত পিচত আহে।

বিজুলী শক্তিৰ আবিষ্কাৰ আৰু ইয়াৰ প্ৰচুৰ প্ৰচলনৰ আগতে কয়লা আছিল অন্যতম মূল্য-বান শক্তিৰ উৎস। কয়লা অবিহনে লো-তীখাৰ শিল্প মৰা ঘোঁৰাৰ দৰে। আমাৰ লিডু, মাৰ্ঘে-ৰিটা বা গাৰো পাহাৰৰ কয়লা ক্ষেত্ৰবোৰৰ ওচৰত লো-তীখা শিল্প নহ'লেও ভাৰতৰ ছোটনাগপুৰ মালভুমি আৰু ৰাছিয়া, আমেৰিকা, বৃটেইন আদি দেশবোৰৰ লো-তীখা উদ্যোগবোৰ কয়লা ক্ষেত্ৰৰ তেনেই নিকটস্থিত। কিন্তু সমস্যা আহিছে, ইংলণ্ড, জাপান আদি দেশবোৰত সম্প্ৰতি কয়লা আৰু লোৰ উৎপাদন প্ৰায় শেষ হৈ যাব ধৰাত তেওঁলোকে বিদেশৰ পৰা আমদানি কৰিহে তীখা-সামগ্ৰী উৎপাদন কৰিব লাগিছে। এই দেশৰ ভূ-গৰ্ভবোৰ শূণ্যতাৰে ভৰি পৰাৰ উপক্ৰম হৈছে। কয়লা খনিবোৰত উৎপাদন কাৰ্য্য আজিও প্ৰাচীন পদ্ধতিৰে চলি থকাত ই ক্ৰমশঃ অধিক বিপদ সংকুল হৈ পৰিছে আৰু হাজাৰ হাজাৰ নিৰীহ লোকৰ মৃত্যুয়ে ইয়াকে সোঁৱৰাব লাগিছে। এদিন কয়লাৰ উৎপাদন শেষ হৈ যাব, ই নিশ্চিত; কিন্তু সেই দিন অদূৰত নহ'লেও আহি আছে।

বিজুলী শক্তিয়েহে অন্ধকাৰ বিশ্বক পোহৰ কৰিলে। পানী আৰু সৌৰ শক্তিৰ সহায়ত বিজুলী উৎপাদন হয়। পৃথিবীৰ উপৰিভাগৰ বিচুৰ্ণী ভৱনৰ কলত খৰস্ৰোতা নদী সমূহৰ গতি ৰুদ্ধ হৈ যাব পাৰে; কিন্তু মহাজাগতিক ক্ৰিয়াকলাপ চলি থাকে মানে নিশ্চয় পানীৰ আকাল নহ'ব। খৰ বতৰ আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত সঘনে লোদ ছেদিং আৰু শক্তিৰ নাটনি হয়।

সৌৰ-শক্তি ক্ষয়হীন নহয়। বৈজ্ঞানিক-সকলে গবেষণা কৰি সূৰ্য্য সম্বন্ধে কেতবোৰ নতুন তথ্য আবিষ্কাৰ কৰি সূৰ্য্য ক্ৰমশঃ সৰু হব লাগিছে; পৃথিবীৰ পৰা আঁতৰি যাব লাগিছে বা ইয়াৰ বাষ্পায়িত শক্তি লোপ পাব লাগিছে আদি নানা ধৰণৰ কথা ওলাইছে। তথাপি আজিও সূৰ্য্য এনেকুৱা উত্তপ্ত অৱস্থাত বাষ্পায়িত হৈ আছে যে পৃথিবীৰ দৰে গ্ৰহবোৰ তাত পেলাই দিলে নিমিষতে বাষ্প হৈ যাব। গতিকে লাখ লাখ বছৰৰ পিচতো সূৰ্য্যৰপৰা আমাৰ প্ৰয়োজনীয় শক্তিৰ যোগানৰ ওৰ নপ-ৰিব। কেতিয়াবা পৰিলেও তাৰ বিকল্প হিচাপে সূৰ্য্য আৰু পৃথিবী সদৃশ নক্ষত্ৰ-গ্ৰহৰ ভৱিষ্যত আবিষ্কাৰৰ সম্ভাৱনাই তেনে বিপদৰ পৰা উদ্ধাৰ কৰিব।

এটা কথা স্বীকাৰ্য্য যে Power crisis হ'লেও ই বৰ্তমান বিজ্ঞানীসকলৰ মূৰৰ বিষৰ বিষয় হোৱা নাই। তেওঁলোকে লাহে লাহে চিন্তা আৰম্ভ কৰিছে আৰু যেতিয়া এই সমস্যাই চুৰান্ত ৰূপ লব তেতিয়া ইয়াৰ সমাধানৰ চিন্তাইও চূড়ান্ত ৰূপ লবগৈ।

এদিন এনে এটা দিন নিশ্চয় আহিব যে পৃথিবীৰ সমুদায় প্ৰাকৃতিক শক্তিৰ উৎস শেষ হৈ ভীষণ নাটনি হ'বগৈ। তেতিয়া ইৰাণ, আৰব আদি তৈল— ক্ষেত্ৰ বহুল ৰাষ্ট্ৰ সমূহৰ দাদাগিৰিৰ অন্ত পৰিব। পৃথিবীত শক্তিক লৈ বৃহৎ ৰাষ্ট্ৰৰ মাজত টনা-আজোৰা চলিব। কয়লা, লো আদি দ্ৰব্য

সমূহ ক্ৰমাৎ ভূগৰ্ভৰ পৰা নাইকীয়া হৈ যাব। এই দ্ৰব্যসমূহৰ উৎপাদনকাৰী ৰাষ্ট্ৰ বৃটেইন, ৰাছিয়া, আমেৰিকা, জাৰ্মানি আদিৰ ঘোৰ অন্তৰ্দ্বন্দ্ব ওৰ পৰিব। তেতিয়া কি হব? মানুহে জীয়াই থাকিবলৈ কি শক্তিৰ সহায় বিচাৰিব?

পৃথিৱীৰ; অকল পৃথিৱী বুলি ক'লে ভুল হব, মহাজগতৰ ভিতৰত আটাইতকৈ ধুৰন্ধৰ প্ৰাণী হ'ল মানুহ। মানুহে সামান্য মূৰটোৰ ভিতৰৰ কেইশমান গ্ৰাম মগজুৰ সহায়ত যিবোৰ সাংঘাতিক কাম কৰিব লাগিছে অনুমান কৰিব পাৰি যে অচিৰেই এই শক্তি নাটনি পৰ্য্যায়ৰ ওৰ পৰিব। আমেৰিকাই কেইবছৰমান আগতে যি মহাকাশ যান মহাজগতলৈ প্ৰেৰণ কৰিছে, এই যানখন সৌ সিদিনা বৃহস্পতি আৰু শনি গ্ৰহ অতিক্ৰম কৰি তীব্ৰ গতিত গ্ৰহবোৰক পিচ পেলাই থৈ গ্ৰহান্তৰ বা নক্ষত্ৰ ৰাজি ব্যাপ্ত মহাজগত অভিমুখে গতি কৰিব লাগিছে। কোনো সুদূৰ স্থিত গ্ৰহত অচিৰেই হয়তো দুৰ্লভ শক্তিৰ আৱিষ্কাৰ হব আৰু সহজতে পৃথিৱীলৈ তাক আমদানি কৰিব পৰা যাব। যদি সৌৰ শক্তিৰ ওৰ পৰে, যদি বিজুলীৰ অপাৰ মহিমাৰ ওৰ পৰে, ইলেকট্ৰনিক লীলা খেলাই যদি পৃথিৱীৰ পৰা বিদায় মাগে তেতিয়া আমাৰ ধুৰন্ধৰ বুদ্ধিদীপ্ত বিজ্ঞানীসকল বহি শুই থাকিবনে? জৰুৰ কিবা এটা নতুন সূত্ৰ উলিয়াব, যাৰ সহায়ত তেল-কয়লা; বিজুলী, সৌৰ শক্তি আদিতকৈও বহু শক্তিমান শক্তিৰ আৱিষ্কাৰ কৰিব পাৰিব। আমি সেই দিনটোলৈ ৰৈ আছোঁ। আমি আশা কৰোঁ আমাৰ নাতি-পুতি, বংশোদ্ভৱসকলে শক্তিৰ আহুকালত পৰি মোনা লৈ দোকানত শাৰী কৰিব লগা নহ'ব। কৃত্ৰিম দ্ৰব্যৰাজীয়ে তেওঁলোকৰ আয়ুস শতগুণ বৃদ্ধি কৰিব। আজিৰ এই বিজ্ঞানীৰ দল যিদৰে নৱ-মনিষৰ চিৰনমস্য তেনেদৰে সেই মহান লেখক এৰিথ ভন দেনীকেন বা বাংলা লেখক গৰাকীও তেওঁলোকৰ অহোপুৰুষাৰ্থৰ বাবে চিৰনমস্য হৈ থাকিব।





# এখন অৰ্দ্ধনিৰ্মিত নক্সা

শ্ৰীঘণশ্যাম কাকতী
প্ৰাক্ বিঃ ২য় বৰ্ষ

নবজাতে নাকে-মুখে দুটামান ভাত গুজি লৰালৰিকৈ আধৰি ঘৈণীয়েকে কাটি থোৱা তামোলখন মুখত ভৰাই বেগাই চান্দমাৰীৰ চ'কলৈকে গৈ নুনমাটিৰ ফাললৈ সঘনাই ডিঙি মেলি চাই থাকে আৰু প্ৰতিখন বাছ আহি ৰখাৰ লগে লগে উঠিবলৈ লৰা ধপৰা কৰা বিশাল জনসমুদ্ৰ, তীক্ষ্ণ ৰ'দ, ৰাস্তাৰ আলকাট্ৰাৰ ধা-ধা-ধোৱা ধুলি, গাড়ীৰ, মটৰ-ৰিক্সাৰ হৈ হাল্লাত ভদ্ৰেশ্বৰ দাস এটা সময়ত ভীষণ বিৰক্ত হয় গৈ মানুহ বাছে ৰিক্সাই ফুটপাথে গৈ গৈ পাতলিব ধৰা সময়ত তেওঁ এখন বাছত উঠি পৰে আৰু ফাচী বজাৰ অৱস্থিত অফিচটো পাওঁতে দহ-চাৰে দহ মান হয় গৈ। জনশূণ্য অফিচত চকিদাৰ কৃষ্ণ বাহাদুৰ চেত্ৰী, যাক সকলোৱে বাহাদুৰ বুলিয়েই মাতবোল কৰে, অকলে দুৱাৰ মুখত বহি থাকে। ভিতৰত শূণ্য ঘৰটোক বতাহ দি ফেন কেইখন সজোৰে চলি থাকে; বাতৰি কাৰুতখন কাচিৎ দি যায়। ভদ্ৰেশ্বৰ দাস গৈ বহি ফাইলবোৰ মেলি লৈ কাম আৰম্ভ কৰাৰ পিচতহে বাকী মানুহবোৰ এজন এজনকৈ আহি নিজৰ নিজৰ চকি দখল কৰে, আৰম্ভ কৰে তীব্ৰ হৈ-হাল্লা।

শুক্ৰবাৰে অফিচৰ জুনিয়ৰ ইঞ্জিনীয়াৰ ভদ্ৰেশ্বৰ দাসৰ ভালকৈয়ে পলম হ'ল। চান্দমাৰীৰ চিটিবাছ ষ্টপেজৰ হেচা-ঠেলা, ৰ'দৰ তীব্ৰতা, পাতলকৈ চলা বাছৰ ভীৰৰ তীব্ৰতা, আদিয়ে মনুজনক লেবেজান কৰি পেলালে। বাছত ডেপুটি ডিৰেক্টৰৰ সৰু ল'ৰাটো ৰাতুল নে লাটু তাক লগ পাইছিল। সি ক'লে যে বহুত বাছ পুলিচে চিজ কৰাৰ ফলত এই দশা হৈছে। জন-সাধাৰণৰ দুখ-দুৰ্দ্দশাৰ প্ৰতি কাৰোৱেই চকু নাই। ৰাতুল নে লাটু ল'ৰাটোৱে আন্দোলনত লাগি স্বাস্থ্য হানি হোৱা সকলৰ অন্যতম, কোনোৱা এখন ইছ্কুলৰ ছাত্ৰ সভাৰ জেনেৰেল চেক্ৰেটাৰী।

অফিচত সোমাই ভদ্ৰেশ্বৰ দাসে দেখিলে যে তিনি চাৰি জনমান কৰ্মচাৰী আহি ইতি-মধ্যে নিজৰ নিজৰ চকী মেজ দখল কৰি মেলৰ মহলা আৰম্ভ কৰিছে। কথা-বাৰ্ত্তাৰ

টুকুৰাবোৰৰ পৰা গম পাই যে আন্দোলনৰ পৰবৰ্ত্তী পৰ্য্যায়, ফলাফল ইত্যাদিয়েই প্ৰাধান্য পাইছে। তেওঁ বাহাদুৰক মাতি আনি ঠাণ্ডা পানী এগিলাচ দিবলৈ কৈ ড্ৰয়াৰৰ পৰা আধকৰা নক্সাখন আৰু সা-সৰঞ্জামবোৰ উলিয়াই ল'লে। মাত্ৰ তিনিটা দিন, চেক্ৰেটৰীয়েটত-হেডেৰাবাৰীত নতুনকৈ হবলগীয়া অফিচ এৰিয়াৰ নক্সাখন জমা দিব নোৱাৰিলে ক'ৰ পানী কলৈ যাব হিচাব নাথাকিব। নিতৌ আঠ ঘণ্টাকৈ কঠোৰ শ্ৰম কৰিলে এইখনৰ কিবা এটা জঁকা ওলাব পৈগ পাৰে। বাকী কেইজনে আহিয়েই ব্যস্ত হৈ পৰা মানুহজনলৈ চাই গুণগুণাই কথা পাতিবলৈ ধৰিলে।

'অ' কাক্কা, আজিৰ পেপাৰখন দিয়া নাই নেকি অ'? অলপ জিৰাই খবৰ কাগজখনকে চাই লওঁ। আমি ভাই ভদ্ৰেশ্বৰ দাসৰ দৰে নিষ্ঠাবান কৰ্মী নহয় যে আহিয়েই অফিচত ফাইল উলিয়াই......।' প্ৰবীন দত্তৰ কথা শুনি ভদ্ৰেশ্বৰ দাসে মিচিকিয়াই হাঁহিলে, অফিচৰ চকিদাৰ হলেও ইমান পুৰণি মানুহ বোৰক কিদৰে ব্যৱহাৰ কৰিব লাগে নতুন মানুহবোৰে নাজানেও, নিশিকেও। কলে, 'আৰু মাত্ৰ তিনিটা দিন, তাৰ পিছত এই নক্সাখন দাখিল কৰিব নোৱাৰিলে, ওপৰৱালাই খাব।'

'বাদ দিয়ক হে, কিহৰ গৰজ! আমাৰ কামটো দিনে দিনে বাঢ়িয়েই আছে, পিচে দৰমহাটো আজি কেবাবছৰ ধৰি কন্‌ষ্টাণ্ট। পৰিষদৰ দাবীবোৰো প্ৰভুসকলে মানি লোৱা নাই। এতিয়াতো চাৰা অসমৰ অফিচ আৰাৰ এঘণ্টা বঢ়োৱা হ'ল। আমাৰ একো নহয়, বুইছে দাস, সকলো সোপা খিলা। চাব, আপুনি মই নকৰিলেও সব দাম আপোনা আপুনি হৈ যাব। চলি যাব, কোনো চিন্তা নাই।'

বাহাদুৰে পানী এগিলাচ দি গ'ল। আৰু কেইজন মান কৰ্ম্মচাৰী, সুৰেন চৌধুৰী, আহমেদ, ৰাজবংশী, নিৰেন বৰুৱা, ঘৰ্মাক্ত কলেবৰ লৈ হুৰ-মুৰ কৰি অফিচত সোমাল। নিৰেন বৰুৱাৰ হাতত খবৰ কাগজখন, সোমায়েই বক্তৃতা আৰম্ভ কৰি দিলে, 'এই পুলিচ-তুলিচবোৰে সৰ্বনাস কৰি মাৰিবহে, জগতৰ বাছ চিজ কৰি আমাক খোজ কঢ়াই মাৰিলে। বাছ নোহোৱাৰ ফলত মানুহৰ কি যে দুখ-দুৰ্গতি হব পাৰে, ইহঁতৰ কোনো খেয়ালেই নাই।' প্ৰধান দত্তই পেপাৰলৈ হস্তপ্ৰসাৰিত কৰিলে, 'চাওঁ, কি তাজ্জৱ খবৰ দিছে নেকি!' তিনি চাৰিজনমানে দত্তক ঘেৰাও কৰি মেজত, চকীৰ বাহুত, দাঁত বীনত বহি পেপাৰখন গোগ্ৰাসে গিলি পেলাবলৈ উদ্যত হ'ল। এজনে গুণ-গুণাই গ'ল, 'উত্তৰ পূৰ্বাঞ্চলত অচিৰেই দূৰ দৰ্শন কেন্দ্ৰ, সংসদত সাথে; যোগীঘোপাৰ পাঁচ বছৰৰ ভিতৰত ফুট ব্ৰীজ, সংসদত অসম সম্পৰ্কে কেতবোৰ নতুন ......' বসুমতাৰীয়ে কলে, 'সোঃ, এতিয়া ধাম্ ধুম্ টোপ দিব লাগিছে, এমাহতে উদ্যোগ চুদ্যোগৰ কথা লৈ মুঠতে এনেকুৱা তেইশটামান আশ্বাস পোৱা গ'ল। অতদিনে তেজে পঁজে শুহি এতিয়া......।'

সুৰেন চৌধুৰীয়ে, অফিচত পুৰণি একাউণ্টাণ্ট এজন, আহি বাহিৰৰ পৰা ধৰি নিশ্চুপ মনোভংগী এটা লৈ মনে মনে কাণ্ড কাৰখানাবোৰ চাই আছিল। প্ৰবীন দত্তই কলে, 'এইচৰ টোপত আমাৰ ঘটুৱা মানুহে নুখোটে দিয়ক। বুঢ়ী চেঙেলীৰ জাতৰ কথা। আগতে যিবোৰ সৰকালে তাক পাঁচটামান জেনেৰেচনে পাহৰিব নোৱাৰিব। এদিন একে লগে জাঙুৰ খাই উঠিব আৰু এটা মাৰাত্মক বিস্ফোৰণ হব। তাৰ পিছত সেই পশ্চিমে যোল্ল মাইলমানৰ যিটো বটলনেক আছে, খটম্।'

শুনি থকা সুৰেন চৌধুৰীয়ে মাত লগালে, 'কাণী বুঢ়ীৰ চকু ভাল কৰা সাধুটো জানেই হবলা। আমি তৃতীয় কি চতুৰ্থ মানত থাকোতে পঢ়িছিলো।' বাকীবোৰে কৰ্ণপতাহ সতেজ কৰি শহাপহুৰ দৰে কাণ থিয় কৰালে। চৌধুৰীয়ে সাধু এটা সঁচা সঁচিকৈ আৰম্ভ কৰি দিলে, 'কাণী বুঢ়ী আছিল চেণ্ট পাৰচেণ্ট অন্ধ। একেবাৰেই নেদেখে। কেও কিছু নাই, কিন্তু অগাধ সম্পত্তি বুঢ়ীৰ। এক মহা ধুৰন্ধৰ চোৰে বুঢ়ীৰ চকুহাল যে বেয়া তাকে অজুহাত কৰি সা-সম্পদ লুটি নিয়াৰ সংকল্প ললে। সি আহি কলে যে বুঢ়ীৰ চকু ভাল কৰিব পৰা বেজ এটা তাৰ হাতত আছে। সহজ সৰল মনৰ বুঢ়ীয়েও তাক পাট্টা দি নিজৰ সৰ্বনাশ মাতি আনিলে। ধুৰন্ধৰে সদায় গধূলি বুঢ়ীৰ তালৈ যায় আৰু......।'

'হব হব, বাকীখিনি জানোৱেই আমি।' দত্তই কলে, চোৰে এপদ এপদকৈ বুঢ়ীৰ সকলো সম্পত্তি সৰকালে। বেজ হলে এদিনো নাহিল। আপুনি কব খুজিছে যে আমাকো টোপ দি আমাৰ পৰা এনেদৰে সৰকোৱাৰ ষড়যন্ত্ৰ এটা চলি আহিছে। হয়নে নহয়? কিন্তু বুঢ়ীয়ে শেষত কি কৰিলে, যেতিয়া আচল ঘটনা গম পালে যে বুঢ়ীয়ে একো দেখা নোপোৱাৰ সুযোগ লৈ চোৰে সমস্ত সম্পদ লুটি নিবলৈ ধৰিছে, তেতিয়া, চোৰক এদিন ঘৰৰ ভিতৰত সুমুৱাই বাহিৰৰ পৰা দুৱাৰ বন্ধ কৰি গাৱঁৰ মানুহ মাতি আনি বেধুম পিট্টন নিদিলেনে? ইয়াতো এদিন এনে এটা ঘটনা হব, আমাৰ সহজ সৰল মানুহ বোৰক ঠগি থকা ইমান সহজ নহয়, হেৰি! টেঙা আম বজাৰত কেইদিন?'

চৌধুৰীয়ে কেৰাহীকৈ ভদ্ৰেশ্বৰ দাসলৈ চালে, তেওঁ কথাবোৰ নীৰৱে শুনিলে আৰু হাতত ৰবৰ এটুকুৰা লৈ নক্সাখনৰ নলগা অংশবোৰ মচিবলৈ ধৰিছে, আন এটা আৰম্ভ কৰিলে, 'শেষত সোণৰ চোলা পিন্ধি ৰজাৰ দৰেই হব। বাচ্চা ল'ৰা এটাই প্ৰথমে আচল সত্য উদঙাই দিয়া সেই ইণ্টাৰেষ্টিং ঘটনাটো।'

বসুমতাৰীয়ে চূড়ান্ত চাচপেন্স আৰু ক্লাই-মেক্স পোৱাৰ দৰে সুধিয়েই পেলালে, 'এইবাৰ আকৌ কি ধৰণৰ চিম্বলিক সাধু? সোণৰ চোলাৰ কাৰবাৰটোতো বেচ্ মজাৰ কাৰবাৰেই হবগৈ। এই হত দৰিদ্ৰৰ মহঙা দেশত সোণৰ চোলা!' এটা আত্মগ্লানি, দ্বন্দ্ব আৰু বিপ্লবী সুৰ।

'হয় হয়,' চৌধুৰীয়ে কলে, 'ৰজাই, কি ৰজা পাহৰিলো, সৰুতে পঢ়া সাধুটো, আদি পাঁচ নে আজিম্যান্দিয়াচ কিবা নাম এটা,

ঘোষণা কৰি দিলে যে যিয়ে তেওঁক সোণৰ বসন এসাজ বনাই দিব, তাক নিজৰ অৰ্দ্ধ-ৰাজ্য দান কৰিব। বদমাচ মন্ত্ৰী এজনে সোণ পোছাক বনাই দিম বুলি দায়িত্ব ললে আৰু ৰজাৰ পৰা মোনে মোনে সোণ নিবলৈ ধৰিলে। সোণ নি আছে, পিচে পোছাকযোৰ নাহেহে নাহে। ৰজাৰ সোণৰ ভৰালো শেষ হ'ল আৰু মন্ত্ৰীয়েও ৰাজসভাত কলে যে ৰজাৰ বাবে সোণৰ বসনসাজ ৰেডি। কিন্তু পোছাক যোৰ হ'ল সাংঘাতিক মায়াবী, যাদুকৰী, মিৰাকুলাছ। এই পোছাক যিয়ে পিন্ধিব সি হব পৃথিবীৰ একছত্ৰী সম্ৰাট। এই সোণৰ কাপোৰ-সাজ অদৃশ্য হোৱাৰ বাবে পাপী-সকলে ইয়াক নেদেখে, স্পৰ্শ কৰিব নোৱাৰে। নিষ্পাপ লোকসকলেহে এই পোছাক দেখিব, চুব পাৰিব।'

'হাঃ হাঃ হাঃ' আটাইয়ে হাঁহি উঠিল, 'ইণ্টাৰেষ্টিং। এতিয়া কোনে বাৰু নিজক পাপী বুলি পৰিচয় দিব? সবেইতো মহা পুণ্যবান নিষ্পাপ লোক।'

'নাই নাই। ঠিক সেইটোৱে সাধুটোৰ সাৰমৰ্ম নহয়। হয়, মন্ত্ৰীয়ে কৈছিল যে যি লোকে মিছা কথা কয়, তেনে লোকে সোণৰ মিৰাকুলাছ ড্ৰেছজোৰ নেদেখিব। মন্ত্ৰীয়ে ৰজাক উলংগ হবলৈ দিলে আৰু হাত দুখন ওপৰৰ শূণ্যত ৰাখি, ঠিক চোলা এটা মেলি ধৰাৰ দৰে, কলে, মহাৰাজ, এইযোৰ পোছাক পিন্ধক।' ৰজাই ভাবিলে, এতিয়া তেওঁ নিজেতো এই পোছাকযোৰৰ অস্তিত্বৰ উমান নাপাব। কাৰণ নিজেতো মাৰাত্মক পুণ্যবান মানুহ। পোছাকজোৰ ৰজাই মন্ত্ৰীকে পিন্ধাই দিবলৈ কলে। মন্ত্ৰীয়ে কাল্পনিক পোছাক এজোৰ ৰজাক পিন্ধাই দিলে আৰু ৰাজসভাত কলে— 'বাঃ। কেনে সুন্দৰ দেখা গৈছে মহাৰাজক।' বাকীবোৰেও পাপীৰ শাৰীত পৰাৰ ভয়ত ৰজাক তোষামোদ কৰিলে— 'বাঃ সুন্দৰ, সুন্দৰ।'

চৌধুৰীয়েও জেপৰ পৰা তামোল এখন উলিয়াই মুখত ভৰাই পাগুলিলে, 'মন্ত্ৰীয়ে মোনে মোনে সোণ নি ৰজাক সৰ্বস্বান্ত কৰিলে। অথচ বিনিময়ত ৰজাই একো নাপালে, নিজে ৰাজসভাতে উলংগ হব লগাহে হ'লগৈ।'

দত্তই কলে, 'কম্পেৰিজনটো বঢ়িয়া হৈছে। আমি যিটো ভুগিছো আমাৰ পৰাতো' যোৱা এশ বছৰে সৰ্বস্বলুটি নি আমাক বিবস্ত্ৰ কৰিলে। অথচ আমি আমাৰ নদীখনতে দুখন দলং নাপালো। আমাৰ অফিচ কাছাৰীতেই আজিও আমাৰ ভাষাটোকে ...।'

'ৰব, ৰব,' চৌধুৰীয়ে পিক্‌খিনি পেলাই কলে, 'এইখিনিতে শেষ নহয় আৰু আছে। ৰজাৰ মিথ্যা সন্তুষ্টি আৰু সভাসদৰ তোষা-মোদতে 'সকলো শেষ নহয়। ৰাজসভাৰ চুক এটাত বাচ্চা ল'ৰা এটাই বহি কাণ্ড কাৰখানাটো চাই আছিল, কোনো চক্ৰবৰ্তী অন্তৰীৰ সন্তান হব পাৰে। আচ্ছা, সিতো আৰু একো নুবুজে। সি ৰজাক উলংগ হোৱা দেখি চিঞঁৰ-বাখৰ লগাই দিলে, 'আমাৰ ৰজা নাঙঠ, আমাৰ ৰজা নাঙঠ; এনেদৰে। কণমানি ল'ৰাটোই প্ৰথমে হাল্লা লগাই দিলত বাকীসকলেও উছাহৰে প্ৰকৃত সত্য উদঙাই



হাল্লা আৰম্ভ কৰিলে। ধুৰন্ধৰ মন্ত্ৰীৰ চাতুৰী ধৰা পৰিল আৰু ৰজাই তাৰ শিৰশ্চেদকে কৰিলে।'

ঘটনাটো শুনি থাকি শেষলৈ বসুমতাৰীয়ে দাঁত কৰচি কলে, 'আজিৰ দিনত হোৱা হলে সাগৰৰ পাৰত খুটাত বান্ধি ৰাইফলৰ সমুখত গুলিয়াই লেহেঁতেন। কোনোবা এখন দেশত বোলে প্ৰৱঞ্চকসকলক একেলগে শাৰী পাতি শুৱাই ৰাখি ওপৰৰ পৰা গধুৰ ব্লেড এখন পেলাই সমূহীয়াভাৱে শিৰশ্চেদ কৰা হৈছিল। আজি কালিওতো ৰেষ্ট এচিয়ান দেশবোৰত দেখাদেখি গুলিওৱা হয়। অত্যাচাৰী ফিউদেলহঁতক ইউৰোপতো নামান পানিচম্যাণ্ট দিয়া হৈছিল। আমাৰ ইয়াতো পোষ্ট এজিটেশ্বন চিটুৱেশ্বনত এনে হব পাৰে।'

সুৰেন চৌধুৰীয়ে কলে 'এনে সাধু অজস্ৰ আছে। কেতিয়াবা সুবিধা পালে কম' বুলি ফাইলত চহী এটা কৰিলে। নাতি দূৰত এচ-ডি-অ'ৰ অফিচ ৰুমৰ ওলম ঘড়ীটোৰ পৰা এটা কি ডেৰটা বজাৰ শব্দ ভাঁহি আহিল। বাহাদুৰে বাষ্পহীন শীতল চাহ আনি মেজ-বোৰত একো কাপ দি গ'ল, পেকেটত বিস্কুট। মাত্ৰ কেইটামান মুহূৰ্তৰ বাবে নিজমপৰা অফিচটোত আকৌ হাল্লা আৰম্ভ হ'ল। খবৰ কাগজখন চাই প্ৰবীন দত্তই ড্ৰয়াৰত ভৰালে, অফিচৰ খবৰ কাগজখন দি গ'ল আৰু হাত বাগৰা আৰম্ভ কৰিলে। চাহৰ কাপত চুমুক দি ভদ্ৰেশ্বৰ দাসে কলে, 'আছে আছে। এনে ধৰণৰ চিম্বলিক ষ্টোৰ আমি বহুত শুনিছো। সিদিনা আমাৰ ডেপুটি ডিৰেক্টৰ বৰুৱাই কৈছিল সেই কাণ নোহোৱা ৰজাৰ সাধুটো। বৰ সুন্দৰ চিম্বলৰ পয়োভৰ। ৰজাৰ কাণ দুখনতো পাগুৰিৰ তলত থাকে। কোনেও গম নাপায় যে ৰজাৰ এখন কাণ নাই। পিচে চুলি কটাওঁতে নাপিতৰ হাতত ৰজা ধৰা পৰিল। ৰজাই নাপিতক হুচিয়াৰ কৰি দিলে, "খবৰদাৰ, কাৰোবাক যদি মোৰ কাণ নাই বুলি কব, তোৰ মূৰ মাটিত পৰিব।" পিচে হুচিয়াৰী আৰু কিমান দিনলৈ? দেশৰ প্ৰধানজনৰ কাণ নাই, এই মহা সত্য জানি কাৰোবাক কওঁ কওঁ লাগিবলৈ ধৰিলে। পিচে কাকো বিশ্বাস কৰিবতো আৰু কব নোৱাৰে, মূৰৰ প্ৰশ্ন, নিজৰ ঘৈণীয়েকক নোৱাৰে। মানুহটো বাদেই গছ বিৰিখকো নোৱাৰে, কিবাকৈ ৰজাৰ কাণত পৰিব লাগিলে সৰ্বনাশ। নাপিত এদিন চল পুৱাতে নিজৰ খুদুৰনি, চাচপেন্স, ক্লাইমেক্স ৰাখিব নোৱাৰি জংঘলৰ মাজলৈ গ'ল আৰু সৰু গাত এটা খান্দিলে। গাতটোত মুখখন লগাই দি সি ৰজাৰ কাণ নোহোৱা ঘটনাটো ফুচ ফুচাই কলে। কবলৈহে পালে, বেৰবোতো কাণ থাকে, বতাহতে কথাটো ভাঁহি গৈ ৰজাৰ কাণত পৰিল গৈ আৰু নাপিতৰ শিৰশ্চেদ হ'ল।'

দাসে জেপৰ পৰা নিত্য নতুন ৰুমালখন উলিয়াই হনু ওলাই চকু দুটা কোটৰস্থ কৰা মুখখন মচি ল'লে। টুটু আৰু গীতুলৈ মনত পৰিল; এৰা, আজি সিহঁতৰ কাপোৰ কানিখিনি নিব পাৰিলে ভাল আছিল! ঘোচ নাখালে এনে মানুহ দৰমহাৰ পইচাৰে চলা কঠিন।

'হেঃ, দাসেও যে কথা একোটা কয় আৰু ! আপুনি কাম কৰক বুজিছে, দাস, । চিনচিয়াৰ মানুহ, এইচব বাজে গল্পৰে কথাৰ মহলা মাৰি সময় নষ্ট নকৰিব।' বাকীসকলে কথাখিনি উলাই কৰাত তেওঁ কলে, 'ৰব, মোকো অলপ পাট্টা দিয়কচোন। মোকো অলপ কৰলৈ দিয়কনা । কাণী বুঢ়ীক ঠগা চোৰ, আৰু সোণৰ নে পানীৰ চোলা পিন্ধা ৰজাক ঠগা, ধুৰন্ধৰ মন্ত্ৰী আৰু আমাৰ মাজত পাৰ্থক্য কিহত বাৰু ? আমি চৰকাৰ আৰু জন-সাধাৰণৰ পৰা মোটা মোটা দৰমহা লৈ এয়া দুপৰীয়া এটা বজা পৰ্য্যন্ত কামকে আৰম্ভ কৰিব পৰা নাই দেখোন, আহিছোঁও এঘাৰটা বজাত । আমিয়েতো হৰিলুট দি প্ৰতিদান দিব পৰা নাই । শেষত আমাৰ দশা কি হব, ৰজাক বিশ্বাসঘাটকতা কৰা নাপিতৰ দৰেই নহবনে ?'

ঘড়ীৰ পৰা আৰু এটা বেল বজাৰ শব্দ স্পষ্ট ভাঁহি আহিল। চাহৰ কাপবোৰ আটায়ে মেজৰ তলত মজিয়াত থলে আৰু নক্সাখনত একান্তমনে কিবা আঁকি থকা ভদ্ৰেশ্বৰ দাসলৈ চালে । দুপৰীয়াৰ মানুহ ভতি অফিচটো তেনেই নিজম। তীক্ষ্ন ৰ'দত ঘৰৰ চালৰ টিনপাতৰ পৰা ছটা-ছট ভাঁহি অহা শব্দ সকলোৱে শুনিলে।

00000

মানুহ বন্য জীব জন্তুত বাহিৰে আৰু কি ? মানুহে কেবল সভ্যতাৰ কুচকাৱাজ আৰু প্ৰশিক্ষণ কৰি থাকে ।

— আৰ্থাৰ স্কপেনহাৱাৰ



# আকৰ্ষণ

শ্ৰীগোপাল ৰাজবংশী
স্নাতক, ১ম বাৰ্ষিক

পুষ্প কাননত আছিল এজুপি
ধুনীয়া শেৱালী ফুল,
ধীৰ বতাহত হৈছিল জগৎ
গোন্ধতেই মছগুল ।

এখন ধৰা একোখনি কানন
তাতেই মনোমোহা ফুল
নিতে চকু ৰাখি উদ্‌ভ্ৰান্ত বাটকৱাই
হিয়া পেলাইছিল জুৰ ।

আনবোৰৰ দৰে এটি কুঞ্জগত
আহি এটি নিমাখিত ভোমোৰা
পাই সেই পুষ্প বিচৰাৰ দৰে
হৈ গ'ল আত্মহাৰা ।

লগৰ লগৰীয়াক নিতে ঠগায়
অকৰাৰ ভাও জুৰি,
কিন্তু ! সেইজুপি ফুলত দেখি আনবোৰে
মৰে মাথোন দহি-পুৰি ।

কিন্তু ! হায়, আনবোৰৰ হা-হুতাশ
চিৰস্থায়ী হৈ ৰব,
সেই অজনাই সুগন্ধি ফুলৰ
প্ৰকৃত ঘ্ৰাণ লব ।

00000

# নীৰৱ বেদনা

—দীপালী শইকীয়া
স্নাতক, ১ম বাৰ্ষিক

পুৱতি নিশাৰ—
নীলা আকাশত ৰঙা-নীলা ফেহুজালি,
আৰু স্তব্ধ পৃথিবীৰ বুকুত নিয়ৰৰ
কণিকাৰে সিক্ত
এটি এটিকৈ সৰি পৰিছে
পদূলীৰ শেৱালীবোৰ আনন্দৰ সিহৰণত
ৰিক্ত পৃথিবীৰ মৰম বিচাৰি ।

হঠাতে
হিম চেচাঁ ধুমুহা ছাতিয়ে
সকলোবোৰ নিলে উৰুৱাই---বহু দূৰলৈ ।
ৰঙীণ আকাশত ছাতি আঁৰিলে
কিছুমান ক'লা ডাৱৰে।

মাথো
উৰি থাকিল এটি নিঃসংগ পখী
অকলে অকলে মহাশূণ্যৰ
বুকুত দিশহাৰাহৈ ॥

00000

# সাম্প্ৰদায়িক অশান্তি আৰু মানৱ চিন্তাৰ বিকল্প স্ৰোত

মাইকল কলিতা

ইং ১৯৪৭ চনত বৃটিছ পার্লিয়ামেণ্টে ভাৰতবৰ্ষক "স্বাধীন ভাৰতবষ" বুলি ঘোষণা কৰাৰ পিচতে সাৰ্ব্ব.ভৌম ভাৰতৰ প্ৰতিইঞ্চি মাটিৰ স্বাধীনতা ৰক্ষা কৰাটো হ'ল প্ৰতিজন ভাৰতীয় নাগৰিক:ৰেই সাংবিধানিক কৰ্তব্য। স্বাধীন ভাৰতবৰ্ষক দ্বিখণ্ডিত কৰি বৃটিছ পার্লিয়ামেণ্টে সীমা নিৰ্দ্ধাৰণৰ বাবে এটা সীমা আয়োগ গঠন কৰি দিয়ে। এনেস্থলত ভাৰতীয় সীমা আয়োগৰ হেমাহি ক্ৰমে ভাৰতৰ উত্তৰ পূৰ্ব্বাঞ্চল বিদেশৰপৰা প্ৰব্ৰজন হোৱা লক্ষ লক্ষ বিদেশীৰ বলি হবলগা হ'ল। সবাতোকৈ সৰ্ব্বাধিক বিদেশীৰ প্ৰব্ৰ[illegible] সোঁ[illegible] বৈ [illegible].হিল অসমলৈ। ফলস্বৰূপে সৰল অসমীয়াৰ সহনশীলতা, উদাৰতাৰ পূৰ্ণসুযোগলৈ এজন দুজনকৈ লক্ষ লক্ষ বিদেশীয়ে অসমত বসবাস কৰিবলৈ লৈ অসমৰ শস্য-শ্যামলা, শুজলা-সুফলা

প্ৰাক্ বিঃ, ১ম বৰ্ষ

ভূমিভাগ নিজৰ কৰিবলৈ হস্তান্তৰিত কৰিছে বা কৰি আছে—যি কাৰণে অসমীয়াৰ স্বকীয় অস্তিত্বৰ বিলুপ্তি ঘটি আজি অসমতে নিজকে অসমীয়া বুলি চিনাকী দিবলৈ প্ৰতিজন অসমীয়াই অক্ষমতা লাভ কৰিছে। কিন্তু অতদিন ধৰি ৰাজ্যখনক সবল নেতৃত্ব দিবপৰা নেতা নোলোৱাৰ বাবে আৰু সৰ্ব্বভাৰতীয় দলবোৰে অসমৰ এনেকুৱা বিপদাপন্ন অৱস্থাত অকণো কাণসাৰ নিদিয়াতো স্পষ্ট হোৱাত অসমৰ কোমলমতীয়া ছাত্ৰবৃন্দই নেতৃত্ব দি জনসাধাৰণক লগত লৈ অসম অস্তিত্বৰক্ষাৰ সংগ্ৰাম কৰিবলৈ ওলাইছে। ছাত্ৰবৃন্দৰ এনে বলীষ্ট পদক্ষেপত অসমৰ সমূহ জনগণই সহাঁৰি যোগোৱাতো বৰ সন্তোষৰ কথা। শতদলৰ দৰে পূৰ্ণবিকশিত হোৱা ছাত্ৰ আন্দোলনে ভাৰতৰ ডেৰকুৰি বছৰীয়া সংবিধানিক



ইতিহাসত পোন প্ৰথমবাৰৰ বাবে এক নতুন অভিলেখৰ সৃষ্টি কৰাতো মনকৰিবলগীয়া। হিন্দু. মুছলিম, বড়ো-কছাৰী প্ৰমুখ্যে সমগ্ৰ অসমত বসবাস কৰা প্ৰতিজন অসমীয়াই অসমক মোৰ বুলি লৈ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই নিজৰ দেহক তুচ্ছজ্ঞান কৰি আগবাঢ়ি আহি বিশ্বনিনাদিত কণ্ঠস্বৰে কেন্দ্ৰীয় চৰকাৰক চিঞৰি চিঞৰি কৈছে—"অসমৰ পৰা বিদেশীক বহিষ্কাৰ কৰক;" ই অকল অসমৰেই সমস্যা নহয়, সমগ্ৰ ভাৰতবৰ্ষৰে সমস্যা।" কিন্তু কেন্দ্ৰীয় চৰকাৰে অসমৰ পিনে এবাৰ হলেও বেকাঁকৈ চাইছে জানো ...... ???

বৰ্ত্তমানেও অসম আন্দোলনৰ উদ্দেশ্য সাপেক্ষে ভাৰত চৰকাৰৰ একো সঁহাৰি পোৱা নগ'ল। চৰকাৰে পাতিব খোজা বিদেশী নাগৰিকৰ ভোটেৰে হোৱা অবৈধ নিৰ্ব্বাচন ৰাইজে ৰোধ কৰিলে। নেতা-মন্ত্ৰীয়ে মাথোন "সেপ ঢুকি" ক্ষান্ত হ'ল। অৱশেষত উপায় বিহীন চৰকাৰে সৰ্ব্বভাৰতীয় কেতবোৰ সংবাদ পত্ৰৰ এচাম সংবাদ সেবীৰ সহযোগত অসমত বিদেশী নাগৰিকৰ নাম ভোটৰ তালিকাৰ পৰা বহিষ্কাৰ কৰাৰ বাবে চলা বিৰামহীন সুদীৰ্ঘ সংগ্ৰামক মষিমূৰ কৰাৰ প্ৰয়াসেৰে প্ৰচাৰ কাৰ্য্যতহে তৎপৰ হ'ল। চৰকাৰে মাত্ৰ পৰিচয় দিলে - ভাৰতৰ ৰাষ্ট্ৰীয় জীৱনত এখন ৰাজ্যৰ সমূহ জনতাৰ বিৰুদ্ধে সংবাদ জগতৰ ক্ষমতাৰ প্ৰত্যাহ্বান সত্যক অসত্য বুলি প্ৰচাৰৰ ক্ষমতা প্ৰদৰ্শন, প্ৰকৃত ঘটনাৰ মনোভাব লোৱাৰ প্ৰতি পৰিকল্পিত উদাসীন্য। ফল-স্বৰূপে সহজ সৰল উদাৰচিটীয়া অসমীয়া ৰাইজৰ মাজত বিভ্ৰান্তৰ সৃষ্টি হল মানৱ-মনত বিকল্প চিন্তাস্ৰোতৰ সঞ্চাৰ হ'ল। চৰকাৰে ঘোষণা কৰিলে অসমৰ আন্দোলন প্ৰকৃততে অস্তিত্বৰক্ষাৰ কথা বিদেশী বহিষ্কাৰৰ আন্দোলন নহয়, ই মাথোন বিছিন্নতাবাদী সাম্প্ৰদায়িকতাবাদী তথা ঠেক মনোবৃত্তিৰ আন্দোলন। অতি পৰিতাপৰ কথা যে ভাৰত-বৰ্ষৰ নিচিনা এখন উপমহাদেশৰ অহিকাৰিণী হৈ শ্ৰীমতী ইন্দিৰা গান্ধীয়েও অসমৰ আন্দোলন বিৰূপ মন্তব্যত উঠিপৰি লাগিল। তেওঁ এইটো পাহৰি যোৱা উচিত নাছিল যে অসমত সৃষ্টি হোৱা বিদেশীৰ সমস্যাটোৰ একো তৎকালীন সমাধান নকৰিলে এই সমস্যায় এদিন গৈ সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰিব; কেন্দ্ৰীয় চৰকাৰৰ এনে উদাসীনতাত ৰাষ্ট্ৰীয় সংহতিৰ গুৰুতৰ ক্ষতি সাধন হব। নিৰ্ব্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত সকলো ঠাইতে প্ৰধান মন্ত্ৰী গৰাকীয়ে কৈ ফুৰিছে যে— "অসমৰ বিদেশীৰ সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা ইয়াক অনতি-পলমে সমাধান কৰিবই লাগিব। কিন্তু এতিয়া নিৰ্ব্বাচিত ইন্দিৰা কংগ্ৰেছৰ নেতৃবৃন্দৰ স্বৰূপ দেখি আচৰিত হব লগাত পৰিছোঁ। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সম্প্ৰতি ঠাই বিশেষে কৈ ফুৰিছে— "1951 can not be accpted as the base year for it in to the very concept of Indian nationhood" ......... ... The West Bengal Youth Congress ( I ) is only giving expre-ssion to the people's widesprend feelings and apprehensions in that

state over the situation." ............ The RSS is behind the Assam Stir."

আকৌ ভাৰতৰ কেন্দ্ৰীয় গৃহদপ্তৰৰ মন্ত্ৰী স্বনামধন্য জাইলসিঙে মন্তব্য কৰিছে—"..... us intelligence agency could be behind the stir in Assam ............ a few people are receixing training in the Chittagong Hills in Bangladesh from some other nations." "The people of Assam will not be allowed to be refuge to a minority in there own state. আন্দোলনৰ সফলতাক হেয় কৰিবলৈ গৈ মন্ত্ৰীদপ্তৰে এনে ধৰণৰ বক্তৃতাৰ ফুলজাৰি মাৰি অসমীয়া ৰাইজৰ সমূহীয়া শক্তিক কুঠাৰাঘাত কৰিবলৈ বিচাৰিছে। ৰাইজৰ মাজত মিছাটোৱে সচাঁহৈ সাম্প্ৰতিক সাম্প্ৰদায়িক অশান্তিৰে তোলপাৰ লগালে। R. S. S. ৰ সম্পূৰ্ণ প্ৰভাৱ আন্দোলনত থকা বুলি মন্ত্ৰী গৰাকীয়ে প্ৰচাৰ কৰি অসমীয়া লোকৰ মাজত হিন্দু, মুছলমান ভাব জগাই দি সাম্প্ৰদায়িকতা ভাব জগাই দিলে। ৰাজনীতিৰ চাল বুজি নোপোৱা কেতবোৰ কাজিয়ে অনা অসমীয়া, বিজাতৰীয় লোকৰ সহযোগত পৰি প্ৰকৃত অসমীয়া মুছলমান সকলকো ফুচুলোৱাত লাগিব ধৰিলে। লগতে কেতবোৰ অপপ্ৰচাৰৰ মাধ্যমেৰে আন্দোলনৰ প্ৰকৃত উদ্দেশ্য তথা কাৰ্য্য-সূচীক পাহৰি যাবলৈ অসমীয়া লোকক উদগনি যোগালে। উল্লেখযোগ্য যে স্বাৰ্থজড়িত মহলৰ তেনেকুৱা প্ৰচেষ্টাই জোৱাৰ ভাটাৰ ওফন্দি উঠা পানীৰ নিচিনাকৈ ক্ষন্তেকতে উঠি পলকতে তল পৰি গ'ল। পলমকৈ হলেও প্ৰতিজন অসমীয়াই সেইবোৰ ৰাজনৈতিক অভিসন্ধি বুলি বুজি পালে। অসমত বসবাস কৰি অহা প্ৰাৰম্ভিক জাতিসমূহৰ ভিতৰত জনজাতীয় ভাইসকল অন্যতম। মুখত অসমীয়া ভাষা, লিখোতে অসমীয়া মাধ্যম ব্যৱহাৰ কৰি অসমীয়া প্ৰতিবেশীৰ লগতে ডাঙৰ-দীঘল হৈ অসমৰ স্বকীয়তা আজিকোপতি তেওঁলোকে বোজাই ৰাখি আহিছে। লগতে যোৱা দিন ধৰি অসমৰ ন্যায্যদাবীৰ হকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত মাত মাতি আহিছে, আজিও অসমত গঢ়ি উঠা বিদেশী বহিষ্কাৰৰ আন্দোলনত আৰম্ভণিৰে পৰা জনজাতীয় ভাইসকলে অংশ গ্ৰহণ কৰি আহিছে। কিন্তু অসম আন্দোলনৰ বাম পন্থী লোকসকলে তেওঁলোকৰ নিজৰ চৰিতাৰ্থ পূৰণ কৰিবলৈ গৈ আন্দোলন বিমুখী অপপ্ৰচাৰৰ অভিযান চলাই আমাৰ মাজত সংহতিৰ বান্ধ চিঙি দিবলৈ তলে তলে প্ৰচেষ্টা চলোৱা দেখা গৈছে। বৰ্ত্তমানেও যিসকলে আনৰ প্ৰৰোচনাত প্ৰৰোচিত হৈ নিজস্ব চিন্তা স্ৰোতক বিপথগামী কৰিবলৈ বিচাৰিছে তেওঁলোকে পাহৰি যোৱা উচিত নহব যে উত্তৰাঞ্চলৰ জনজাতীয় অধ্যুষিত অঞ্চলসমূহ নীৰৱে জনজাতীয় লোকৰ নিয়ন্ত্ৰণৰ পৰা বাহিৰ হৈ গৈছে। এই জনজাতীয় লোকসকলৰ পৰৱৰ্তী বংশধৰসকলে অসমীয়া বুলি পৰিচয় দি ভৱিষ্যতে অসমৰে এচমকা মাটি পাব ক'ত। পলমকৈ হলেও জনজাতীয় ভাইসকলে এইকথা উপলব্ধি কৰিব পাৰিছে। এইটো সকলোৰে অবিদিত নহয় যে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে কছাৰী যুৱকও কলাই গাওঁত জীৱন আহুতি দিছে। লগতে নগাওঁ জিল্লাৰ ঠাই বিশেষে চলা বিদেশীৰ আকস্মিক আক্ৰমণৰ বলী হৈ সৰহভাগ থলুৱা জনজাতীয় ভাই-ভনীয়ে ভগনীয়া ৰূপে নগাওঁ জিলাস্থ কেতবোৰ ভগনীয়া শিবিৰত আশ্ৰয় লব লগা হৈছিল। এনে জাজ্বল্য প্ৰমাণ পোৱাটো সংখ্যালঘু ছাত্ৰসন্থা তথা এচাম বামপন্থী নেতাৰ প্ৰৰোচনাক্ৰমে এচাম জনজাতীয় লোকে নিজৰ মাতৃভূমিকে একোটা "ট্ৰইবেল বেল্ট" বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দিয়াতো বৰ পৰিতাপৰ কথা। বৰং কেতবোৰ কাজিয়ে অসম আন্দোলনৰ বিৰুদ্ধে জঘন্য অপপ্ৰচাৰ চলাই অসমৰ সংহতিক বিপদগামী কৰিবলৈ লোৱা মিছা প্ৰচেষ্টা উপহাসৰে নামান্তৰ মাত্ৰ।

প্ৰায় দুশলাখ মানুহে বসতি কৰা উত্তৰপূৰ্ব্বাঞ্চল বুলিলে ভাৰতৰ মানচিত্ৰত যিটো অংশ মনলৈ আহে সেই গোটেই খণ্ডৰ লগতে বাংলাদেশৰো এটা অঞ্চল একালত বিশাল কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ ৰাজ্যৰ অন্তভুৰ্ক্ত আছিল। কিন্তু আজি বিশাল কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ জিলা বাংলাদেশৰহে অন্তভুৰ্ক্ত হোৱাৰ পথত। এই উদ্দেশ্যে বাংলাদেশৰ পৰা অহা লাখ লাখ বিদেশীৰ অনুপ্ৰবেশ অসমত। প্ৰব্ৰজন আৰু অনুপ্ৰবেশৰ ফলত অসমত জনসংখ্যা বৃদ্ধিৰ হাৰ ভাৰতৰ ভিতৰত সৰ্ব্বাধিক হোৱা বুলি অসম চৰকাৰৰ তৰফৰ পৰা প্ৰকাশিত তথ্যপাতি দ্বিধাহীনভাবে পোৱা হৈছে। ইং ১৯৭৯ চনলৈকে অসমত বিদেশী নাগৰিকৰ সংখ্যা ৩৫ লাখ। তাৰে প্ৰায় ১৮ লাখ বিদেশীয়ে যি কোনো প্ৰকাৰে ভোটৰ তালিকাত নাম সুমোৱাইছে। গতিকে সৰ্ব্বভাৰতীয় এই পটভূমিত অসমৰ বৰ্তমানৰ গণসংগ্ৰামৰ গুৰিত থকা সমস্যাটো অমুহূৰ্তে সমাধান কৰিব পৰা বিধৰ নহয়। অসমত যে লাখৰ হিচাপত বিদেশী অবৈধ নাগৰিক আছে, এই কথা অস্বীকাৰ কোনেও কৰিব নোৱাৰে। উত্তৰ-পূব ভাৰতত ত্ৰিপুৰা ৰাজ্যত স্থনীয় বাসিন্দা হঠাৎ সংখ্যালঘু হৈ পৰাৰ দৰে অসমৰো স্থানীয় অসমীয়াক "সংখ্যালঘু" কৰাৰ এটা অপচেষ্টা তলে তলে সদা সৰ্ব্বদা চলি আছে। পশ্চিম বংগৰ এচাম নেতাৰ এই চক্ৰান্তত সহযোগ আছে নিতান্ত ভাবপ্ৰবন "বৃহত্তৰ বাংলা" সপোনৰ আঁৰত। ভাৰত চৰকাৰে যদি দৰাচলতে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চলক ভাৰতৰ ভিতৰতে ৰাখিবলৈ বিচাৰে, তেনেহলে সেইফালৰ পৰা 'বিদেশী বহিষ্কাৰ'ৰ সমস্যাটো ভাৰত চৰকাৰৰ। কিন্তু এতিয়া দেখা গৈছে চৰকাৰ এই সমস্যাৰ প্ৰতি সম্পূৰ্ণ উদাসীন। বৰং চৰকাৰী কাকত-পত্ৰত মন্ত্ৰীমহলৰ বিবৃতিয়ে সংগ্ৰামী জনসাধাৰণৰ মাজত বিচ্ছিন্নতাবাদী ভাবধাৰাৰহে জোৱাৰ তুলিছে। ৰাইজৰ আস্থাৰ ভোট লৈ নিৰ্ব্বাচিত হোৱা ৰবমূৰীয়া সকলে চি, আৰ, পি,ৰ ৰক্ষণা বেক্ষণত থাকি টোপনিৰ ভাও জুৰি সমগ্ৰ ৰাইজক অবহেলাৰ পাত্ৰত জাহ যাবলৈ এৰি

দিছে। তদুপৰি নৱগঠিত ইন্দিৰা চৰকাৰে অসমৰ প্ৰতি কৰা অবহেলাই জন্ম দিয়া সমস্যাৰ আশু সমাধানৰ পথ লব পাৰিব বুলি এই অঞ্চলৰ ৰাইজক মনত প্ৰগাঢ় আশাই বাহ সাজিছে। বহুদৰ্শী চৰকাৰে এইটো পাহৰি গৈছে যে সমস্যাৰ সমাধান তৎকালে নকৰিলে সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চল সমগ্ৰ ভাৰত-বৰ্ষৰে অশান্তিৰ কাৰণ হৈ পৰিব যাৰ ফলত ৰাষ্ট্ৰীয় সংহতিৰ বিনষ্ট ঘটিব।

প্ৰতিজন অসমীয়াৰে এইটো যে অসম আন্দোলন সাপক্ষীয় বাতৰি সম্ভাৰ প্ৰচাৰ হব বুলি অনাতাঁৰ, বাতৰি কাকত আদিৰ প্ৰতি চৰকাৰে সম্পূৰ্ণ সচেতন দৃষ্টি ৰাখি আহিছে। কিন্তু সৰ্ব্বভাৰতীয় এচাম কাকতে চলিত আন্দোলনৰ যি মিথ্যা অপপ্ৰচাৰৰ সোঁত চলাই আহিছে তাৰ প্ৰতি চৰকাৰে তিল মাত্ৰ কাণসাৰ দিয়া নাই। এখন সৰ্ব্বভাৰতীয় কাকতে পৰিষ্কাৰ ভাষাত লিখি প্ৰচাৰ কৰিছে— "ৰাজনৈতিক দৃষ্টিকোণতকৈও এই আন্দোলনৰ নামত দুয়োখন ৰাজ্যৰ (অসম, মেঘালয়) সংখ্যা গৰিষ্ঠই সংখ্যালঘিষ্ঠ অৰ্থাৎ বাংলাভাষীৰ বিৰুদ্ধে জাতীয় বিদ্বেষ লগাই তোলাটো আটাইতকৈ ভয়াবহ কথা হৈছে। দুয়োখন ৰাজ্যত কেবল মাত্ৰ চলিছে ব্যপক সাম্প্ৰদায়িক আন্দোলন অৰ্থাৎ দুয়োখনে কেৱল বঙালীকহে খেদিব খুজিছে।" লগতে কৈ গৈছে যে— সন্দেহযুক্ত বিদেশীৰ নাম ভোটৰ তালিকাৰ পৰা বাদ দিয়াৰ শুভ উদেশ্যহে অৱশ্যে এই আন্দোলনৰ মূল উদ্দেশ্য বুলি দেখুৱা হৈছে। অৰ্থাৎ তলে তলে উদ্দেশ্যটো বঙালী খেদা, ইয়াৰোপৰি আন কেতবোৰ কলিকতীয়া কাকতে বিশেষ বুদ্ধিৰে অসমত বাস কৰি অসমবাসী হোৱা আন বহুতো ভাৰতীয়কো বঙালীৰ লগতে সাঙুৰি অসমীয়াৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰৰোচিত কৰিছে। যি সময়ত অসমীয়া মানুহে দাবী কৰিছে বিদেশী নাগৰিকক চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগে সেই সময়ত তেওঁলোকে দাবী কৰিছে—বিদেশী খেদাৰ নামত ভাৰতীয় নাগৰিকৰ ওপৰত অত্যাচাৰ কৰা হৈছে বুলি। কিন্তু প্ৰতিজন ভাৰতীয় নাগৰিকে দেখিবলৈ পাইছে যে চৰকাৰী প্ৰশাসনতন্ত্ৰ কি দৰে চি, আৰ, পি,ৰ হাতত গতাই দি জনসাধৰণক তথা ছাত্ৰৰ ওপৰত দমনমূলক ব্যৱস্থা প্ৰয়োগ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। সৌ সিদিনা গুৱাহাটীৰ কলেজ হোষ্টেলত শুই থকা অৱস্থাত হিন্দু-মুছলমান, বড়ো-কছাৰী, মিৰি, মনিপুৰী, নগাকে ধৰি প্ৰতিজন ছাত্ৰৰ ওপৰত কৰা চি, আৰ, পি,ৰ অত্যাচাৰ অস-মীয়াৰ শান্তি সম্প্ৰীতি ধ্বংস কৰা নাই জানো?

গতিকে প্ৰতিজন সচেতন অসমীয়াই জনা উচিত যে আমাৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ লগাই আন্দোলনৰ সফলতাৰ ব্যাঘাত জন্মা-বলৈহে এইবোৰ হৈছে চৰকাৰৰ ৰাজনৈতিক অভিসন্ধি। সেয়ে সাম্প্ৰদায়িকতাৰ মেৰঘৰত নোসোমাই জাতীয় সংহতি অক্ষুণ্ন ৰাখি প্ৰতিজন অসমীয়াৰ এটাই মাত্ৰ উদ্দেশ্য হোৱা বাঞ্চনীয়।

00000



# চল্লিশ লাখ মানুহৰ জেল

—মোজাম্মিল হক
প্ৰাক্ বিঃ, ২য় বাৰ্ষিক

শুনিলে আচৰিত হব লাগে। আই বোপাইহঁতেও শুনা নাছিল বোলে চল্লিশ লাখ মানুহক একেলগে জেলত ভৰাব পাৰে। অৱশ্যে ইমানবোৰক সুমুৱাবপৰা জেল ভাৰতত আজিলৈ বনোৱা নাই। শুনামতে ধৰাতলত মানুহৰ বসতি ঘনতৰ হ'লে মস্কোত ছোভিয়েত বিজ্ঞানবীৰসকলে চাৰি লাখ মানুহ থাকিব পৰা ঘৰ বান্ধিব। গুৱাহাটীৰ দৰে দুৰ্গন্ধময় গেলা মহানগৰীত মুঠতে এঘাৰ লাখ মানুহ আছে (সচিবালয়ত কেবাহাজাৰ বাংলাদেশী আছে, সিফালে খানাপাৰাৰ ফালে দেধাৰ কাঞ্চা-কাঞ্চীও আছে)। তথাপি চল্লিশ লাখ শব্দটো শুনি আশ্চৰ্য্য মানিলেও—১৯৮০ চনৰ ৩১ ডিচেম্বৰ লৈকে বে-চৰকাৰী হিচাবমতে দুকুৰিৰ পৰা আঠৈকুৰি লাখ লোকক চিপাহীসকলে গ্ৰেপ্তাৰ কৰিছে। আৰু তেৰাসকলৰ বুটৰ গছক, বাৰুদৰ আঘাট আৰু লজ্জাজনক ধৰ্ষণৰ ফলত কিমান মৰিছে তাৰ হিচাব উলিওঁৱা এতিয়াও সম্ভৱ হোৱা নাই। আমাৰ পেহীৰ চৰকাৰৰ (বাপেকক আমাৰ বোপাইহঁতে খুৰা বুলিছিল) হিচাবমতে চাৰে ওঠৰ লাখ লোকক হাত-কেৰেয়া লগোৱা হয়। আৰু তেৰাসকলৰ গুলিত মৰা পৰে প্ৰায় আঠৈশ। পিছে এবাৰ গণ সত্যাগ্ৰহত (গান্ধীজীয়ে কি যে এইবোৰ উলিয়াইছিল) গুৱাহাটীতে চৌদিশৰপৰা কুৰি লাখ লোকৰ সমাৱেশ হোৱাত চিপাহীয়ে মাইক লৈ সকলোৰে গ্ৰেপ্তাৰ ঘোষণা কৰিছিল।

বাঁও-সোঁ সকলো ৰাজনীতি কৰা লোকে একমতে স্বীকাৰ কৰিছে যে অসমৰ ছাত্ৰ-যুৱক শ্ৰমিক কৃষকৰ দাবীবোৰ ন্যায্য। বিদেশী অসমত আছে। আহি আছে আৰু সকলোকে চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগে। অসমত হয় ভিত্তি বছৰ লৈ। অতিপাত মানবপ্ৰেমী (এৰা, মানবীয় দিশৰ কথা এওঁলোকে বৰ চিন্তা

কৰে) সকলে একসত্তৰ চনক ভিত্তি বছৰ কৰিবলৈ কয়, পিচে একসত্তৰক ভিত্তি বছৰ কৰি কাক, কেতিয়াৰ পিচত অহাসকলক বহিষ্কাৰ কৰিব লাগে; তাক হলে নকয়। ৰাইজে দাবী কৰিছে যে একাৱন্নৰপৰা চিনাক্ত কৰি একসত্তৰৰপৰা বহিষ্কাৰ কৰক। ৰাজঘৰ আৰু ৰাজনীতিৰ নেতাসকলে নামানেহে নামানে। বহুবাৰ আলোচনা কৰি সফল নহৈ এতিয়া আকৌ আলোচনা কৰিম কৰিম বুলি দিন পিচুৱাই আমনি কৰাৰ মতলব কৰিছে। এঘাৰ কি বাৰশ কোটি টকা লোকচান হোৱাৰ পিচতো আমাৰ গৃহমন্ত্ৰী জাওবীয়াই কয়, "তোমালোক বাপুহঁত ; ইমান শান্ত ল'ৰা। তোমালোকৰ দাবীবোৰ মইওঁ সমৰ্থন কৰোঁ! কেৱল তোমালোকে অলপ মৰম কৰি থাকৰা তেলৰ পাইপ লাইন খুলি দিয়া আৰু আন্দোলন যিমানপাৰা কৰি থাকা" অৱশেষত জেইল সিং অলপ সফল হ'ল হবলা।

মাৰ্ক্স নে কি কোনোবা কমিউনিষ্ট এজনে কোৱা কথা এটা লৈ আমাৰ বংশী খুৰাৰ পুতেক হৰকান্তই (সিওঁ নিজকে সৰ্ব্বহাৰা বুলি ভাবে) কৈছিল— "এই আন্দোলন মাত্ৰ দুদিনমান চলিব। যি আন্দোলনৰ কোনো ভূমিগত, সবল, সৰ্বজনৰ দাবী নাই, সি সদায় নচলে।" সি কোৱাৰ পিচত পূৰা ডেৰবছৰ অহৰহ আন্দোলন চলিল, তাৰ মাক, ভনীয়েক, ভায়েক, খুৰায়েকহঁতেও লাঠিৰ কোৰ, বুটৰ গছক খালে। হৰকান্তই কৰবাত আন্দোলনৰ বিৰুদ্ধে কিবা বক্তৃতা মাৰি থাকোতে বোলে অধৈৰ্য্য মহিলাৰ দল এটাই দিলে মাধমাৰ ; মেখেলাৰ কোব। তাৰ পিচত তাক আমি গাৱত দেখা নাই। শুনামতে আন্দোলনটো ভাঙিবলৈ নানান ভাষী, গোষ্ঠী আৰু সংখ্যা লঘুৰ মাজত ঘূৰি ফুৰিছেগৈ। ঈশ্বৰে তাক ভালে ভালে ঘূৰাই আনক।

দেশত গণতন্ত্ৰ আছে বোলে। তেনেহলে ৰাইজেই ৰজা নহৈ, নেতাই ৰজা, বিদেশী প্ৰজা আৰু দেশীভাইসকল সাত-শতক হয়নো কিয়? হওঁক তেওঁ, বৃদ্ধকালত আমি উত্তৰ পুৰুষৰ আগত বকলা মাৰিব পাৰিম যে, আমি আগতে অসমীয়া আছিলো, আমাৰ জাতি আগতে স্বাধীন আছিলো। আমি আজিৰ দৰে বাংলাভাষী ; বৃহত্তৰ বাংলাৰ অধীনত নাছিলো। আমাৰ ভাষা অসমীয়া আছিল, আমাৰ কাপোৰ-কানি আছিল……। ইত্যাদি ইত্যাদি।

অসমত ভাৰতীয়সকলে অবৈধ্য বিদেশী নাগৰিকক বহিষ্কাৰ কৰিবলৈ মৰণপন কৰি আন্দোলন কৰিছে। নিজৰ জীৱন উৎসৰ্গা কৰি সংকল্প দিৱসত সংকল্প গ্ৰহণ কৰিছে। কোনোৱে বুকুৰ 'তেজেৰে' "তেজ দিম তেল নিদিম" বুলি লিখিছে আৰু এই অজুহাতত আই কংগ্ৰেছী আৰু কমিউনিষ্ট দুই শত্ৰুৱে এক শিবিৰত মিতিৰ পাতিছে। কি লীলা প্ৰভু! আনকি বামবীৰ সৰ্ব্বহাৰাৰ নেতাসকলে একনায়কত্ববাদী ইন্দিৰাৰ চৰকাৰকো অসমত ৰাখিলে। সকলো ৰাজ্যত নিৰ্ব্বাচন পাতিলে বংগ আৰু ত্ৰিপুৰাত নাপাতিলে। কি আশ্চাৰ্য্য দেউ! বিশ্বপ্ৰেমী লোকসকলে বিশ্বৰ অগণন



জনতাক আপোন কৰি সৰ্ব্বহাৰাৰ ৰাজ প্ৰতিষ্ঠাৰ সংগ্ৰাম কৰিবলৈ নামি পৰিব পাৰে ; ঘৰৰ মানুহখিনিক কেলেইনো আপোন কৰি লব নোৱাৰে তাকেহে নাজানিলো দেও। তেওঁলোকৰ ভিত্তি দাবী সম্বলিত আন্দোলন হ'ল— বছৰত এবাৰ এবাৰ গাড়ীভাৰা কৰি জৰ্জ ফিল্ডত সমবেত হৈ ধ্বনি দিয়া, বৰ বৰ বক্তৃতাৰ ফুলজাৰি চটিওৱা। সঁচাই তেওঁলোকৰ এই সুস্থ দাবীৰ আন্দোলন আজি চল্লিশ বছৰ চলিছে কামত অহা নাই। সুস্থ আন্দোলন সদায় অমৰ !!


পিচে চল্লিশ লাখৰ জেল, আঠৈশৰ মৰণে অসমক কিছু দিলেওঁ। বহুত নতুন উদ্যোগ, কাৰ্য্যালয়, প্ৰতিষ্ঠাৰ ঘোষণা কৰা হ'ল, অসমীয়া মানুহে জ্ঞানপীঠ পালে, আনকি এইবাৰ বাৰ্ষিক পৰিকল্পনাত অসমে আগৰ তুলনাত প্ৰায় দুগুণ টকা পালে। মন্ত্ৰীসকলে বেচ ভোগ কৰিব পাৰি তেও। তেলৰ ৰয়েল্টীও বঢ়ালে। অসমত নিয়োগ কেন্দ্ৰ কেইটিমান হব কিজানি। পিচে এটা কামহে নহ'ল। আজি অতবছৰে ; ৰাজধানী নামি আহিল, ৰাজধানীখন অস্থায়ীৰ পৰা পাল মৰা বিধৰ স্থায়ী হ'ল কিন্ত চিলঙৰ পৰা অফিচ কেইটামান হলে নামি নাহিল। হিচাপ আৰু পৰীক্ষাৰ কাৰ্য্যালত কিবা কামৰ বাবেঁ [illegible] আমি আজিওঁ পাঁচ হাজাৰ ফুট ওপৰত উঠি বমি কৰিব লাগে। কি কাৰবাৰ গোসাঁই।

বামবীৰসকলে সম্প্ৰতি কোনজন আন্দোলনকাৰী এসময়ত জৰুৰীকালীন অৱস্থাত ইন্দিৰা কংগ্ৰেছৰ হোতা আছিল, কোনে কিমান পয়চা হজম কৰিলে, কোন ছোৱালী গৰ্ভৱৰ্তী হ'ল তাৰ হিচাপ ৰখাত ব্যস্ত। বান্ধসকল, তোমালোকে এইবোৰ ৰটনা কৰি সময় নষ্ট নকৰি নিজৰ বাই-ভনী আৰু দেশৰ যতন লোৱা হ'ক, বিদেশীক পিচত ৰক্ষণা-বেক্ষণ দিবা। ভোটেই সকলো নহয়।

হয়, ১৯৮০ চনৰ ৩১ ডিচেম্বৰলৈকে চল্লিশৰপৰা পঞ্চাশ লাখ লোক অসম আন্দোলনৰ ফলত গ্ৰেপ্তাৰ বৰণ কৰিছে। আমি চিঞৰি আছো যে চৰকাৰে যদি সংবিধান মানি, গণতন্ত্ৰক ৰক্ষণা-বেক্ষণৰ বাবে বিদেশী বহিষ্কাৰ নকৰে, আমাৰ পঢ়া-শুনা কৰা ডেকা-ডেকেৰী আগ ভাগ লব লাগিব — ('লুইতৰ পাৰৰ আমি ডেকা ল'ৰা, মৰিবলৈ ভয় নাই' ও মুখস্থ কৰিলো)। পিছে আমি মনত ৰখা উচিত যে আমাৰ মুখৰ কথা যদি ফটা মুখৰ বাইক হয়গৈ আমাৰ উত্তৰ পুৰুষসকলে বৰ লাজ পাব আৰু লাজ দিবও। সিহঁতে কব — "চিঃ আমাৰ পূৰ্ব্বপুৰুষসকল বৰ স্বাৰ্থপৰ আৰু ভীৰু আছিল। মুখৰ কথাওঁ ৰাখিব নোৱাৰিলো।" আজি গাঁৱে-ভূঁৱে সাম্প্ৰদায়িক সংঘৰ্ষ লগাবলৈ চেষ্টা [illegible] ফুঁৰা বীৰসকলেও আমাক উগলুঙা কৰি অট্টহাস্য কৰিব।

আমি এৰি দিব নালাগিব একোতে। 'সকলো ধৰণৰ' সংগ্ৰাম অসমীয়াৰ একমাত্ৰ মুক্তিৰ পথ।

00000



# এটা নতুন সুৰুমৰ জন্ম

গীতালী শৰ্ম্মা

বৰুৱানী আইতাক বিদায় দি তামোল-পাণৰ বটাখন সামৰি লৈ ভাৰাক্ৰান্ত মন এটাৰে প্ৰশান্তৰ মাক ভিতৰ সোমাল। গধূলি হ'ল–তেওঁ গোঁসাই ঘৰত সোমাব লাগে। গোঁসাইঘৰত চাকি জ্বলাই তেওঁ ঘোষাকেইটামান গালে। তাৰ পিচত আঠুকাঢ়ি মূৰ দোৱালে। 'হে ভগবান! প্ৰশান্তক সুমতি দিয়া। 'মনতে ৰূামনা কৰি তেওঁ বহুত সময় আঠুকাঢ়ি থাকিল। বেছ কিছু সময়ৰ পিচত তেওঁ উঠিল আৰু গোঁসাইঘৰৰ দুৱাৰখন বন্ধ কৰি ওলাই আহিল।

মনত কিবা এটা অশান্তি পালে নাই ... কেতিয়াবা মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হ ... তেওঁ সদায় এইদৰে ভগবানৰ ওচৰত আ ... লয়। ভগবানৰ ওপৰত অটল বিশ্ব ... থকা কাৰণেই ইমান কষ্ট সহ্য ক ... এইদৰে থাকিব পাৰিছে বুলি তেওঁ সা ... ভাবি আহিছে। কিমান কষ্টৰে তেওঁ প্ৰ ... আৰু সীমান্তক ডাঙৰ কৰিছে। সে ... সিহঁতেও মাকক অত্যন্ত ভাল পায়। গ ... প্ৰশান্তৰ মনত তেওঁ কেনেকৈ আ ... দিয়ে? বৰুৱানী আইতাৰ কথাখিনিয়ে তে ...



মনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কি সিদ্ধান্ত লব তেওঁ ভাবি পোৱা নাই।

অতীতলৈ ঘূৰি চাবলৈ তেওঁৰ ভয় হয়। কেতিয়াবা ভাবি ভাবি নিজেই আচৰিত হয় এই সুদীৰ্ঘ বছৰকেইটা তেওঁ কেনেকৈ অতিক্ৰম কৰিলে! উচ্চপদস্থ চৰকাৰী চাক-ৰিয়াল আৰু দুজন পুত্ৰৰ মাতৃ হিচাবে বেছ আনন্দৰেই দিনবোৰ অতিবাহিত হৈছিল মনোৰমাৰ। কিন্তু নিয়তিয়ে তেওঁক প্ৰতাৰণা কৰিলে। মাত্ৰ দুদিনৰ জ্বৰতে স্বামীক হেৰুৱালে। প্ৰশান্ত তেতিয়া হাইস্কুলৰ ছাত্ৰ। এনেকুৱা এটা আঘাট পাই মনোৰমা যেন পংগু হৈ পৰিল। কিন্তু শোকত ম্ৰিয়মান হ'ল যদিও তেওঁ ভাঙি নপৰিল। কাৰণ মৃত্যুৰ আগমুহূৰ্তত স্বামীয়ে কৈ গৈছিল, "প্ৰশান্ত আৰু সীমান্তক তুমি মানুহ কৰিবা মনোৰমা। মই নোৱাৰিলোঁ। স্বামীৰ কথাখিনিয়ে তেওঁক সংগ্ৰাম কৰি হলেও জীয়াই থাকিবলৈ প্ৰেৰণা দিলে; সৰুৰেপৰা দৃঢ় মনৰ অধিকাৰিণী আছিল তেওঁ। সেয়েহে দেউতাকে লৈ যাবলৈ ইচ্ছা কৰা স্বত্বেও তেওঁ নগ'ল। স্বামীৰ স্মৃতি বিজড়িত ঘৰটোৰ মোহ এৰিব নোৱাৰিলে। জীৱনটোক এটা প্ৰত্যা-হ্বান বুলিয়ে ললে তেওঁ।

সংসাৰ জটিলতাৰ পথত ক্ৰমে গভীৰৰ পৰা গভীৰতৰলৈ সোমাই গৈ এটা সময়ত উপলব্ধি কৰিলে—জীৱনটো তেওঁ ভবাৰ নিচিনা সহজ নহয়। সেয়েহে স্বামীয়ে এৰি থৈ যোৱা সম্পত্তিখিনিৰ ওপৰত নিৰ্ভৰ কৰি নাথাকি নিজাকৈ আয়ৰ পথ এটা বিচাৰিলে। কাপোৰ বোৱাত নিজকে ব্যস্ত কৰি ৰাখিলে। মাজে মাজে হতাশাৰ ভাৱ মনলৈ আহিছিল যদিও প্ৰশান্ত-সীমান্তৰ মেধা শক্তিয়ে তেওঁক প্ৰেৰণা যোগাইছিল, মনোবল হেৰুৱাবলৈ দিয়া নাছিল। সিহঁত দুটাক লৈ ৰঙীণ ভবিষ্যতৰ সপোন ৰচনা কৰিছিল। তথাপিও কেতিয়াবা যে আৰ্থিক সংকটৰ সম্মুখীন হোৱা নাছিল এনে নহয়। কিন্তু দেউতাকৰ বাহিৰে ওচৰ চুবুৰীয়াৰপৰা কোনো ধৰণৰ সঁহাৰি পোৱা নাছিল। বিপদৰ সময়ত তেওঁক কোনেও মাত এষাৰ দিয়া নাছিল।

সৰুৰেপৰা মাকৰ কষ্ট দেখিয়ে বোধহয় প্ৰশান্ত আৰু সীমান্ত মাকৰ প্ৰতি অলপ বেছি অনুৰক্ত হৈ পৰিছিল। সিহঁত দুটাক লৈ মাকৰ কিমান আশা, কিমান চিন্তা দুয়ো বুজিবলৈ চেষ্টা কৰিছিল।

* * * *

তীক্ষ্ণ প্ৰতিভাৰ পৰিচয় দি প্ৰশান্ত ক্ৰমে ওপৰলৈ আগবাঢ়ি গৈছিল। মেট্ৰিক পাচ কৰি কলেজত ভৰ্তি হৈছিল। তাৰপিচত যথাসময়ত মাকৰ ইচ্ছামতেই সুখ্যাতিৰে বিশ্ববিদ্যালয়ৰ উচ্চডিগ্ৰী লৈ ওলাই আহিছিল। দুই, এঠাইত কিবা-কিবি কৰিয়ে নিজস্ব প্ৰতিভাৰ কাৰণে প্ৰশান্তই অলপ চেষ্টাতে কলেজৰ শিক্ষকতাৰ কামটো পাইছিল। প্ৰশান্তই চাকৰি পোৱাৰ খবৰটো শুনি মাকে হাঁহি হাঁহি চকুপানী টুকিছিল—দেউতাক থকা হলে কিমান আনন্দ পালেহেঁতেন। চাকৰিত সোমায়েই সি মাকক কৈছিল "এতিয়া আৰু এইবোৰ বাদ দিয়া মা। ইমান বছৰ তুমি আমাৰ কাৰণেই কষ্ট কৰিলা। এতিয়া

আমাকো কিবা অলপ কৰিবলৈ দিয়া। তুমি আৰু তাঁত বব নালাগে।'

নিজৰ অনিচ্ছা স্বত্বেও প্ৰশান্তই বাধা দিয়া কাৰণে তাঁত ববলৈ এৰিলে। মাকৰ উপদেশমতে সীমান্তই ইন্‌জিনীয়াৰিং পঢ়িবলৈ ললে। তিনিটা প্ৰাণীৰ সৰু সংসাৰখন এটা নিৰ্দিষ্ট গতিত চলি আছিল। মনোৰমাৰ সপোন ফলিয়াবলৈ আৰম্ভ কৰিছিল। কিন্তু হঠাতে থমকি ৰবলগীয়া হ'ল তেওঁ।

বয়স হৈ অহাৰ কাৰণে মাজে মাজে শাৰীৰিক দুৰ্ব্বলতা অনুভৱ কৰিছিল। সেয়েহে মাকে প্ৰশান্তৰ বিয়াখন পাতি দিবলৈ ইচ্ছা কৰিছিল। কেইবাদিনো কওঁ কওঁ বুলি কথাষাৰ তেওঁ প্ৰশান্তক কব পৰা নাছিল। আজি কিছুদিন আগতে সেইদিনা প্ৰশান্তৰ আগত কথাটো উলিয়ালে। কিন্তু প্ৰশান্তৰ পৰা যি প্ৰত্যুত্তৰ পালে সেয়া তেওঁ আশা কৰা নাছিল, যাৰ কাৰণে আজি তেওঁৰ মানসিক অন্তৰ্দ্বন্দৰ সৃষ্টি হৈছে। প্ৰশান্তৰ লগত হোৱা কথোপকথনখিনি তেওঁ আকৌ এবাৰ মনত পেলালে।

'মোৰ বিয়াখন তুমি এতিয়াই পাতিব খুজিছা নেকি মা?' প্ৰশান্তই সহজভাৱে সুধিছিল।

'অ', তই যদি আপত্তি নকৰ, এই বছৰতে তোৰ বিয়াখন পাতিব খুজিছো।' মাকে শান্তভাৱে কৈছিল।

'তেনেহলে, মই যদি নিজ পচন্দমতে এজনী ছোৱালীক বিয়া কৰাব খোজো, তুমি জানো অনুমতি দিবা মা?'

প্ৰশান্তৰ সন্মতিসূচক কথাত আনন্দিত হৈ তেওঁ কৈছিল— 'মই আকৌ কেনেকৈ অনুমতি নিদিম? তই তোৰ পছন্দ মতেই বিয়া কৰাবি।'

'মই বৰ্ণালীক বিয়া কৰাব খুজিছো মা।'

'ব-ৰ্ণা-লীক? অস্পষ্ট মাতেৰে তেওঁ উচ্চাৰণ কৰিছিল। শিলপৰা কপৌৰ দৰে থৰ লাগিছিল মনোৰমা। কি শুনিলে তেওঁ! প্ৰশান্তৰ পৰা এইটো সিদ্ধান্ত তেওঁতো আশা কৰা নাছিল! এখন সুন্দৰ ঘৰ গঢ়ি তোলাৰ স্বপ্ন দেখিছিল। অথচ এতিয়া ভাগ্যৰ ওচৰত তেওঁ হাৰ মানিব নেকি?

মাকৰ অবস্থা দেখি প্ৰশান্ত বোধহয় আচৰিত হোৱা নাছিল। সেয়েহে আকৌ শান্তভাৱে কৈছিল—'হয় মা, বিয়া যদি কৰা লাগে, মই বৰ্ণালীকে বিয়া কৰাম।'

কিছু সময় বৈ মাকৰ নীৰৱতা দেখি প্ৰ... লাহে লাহে ওলাই গৈছিল। একেখিনি ঠাইতে বৈ মনোৰমা সুস্থিৰ হবলৈ যত্ন কৰিছিল।

* *

বৰ্ণালী নিসন্দেহে এজনী আদৰ্শ ছোৱালী। বৰ্ণালী ৰূপ-গুণ, স্বভাৱ-চৰিত্ৰ আদিৰ পৰা ক... নিচিনা ছোৱালী এজনীক বোৱাৰী ক... লোৱাত একো আপত্তি নাছিল মনোৰমাৰ... যদিহে বৰ্ণালীৰ বিষয়ে তেওঁ ... নাজানিলেহেঁতেন। কিন্তু বৰ্ণালীক ... তেওঁ নহয়---অঞ্চলটোৰ আটাইখিনি ... জানে। তেনেস্থলত সমাজখনক উলাই ... বৰ্ণালীক আদৰি লোৱাৰ সাহস মনোৰমাৰ নাই।



এই কেইদিন ধৰি এই বিষয়ে চিন্তা কৰিলে। বৰুৱানী আইতালৈ আকৌ মনত পৰিল মনোৰমাৰ। বৰুৱানী আইতাৰ নীচ মনোভাবৰ লগত তেওঁৰ বেছ চিনাকি আছে। কোনো দিনে তেওঁলোকৰ ঘৰলৈ নহা এই মানুহজনীক আজি আবেলি হঠাতে ভিতৰলৈ সোমাই অহা দেখি মনোৰমা কিছু আচৰিত হৈছিল। তথাপিও একো নাভাবি সহজ ভাবে কথা-বতৰা হৈছিল। তামোল-চালি খোৱাৰ পিচত, কথাৰ মাজতে তেওঁ সুধি পেলাইছিল।

'এইবোৰ কি শুনিছো অ' প্ৰশান্তৰ মাক? প্ৰশান্তই বোলে বৰ্ণালীক বিয়া কৰাব খুজিছে? কথাটো হলে আমি ভাল দেখা নাই। তই মাকজনী হৈ অলপ চিন্তা কৰি চাবি......।' আৰু বহুত কিবা কিবি কৈছিল তেওঁ। আটাইবোৰ শুনাৰ ধৈৰ্য্য মনোৰমাৰ নাছিল। বৰুৱানী আইতাই নজনাকৈ, নুশুনাকৈ এই চুবুৰীটোত একো ঘটনাই ঘটিব নোৱাৰে। তথাপিও এই কথাটো কেনেকৈ জানিলে তাকেহে ভাবি মনোৰমা আচৰিত হৈছিল। আইতাক তেওঁ একো কব পৰা নাছিল।

যিমানেই দৃঢ়মনা নহওঁক কিয়, সমাজৰ বিৰুদ্ধে মনোৰমা থিয় হব নোৱাৰে। অথচ এই বিষয়ে তেওঁ স্থিৰ সিদ্ধান্ত লব পৰা নাই। প্ৰশান্তৰ মনত আঘাত দিয়াৰ ইচ্ছা মনোৰমাৰ নাই। সীমান্তও দুই এদিনতে আহিব, সিহঁতৰ কলেজ বন্ধ হৈছে। গতিকে তাৰ লগত আলোচনা কৰি প্ৰশান্তক বুজাব লাগিব। তাকে ভাবি তেওঁ অন্য কামত মনোনিবেশ কৰিলে।

* * *

সীমান্ত ঘৰখনত থাকিলে ঘৰৰ ৰূপ-টোৱেই যেন বেলেগ হৈ থাকে। দুয়ো ভাই-ককাইৰ খুব মিলাপ্ৰীতি যদিও স্বভাবত দুয়ো বিপৰীত। প্ৰশান্ত শান্ত আৰু গহীন। কিন্তু বয়সত সৰু কাৰণেই নেকি সীমান্ত অলপ উশৃংখল। হাঁহি-ধেমালি কৰি সি ঘৰখন সজীৱ কৰি ৰাখে। প্ৰশান্তক সি 'দাৰ্শনিক' বুলি জোকায়। এইবাৰো সি অহাত কিছুদিনলৈ মাকে কথাটো পাহৰি আছিল। হয়তো ইচ্ছা কৰিয়েই কিছুদিনলৈ কথাটো উলিওৱা নাছিল। কিন্তু সদায়তো পাহৰি থাকিব নোৱাৰি। সেইদিনা আবেলি সীমান্ত কৰবালৈ যাবলৈ ওলাইছিল। মাকে মাতিলে, 'কৰবালৈ যাব নেকি সীমান্ত?'

'নাই মা, এনেয়ে অলপ ওলাই যাওঁ।' কৈ কৈ সি মাকৰ ওচৰলৈ আহিল। মাকক মনে মনে থকা দেখিয়ে বোধহয় সি সুধিলে,

'কিবা কবা নেকি মা?'

'তোৰ সময় হয় যদি কথা এটা কওঁ বুলি ভাবিছোঁ।'

মাকৰ কথাত সীমান্তই হাঁহি দিলে। 'তুমি যি দৰে কৈছা, যেন খুব ডাঙৰ কথা এটাহে কবা। কোৱা মা, কি হ'ল?'

'ডাঙৰ কথা এটাই কব খুজিছো।' বিছনাত বহি কিছু সময় মনে মনে ৰ'ল মনোৰমা। কথাখিনি আকৌ এবাৰ চিন্তা কৰি ললে তেওঁ।

'প্ৰশান্তৰ বিয়াখন পাতিব খুজিছোঁ।

তই কি কৰ ?' কৈ তেওঁ সীমান্তৰ মুখলৈ চালে।

বেছ সুন্দৰ আইডিয়া। ইমান ভাল কথাষাৰ তুমি ভাবি আছা, ইমান দিনে কোৱা নাছিলা কিয় ? ককাইদেউৰ বিয়া পাতিলেতো মোৰেই ভাল হব---নবৌ এজনী পাম। তুমি বাৰু ককাইদেউক সুধিছানে নাই ? মাকৰ উত্তৰ বিচাৰি সীমান্তও বিছনাখনতে বহিল।

'সুধিছিলো। কিন্তু তাৰ মতামত শুনিহে মই চিন্তা কৰিবলগীয়া হৈছে। তোক সুধিম বুলি ভাবিছিলোঁই তাক একো কোৱা নাই।'

মাকৰ কথাত আচৰিত হৈ সীমান্তই সুধিলে, কিয় মা ? ককাইদেৱে কি এনেকুৱা সিদ্ধান্ত লৈছে যে তুমি চিন্তিত হৈছা ?'

'তই প্ৰশান্তকেই সুধিবি। মই বৰ দুখ পাইছো' বুলি কৈ মাক উঠি গ'ল। সীমান্তই ভাবি পোৱা নাই, প্ৰশান্তই মাকৰ মনত দুখ দি কি কৰিব খুজিছে। ককায়েকৰ শান্ত স্বভাৱৰ ওপৰত তাৰ গভীৰ আস্থা আছে। গতিকে প্ৰশান্ত আহিলে কথাটো সুধিব বুলি ভাবি অলপ চিন্তিত হৈ সি ওলাই গ'ল।

* * *

সীমান্তক কথাটো কোৱাৰ পিচত মনোৰমাৰ মনটো অলপ পাতল হ'ল। কেইদিনমান পিচত ৰাতি ভাত খাই উঠি সীমান্তই মাকক মাতিলে, 'মা, তুমি ভাত খাই উঠি ককাইদেউৰ কোঠালৈ আহিবা চান।'

কাম শেষ কৰি আখলঘৰৰ পৰা ওলাই মনোৰমা প্ৰশান্তৰ কোঠালৈ গ'ল। সীমান্তই মতাৰ কাৰণটো তেওঁ অনুমান কৰিছিল। সিহঁত দুয়ো কথা পাতি আছিল। তেওঁ গৈ দুয়োৰো ওচৰত বহিল। কোনো ভূমিকা নকৰাকৈয়ে মাকৰ মুখলৈ চাই সীমান্তই সুধিলে, 'ককাইদেৱে বৰ্ণালীক বিয়া কৰাব খোজাত তুমি আপত্তি কৰিছা কিয় মা ?'

এনেকুৱা এটা প্ৰশ্নৰ কাৰণে মনোৰমা প্ৰস্তুত নাছিল। গতিকে কিছুসময় চিন্তা কৰি লাহে লাহে তেওঁ কলে, 'বৰ্ণালী ছোৱালীজনী বেয়া বুলি মই কব খোজা নাই সীমান্ত। কিন্তু ছোৱালীজনীৰ বিষয়ে তই নাজান---।'

মাকক শেষ কৰিবলৈ নিদি সি কৈ উঠিল--'জানো মা, জানো। আৰু জানো কাৰণেই তুমি আপত্তি কৰাৰ কাৰণ মই বিচাৰি পোৱা নাই। ককাইদেৱে মোক সকলো কথা কৈছে আৰু ছোৱালীজনীকো মই লগ পাই আহিছোঁ। বৰ্ণালীৰ দোষ কি মা ?' বৰ্ণালীৰ নিচিনা ছোৱালীক বোৱাৰী কৰি লব পৰাতোহে ডাঙৰ কথা।'

মাকৰ নীৰৱতা লক্ষ্য কৰি সি আকৌ কলে, 'বৰ্ণালীক ককাইদেৱে বিয়া কৰোৱাত তোমাৰ আপত্তি কোনখিনিত মই বুজিছো মা।' বৰ্ণালীক মেট্ৰিক পাচ কৰাৰ পিচতেই দেউতাকে বিয়া দিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ স্বামীৰ ঘৰ গছকিবলৈ নৌপাওতেই বৰ্ণালী বিধৱা হ'ল আৰু দেউতাকে মৰমৰ জীয়েকক বিধৱাৰ বেশত নাৰাখি পঢ়া-শুনা কৰালে। কিন্তু সেয়া জানো বৰ্ণালীৰ দোষ মা ? দোষ বৰ্ণালীৰ ভাগ্যৰ। আমাৰ সংস্কাৰবদ্ধ সমাজখনৰ---যিয়ে ব্ৰাহ্মণ কন্যা বৰ্ণালীৰ দ্বিতীয় বিবাহৰ বাধা স্বৰূপ হৈছে। তুমি কোৱাচোন মা, বৰ্ণালী যদি তোমাৰ ছোৱালী হ'লহেঁতেন, তুমি তাইৰ জীৱনটো ধ্বংস হৈ যোৱা চাই থাকিব পাৰিলাহেঁতেননে ? ভাবি চোৱা মা।'

একেলগে বহুত কথা কৈ সীমান্ত কিছু সময় ৰ'ল।

'কিন্তু সমাজখনে জানো এই বিয়াখনক স্বীকৃতি দিব সীমান্ত ? সমাজখন এৰি জানো থাকিব পাৰিবি ? আৰু সেইদিনা বৰুৱানী আইতাই কি কৈছে জান ?

মাকৰ কথাৰ লগে লগে সীমান্তই কৈ উঠিল---'সমাজ ? এই সমাজখনৰ কাৰণেই আমি বহুত পিচ পৰি আছোঁ মা। যিখন সমাজে কিছুমান কুসংস্কাৰৰ নামত এজনী ছোৱালীৰ নিষ্পাপ জীৱনটো ধ্বংস কৰিবলৈ ওলাইছে, সেইখন সমাজ আমি নামানো, মা। আমি যদি এইবোৰৰ বিৰুদ্ধে মাত নামাতো তেন্তে মাতিব কোনে ? আমিয়েতো বাট দেখুৱাব লাগিব আমাৰ উত্তৰ পুৰুষক। আৰু বৰুৱানী আইতা ? তেওঁৰ কথা মোৰ আগত নকবা। ককাইদেৱে বৰ্ণালীক বিয়া কৰাবলৈ ওলোৱাত তেওঁ বাধা দিছে---আৰু এদিন ককাইদেৱে বিশ্ববিদ্যালয়ত এড্‌মিশ্যন লবলৈ যাওঁতে তেওঁ কি কৈছিল, তুমি পাহৰিলা নেকি মা ? অথচ, এতিয়া তুমি তেওঁৰ কথা শুনিছা। তেওঁৰ ঘৰখনৰ কথা তুমি নুসুধিলা কেলেই ?'

পুতেকৰ যুক্তিপূৰ্ণ কথা শুনি মনোৰমাই কিছুসময়ৰ বাবে মাতিব নোৱাৰিলে। এৰা, তেওঁৰেই পুত্ৰ সীমান্ত। তেওঁৰ নিচিনাই দৃঢ় মনৰ। মাকে একো নোকোৱা কাৰণে সীমান্তই কলে---'এইখন বিয়া হবই লাগিব। কোৱা মা, ককাইদেৱে বৰ্ণালীক বিয়া কৰোৱাত তুমি সন্মতি দিবা ? দিবা মা ?'

ইমান সময়ে প্ৰশান্তই এষাৰ মাতো মতা নাছিল। কিছুসময়ৰ পিচত প্ৰশান্তৰ নীৰৱতালৈ লক্ষ্য কৰি মনোৰমাই কলে---'তহঁত দুয়ো যেতিয়া ইমানকৈ ইচ্ছা কৰিছ, মই আপত্তি কৰি লাভ নাই প্ৰশান্ত। তই বৰ্ণালীক বিয়া কৰাবি। কিন্তু বিয়াখন সোনকালে পাতিব লাগিব।'

'তুমি ইমান ভাল মা', এইবুলি কৈ দুয়ো হাঁহি হাঁহি মাকক সাৱটি ধৰিলে। কিবা এক অনামী আনন্দত মনোৰমাৰ অন্তৰখনো পূৰ্ণ হৈ উঠিল। খোলা খিড়িকীখনেৰে এখিড়িকী জোনাক আহি কোঠালীটো পোহৰাই তুলিছিল। জোনটোৱে যেন খিড়িকীৰে চাই হাঁহিমাৰি মনোৰমাক ধন্যবাদ জনাইছিল---তেওঁৰ সন্মতিৰ কাৰণে।

00000

---

যাৰ উপভোগৰ একো সামগ্ৰী নাথাকে, তেনে মানুহেহে অধিক সন্তান জন্ম দিয়ে।

—বাৰ্ট্ৰাণ্ড ৰাছেল

# এটি প্ৰশ্ন

শ্ৰীঅঞ্জলী শৰ্মা
স্নাতক, ১ম বাৰ্ষিক

সেইয়াচোন সাগৰ ?
সেয়া ভাৰত মহাসাগৰ।
চকুৰে মনিব নোৱাৰা
মনেৰে জুখিব নোৱাৰা
স্থলহীন সাগৰ, সাগৰ।
ভাৰতীৰ বুকুৰে বোৱা
বহুতো নদ-নদীয়ে
কঢ়িয়াইছে জাবৰ-জোথৰ।
এফালে গংগা ইফালে ব্ৰহ্মপুত্ৰ,
সহস্ৰ নৈৰ অৱদান লৈ
গংগা-ব্ৰহ্মপুত্ৰৰ মহামিলনত
তিল তিলকৈ সৃষ্টি হ'ল
জগতৰ শ্ৰেষ্ঠ ব-দ্বীপ "সুন্দৰবন"ৰ।
সি জানো এনেদৰে চিৰদিন থাকিব জীয়াই ?
এইয়া প্ৰশ্ন, সমিধান পোৱা নাই।
ধৰা হ'ল—
প্ৰবল ভূমিকম্প অথবা মহাপ্ৰলয়
সৃষ্টি যি ধ্বংস হ'বই :
জন্ম-মৃত্যুৰ এবা-এৰি নাই।
সেয়ে যেতিয়া হ'ব সুন্দৰবন লয়
অতল-গভীৰ সাগৰৰ বুকুত
কি হ'ব বিশ্বখ্যাত "ব-দ্বীপ"ৰ বিলায় ?
কোনোৱে ইয়াক ভাবি চাইছেনে নাই ?

00000

# বেদনা

শ্ৰীসত্যৱতী কলিতা
স্নাতক, ১ম বাৰ্ষিক

হাঁহি হাঁহি শেষ কৰি দিব খোজা
সিহঁতৰ যৌৱন
নীচতাৰ পৰিচায়ক।

সত্যাক নেওচি নিৰ্মম নগ্নতাক,
বাস্তৱক ঢাকিব খোজা সিহঁতৰ উত্তাল মন।

নিজৰ সত্তাক, নিজৰ বিবেকক বিসৰ্জন
দিব পাৰে – গণিকা সদৃশ নাৰীৰ হাতত
কেনেকৈ ?

কিন্তু সিহঁতে অনুভৱ নকৰে কিয় ?

এখন নিৰ্মল আকাশ, এমুখ হাঁহি,
এটি মন আৰু সেয়ে যে
সূৰ্য্যৰ পোহৰ মানৱ জীৱনৰ।



## প্ৰত্নতত্ত্ব উদ্ধাৰৰ অগ্ৰদূত

# হেমচন্দ্ৰ গোস্বামীৰ কবিতা

শ্ৰীডিম্বেশ্বৰ ডেকা
স্নাতক, ১ম বাৰ্ষিক

"গোটেই অসম গোঁসাইদেৱৰ বিয়োগত এন্ধাৰ হ'ল। এতিয়ানো হেমকোষ অভিধান কোনে ছপোৱাব আৰু কোনে অসমীয়া ভাষাক এম-এ পৰ্য্যন্ত পাঠ্যত পেলাব ? কোনে প্ৰত্নতত্ত্ব উদ্ধাৰ কৰিব।"

হেমচন্দ্ৰ গোস্বামী আধুনিক অসম গঢ়াৰ পথত যি ভূমিকা গ্ৰহণ কৰিছিল তাৰ এটি সুস্পষ্ট আভাষ উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ ওপৰোক্ত মন্তব্যৰাশিৰ পৰাই অতি নিৰূপমভাবে প্ৰকাশ পাইছে। এই মন্তব্যৰাশিৰ পৰাই গোস্বামীদেৱৰ প্ৰতিভা সন্দৰ্ভত কিছু আভাষ পোৱাতো সহজ হৈ পৰিছে নিশ্চয়।

গোঁসাইদেৱে এটি নৈষ্ঠিক আৰু সম্ভ্ৰান্ত পৰিয়ালত ১৮৭২ চনৰ ৮ জানুৱাৰী তাৰিখে জন্মলাভ কৰে। তেওঁৰ জন্ম অসমবাসীৰ বাবে এক গৌৰৱৰ বিষয়। কিয়নো এনে এগৰাকী মহান মহানুভৱ নেতা জন্ম পোৱাতো আমাৰ সৌভাগ্যৰ কথাই নহয়, গৌৰৱৰো বিষয়। যিহেতু পৃথিবীত মানুহে এটি নিৰবচিন্ন সোঁতত জন্মলাভ কৰিয়েই আছে আৰু মৰিয়েই আছে, সেইবাবে ইমানবোৰৰ ভিতৰত গোস্বামীৰ স্থান নিশ্চয় পিচত নপৰে। তেওঁৰ পিতৃদেৱতা ডম্বৰুধৰ গোস্বামী আছিল ব্যক্তিত্বশীল লোক। তেওঁ এফালে গৌৰাংগ সত্ৰৰ সত্ৰাধিকাৰ আনফালে ঢেকিয়াল মৌজাৰ মৌজাদাৰ হিচাবে কাম কৰি বহুমুখী ব্যক্তিত্বৰ প্ৰতিভা বিকাশ কৰে। হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই তেওঁৰ পিতৃপুৰুষৰ সান্নিধ্যৰ পৰা আত্মসন্মান ৰক্ষণা-বেক্ষণ তথা জনগণৰ লগত মিলি-জুলি কাম কৰাৰ শিক্ষা সৰুৰে পৰা পাইছিল। এই শিক্ষাৰ পৰাই তেওঁৰ জীৱনৰ উত্তৰোত্তৰ উন্নতি হয়। তেওঁৰ শিক্ষা জীৱন আমাৰ কাৰণে অনুকৰণীয়।

সেই শিক্ষাৰ পথেৰে তেওঁ অসমীয়া সাহিত্যৰ সেৱাত মনোনিবেশ কৰে।

অন্যান্য কবি, সাহিত্যিক, নাট্যকাৰ তথা উপন্যাসিকৰ দৰে অসমীয়া সাহিত্যলৈ মৌলিক অবদান দি আমাৰ জাতীয় সাহিত্য চহকী কৰি থৈ যায়। গোস্বামীদেৱ প্ৰকৃতপক্ষে এগৰাকী নীৰৱ সাহিত্যৰথী, সাহিত্য প্ৰেমী আছিল। ছাত্ৰ অবস্থাৰ পৰাই শিশু মনৰ কবি প্ৰতিভা বিকাশৰ অৰ্থে কলম হাতত তুলি লৈ জেতুকাৰ বোলেৰে কাগজ পিঠিত অঙ্কিত কৰে। তেওঁৰ এই ৰচনাশৈলী প্ৰকাশৰ গুৰিতে সেই সময়ৰ এক নিৰ্ভৰযোগ্য কাকত "অসম বন্ধু"ৰ স্থান অতি উল্লেখনীয়। "জোনাকী" "বিজুলী" আদি কাকতৰ মাজেৰেও গোস্বামীদেৱৰ প্ৰকাশিত ৰচনাশৈলীৰ সাহিত্যিক প্ৰতিভা বিকাশ হয়। জোনাকী কাকতৰ লগত তেওঁৰ এক অনাবিল নিবিড় সম্পৰ্ক গঢ় উঠে। কলিকতাত অধ্যয়ন কৰা সময়চোৱাত প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা আৰু সাহিত্যৰথী ৰসৰাজ বেজবৰুৱাদেৱৰ লগত গোস্বামীদেৱৰ সৌহাদ্য গঢ় উঠে। তেওঁলোকৰ অকৃত্ৰিম চেষ্টাৰ বলতে কলিকতাত জোনাকী কাকতৰ জন্ম হয়। এই কাকতৰ যোগেদি অসমীয়া ভাষা তথা প্ৰাচ্য আৰু পাশ্চাত্য ভাষা সাহিত্যৰ সোঁত বোৱাতো আমাৰ বাবে এক অভাবনীয় গৌৰৱাত্মক বিষয়। এই তিনিজনা মহান মহানুভব ব্যক্তিক জোনাকী যুগৰ ত্ৰিমূৰ্তি হিচাবে অংকিত কৰে। জোনাকী কাকতৰ লগত থকা নিবিড় সম্পৰ্কৰ বাবে গোস্বামীদেৱক ধেমেলীয়াভাৱে উপস্থাপন কৰি একনিষ্ঠ কৰ্মী যজ্ঞেশ্বৰ নেওগে এটি কবি প্ৰণয়ন কৰে। কবিতাটি যদিও ধেমেলী তথাপি ইয়াৰ মাজেৰে গোস্বামীৰ গুণ-গৰি উল্লেখ পায়। লগতে গোস্বামীদেৱৰ কবি প্ৰতি তথা সাহিত্যিক জীৱনৰ চমু আভাষ পে যায়। সেইবাবে আমি কবিতাটিৰ ওচৰ গলে দেখা পাম—

"হেম গোস্বামীৰ কিবা গুণ গাম
দিগম্বৰ বেশ ৰাতিত ধৰে
মুখৰ জোৰ নাই, কোনে ভাগ পায়
হাৰিও নেহাৰে উত্তৰত ওজা।
'পেট' আদি কৰি কবিতাক লেখি
কবি ডিপাৰ্টমেণ্টত হৈছে ৰজা
কোনোটো ক মতে ভবা চিন্তা না
উপস্থিতমাত্ৰে আগ্ৰহ কৰে।
দুখী অসমৰ বাইৰণ তেওঁ।
সকলো ঠাইতে পয়েট্ৰি দেখে
ৰাতি হলে আহি সুৰুৰি সুৰুৰি
সুন্দৰ সুন্দৰ কবিতা লেখে।"

জোনাকী কাকতে গোস্বামীদেৱৰ প্ৰতিভাৰ মুখ্য উন্মেষণ। কাকতখনক তেওঁ "পুৱা" নামৰ এটি বিজ্ঞাপন ৰচনা কৰে। কবিতাটি গোস্বামীদেৱৰ প্ৰতিভাৰ মাইল খুঁটি স্বৰূপ। ভাব গাম্ভীৰ্য্য, কল্পনাৰ চমৎকাৰিত্ব ভাবাদৰ্শৰ মাজেৰে প্ৰকাশ পায়। শেষৰ পংক্তিৰ মাজেৰে জোনাকী উদ্দেশ্যৰাজি প্ৰকাশ কৰে এইদৰে—



"বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ময়ী জোনাকী সৱিতা,
বজোৱা অনন্ত কাল পঞ্চমত তুলি
বীণাপানী, কোমল কবিতা।"

জোনাকী কাকতে যাতে ভূত-ভবিষ্যতেও তথা অনন্ত কালে আমাৰ মাজত জ্ঞানৰ প্ৰদীপ সঞ্চাৰ কৰিব পাৰে তাৰে এটি ভাব মুকলি কৰে।

দৰাচলতে গোস্বামী ডাঙৰীয়া আমাৰ মাজত প্ৰণয়ৰ কবি হিচাবেহে সুখ্যাতি অৰ্জন কৰিছে। তেওঁ প্ৰথম প্ৰথমবাৰৰ বাবে অসমীয়া প্ৰণয় কবিতাৰ ঘোষণা কৰে। তেওঁৰ আগৰ কালত প্ৰণয়ৰ ঠাই তেনেই তাকৰ বুলি কলে অত্যুক্তি কৰা নহব। "প্ৰিয়তমাৰ চিঠি" নামৰ কবিতাটিয়ে তেওঁৰ প্ৰণয় কবিতাৰ মুখ্যবাহক। তেওঁ প্ৰিয়তমাৰ পৰা এখনি চিঠি পাই অতি হেপাহেৰে চুমা খাইছিল আৰু শুঙিছিলো। প্ৰিয়তমাৰ আখৰ কেইটি ভাল নাছিল বাবে তেওঁ কুকুৰাঠেঙীয়া আখৰ বুলি অভিমত প্ৰকাশ কৰে। কবিয়ে কবিতাটিৰ শেষত গাইছে—

"তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী
নিতৌ নোহোৱা বাঁহী নৱ ফুল মেলে।
যত চুমাখাওঁ নেলাগে আমনি,
হৃদয়ত হেপাহৰ ভোটাতৰা জ্বলে।"

কবিয়ে পত্ৰখনি চুমা খাইও হেপাহ পলোৱা নাই বুলি কবলৈ গৈ "হৃদয়ত হেপাহৰ ভোটাতৰা জ্বলে বুলি কৈ কৰিব যে প্ৰাণত প্ৰেমৰ জোঁৱাৰ উঠিছে তাৰ এটি আভাষ দাঙি ধৰিছে। তেওঁৰ প্ৰেম অন্তৰৰ পৰা যেন কাহানিও মাৰ নেযাব। কবিতাটি প্ৰেট্ৰাৰ্কীয় আদৰ্শত ৰচিত কৰি গোস্বামীদেৱে অসমীয়া সাহিত্যত প্ৰথম চনেটকাৰৰ খ্যাতি অৰ্জন কৰে।

এইদৰে ভিন্ ভিন্ সময় অনুসূচী কাকতত প্ৰকাশ কৰা কবিতাসমূহ থুপাই তেওঁ "ফুলৰ চাকি" কবিতা সঞ্চয়ন কৰে। "ফুলৰ চাকি" সচাঁকৈয়ে এক পৰীক্ষা-নীৰিক্ষা কৰা কবিতা গ্ৰন্থ। গোস্বামীদেৱে প্ৰকাশ ভঙ্গীৰ তেজস্বিতা সাৱলীলতা তেওঁৰ "এটি কটাক্ষ"ৰ মাজেৰে প্ৰকাশ কৰে। প্ৰেম সুলভ মনত উদয় হোৱা হাঁহি-ধেমালি, হৰ্ষ-বিষাদ মিশ্ৰিত প্ৰেয়সীৰ কটাক্ষ চাৱনিক কবিতাটিৰ সৃষ্টিৰে মনোৰম ভাবে ৰচনা কৰে। আনহাতে প্ৰেমৰ প্ৰতিদান পোৱাৰ স্বাক্ষৰ বহন কৰে কবিৰ অন্যতম সৃষ্টি "কাকো আৰু হিয়া নিবিলাওঁ"ৰ প্ৰকাশ ভঙ্গীৰ মাজেৰে। সংঘাটময়ী জীৱন কালত প্ৰতাৰিত হৈ কবিয়ে স্বীকাৰ কৰা দেখা যায় যে কোনো দিনে কোনো প্ৰেয়সীৰ ওচৰত অন্তৰৰ দুৰ্বলতা প্ৰকাশ নকৰে। আকৌ দেখা যায় কবিৰ বিপৰীতমুখী ভাবধাৰা "কাকুতি"ৰ ভাবানুৰাগেৰে। অৰ্থাৎ কবিৰ অন্তৰত থুপাই থোৱা মৰম ভালপোৱা যে মধুৰ তথা কোমলতা তাৰ বাবে "কাকুতি" এক বলিষ্ঠ পদক্ষেপ।

গোস্বামীদেৱৰ কবিতাত যে অকল প্ৰেমৰ হে স্থান আছে এনে নহয়; তেওঁৰ কবিতাত

প্ৰকৃতিয়েও দেখা দিছে । তেওঁৰ কৱিতা "প্ৰকৃতি"ৰ মাজেৰে গোটেই প্ৰকৃতি ৰাজ্যৰ অস্তিত্ব বিচাৰি পাইছে । সেইবাবে কবিয়ে গাইছে—

"তেনেকুৱা ল'ৰাকাল
যি কালে সকলো ভাল
যি কালে চাৰিওফালে
লগৰীয়া মোৰ
গছ-লতা, নদী-কুল,
বন-গিৰিবোৰ
যাৰ মুখলৈ চাওঁ
তাৰেই মৰম পাওঁ
তাকেই আপোন বুলি
কত চুমা খাওঁ ।
যাকে পাওঁ তাকে
ক্ষুদ্ৰ হিয়া বিলাওঁ
তেনে ল'ৰাকাল হায়
স্মৰি হিয়া ফাটি যায়
প্ৰকৃতি প্ৰাণীৰ প্ৰাণ প্ৰদায়িনী আই
পামকি, পামকি হায় পামকি দুনাই "

"ফুলৰ চাকি" সমালোচকৰ দৃষ্টিতো ধৰা নপৰাকৈ নাথাকিল । সাম্প্ৰতিক সময়ৰ সমালোচকে "ফুলৰ চাকি"ক চোকা বাণ নিক্ষেপ কৰে । অৱশ্যে ই প্ৰশংসাৰো হাত সাৰিব নোৱাৰাৰ প্ৰমাণ চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্ভাষণমূলক কবিতাটিৰ মাজেৰেও পাওঁ—

"তাহানিৰ কথা আজি সপোনত উঠি
লগত আনিলে এই ফুলৰ চাকিটি
আদৰ মালতী তৰ মৰমৰ চিন
তুলি থলো হৃদয়ত জীওঁ যতদিন ।
আজিৰ কথায়ো দিলে তাহানিক লগ
পুৰণি নতুন হ'ল, সপোন দিঠক ।"

গোস্বামীদেৱৰ কবি জীৱন নিচেই চুটি। তেওঁ চাকৰি কৰা সময়ৰপৰা কবিতা জগতৰ পৰা ছত্ৰভংগ দিয়া বুলি কলে কটুক্তি কৰা নহব । যিয়ে নহওঁক তাৰ পিচৰেপৰা তেওঁ প্ৰত্নতত্বৰ অনুসন্ধানত আগভাগ লয় । সেই সময়ৰ চীফ কমিচনাৰ চাৰ আৰ্চডেল আৰ্শৰ পৰামৰ্শ অনুযায়ী ছয়মাহৰ বাবে তেওঁ পুৰণি পুথি অনুসন্ধান তথা সংগ্ৰহৰ কামত দায়িত্ব পালন কৰে । এইবোৰ কামৰ বাবে "আসাম বন্তি" আৰু "টাইমচ্ অৱ আচাম" কাকতেও সন্তোষজনক মন্তব্য প্ৰকাশ কৰে । তেওঁক "টাইমচ অৱ আচাম" কাকতে মন্তব্য দিয়ে এইদৰে—

"পুৰাতত্ব অনুসন্ধানেই যাৰ স্বাভাৱিক প্ৰবৃত্তি আৰু আমাৰ লুপ্ত গৌৰৱৰ চিন এচাহীমান উদ্ধাৰ কৰিবলৈকো যাৰ মন সততে উদবাউল হৈ থাকে—আমাৰ পুৰণি পুথি অনুসন্ধান আৰু সংগ্ৰহৰ নিমিত্তে—সেইজনেই সঁচাই যোগ্যতম ব্যক্তি ।"

যি গৰাকী মহান ব্যক্তিয়ে অসমৰ গাঁৱে ভূঁই, নগৰে-চহৰে, সত্ৰই, মঠ-মন্দিৰে পুৰণি পুথি বিচাৰি এক আলোড়ন কৰিছিল সেইজনা নেতাই মাত্ৰ ছয়মাহৰ ভিতৰতে মুঠ 1200 খন পুথি কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁৰালত



সংৰক্ষিত কৰে । তেওঁৰ এইবোৰ কামে গভীৰ একনিষ্ঠতা, গবেষণা প্ৰীতি অনসিন্ধিৎসু মনৰ পৰিচায়কহে মাথোন । গতিকে এনে এগৰাকী মহান ব্যক্তিক প্ৰত্নতত্ত্ব উদ্ধাৰৰ অগ্ৰদূত হিচাবে আখ্যা দিয়াতো এক গৌৰৱবোধ কথা ।

গোস্বামীদেৱৰ দুকুৰি ষোল্ল বছৰীয়া জীৱনৰ লিখনিৰ অন্ত নাই । যিহেতু এই খন্তেকীয়া জীৱনৰ প্ৰতিমুহূৰ্ততে প্ৰাচীন বুৰঞ্জীৰ গবেষণা, প্ৰত্নতত্বৰ অনুসন্ধান, শিলালিপি, তাম্ৰলিপি, উদ্ধাৰ তথা অসমীয়া ভাষাৰ স্বতন্ত্ৰতা ৰক্ষা তথা প্ৰাচীনতা প্ৰতিপন্ন কৰি জীৱনৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰি পৰম তৃপ্তি লাভ কৰে । নিঃসন্দেহে আমাৰ স্বীকাৰোক্তি এই মহান মহানুভৱ একনিষ্ঠ কৰ্ম্মীজনে আমাৰ মাজত, প্ৰতি অসমীয়াৰ মাজত নবীন ভক্তাৰৰ দৰে উজলি থাকিব ।

00000

# দুখৰ দিনৰ কবিতা

শ্ৰীপ্ৰমোদ কলিতা
প্ৰাক্ বিঃ, ২য় বৰ্ষ

আৰুনো কিমান তিয়াম
পুৰণি পুখুৰীত, মোৰ কোমল দুহাত !
ই যে ধুলি ধূসৰিত অচিন বাট ।

আৰুনো কিমান গাম
মোৰ শুকান ওঠত লিপিত থাই নধৰা
পুনৰ সেই গান ।
পুৰণি পুখুৰীত নুঠে
যিহেতুকে সুৰৰ নতুন তান ।

মৰণক সেও দি
সাতোটা কজলা ঘোঁৰাই
মোৰ দেহত টগৰগাই অহৰহ,
যদিওবা ধ্বংস স্তূপত
পদসঞ্চালন দুঃসাহসিক কাৰ্য্য ।

জানা প্ৰিয়া !
মোৰ অজানিত ভুলৰ বাবে
মহাসিন্ধুত আৰ্তকণ্ঠ ৰূৱো প্ৰক্ষালিত
ই যে দুৰ্মূল্য মোৰ চিৰ আকাংখিত ।

00000

# স্মৃতি

### বিজয়া চৌধুৰী

দলটোৰ মাজত এটা হুলস্থূলৰ সৃষ্টি হ'ল। কাৰ কি হৈছে কোনোৱে ধৰিব পৰা নাই। মই ততালিকে মোৰ ওচৰতে বহুদৰী ধৰি বৈ থকা মনালিলৈ চালো। কিন্তু মনালিতো নাই। গ'ল ক'লৈ ভাবি আৰু নেপাই মই আগলৈ যাব ধৰিলো। গৈ যি দেখিলো সি সপোনৰো অতীত। আমাৰ দলৰে আটাইকেইগৰাকী প্ৰফেচাৰ আৰু আন আন বহুতো ছোৱালীৰ মাজত অজ্ঞান অৱস্থাত পৰি আছে মনালি। তাইৰ কপালৰ আগেৰে ঘাম বৈ গৈছে। তাইৰ অজ্ঞানতাত মোৰ যেন ভৰি দুখন গৰম পানীৰ উঁহে ধুৱাই নিছে। কি হ'ল ইমান সোনকালে তাইৰ? তাইতো ইমান সময় মোৰ ওচৰতে আছিল। কেতিয়া যে গৈ সেইখিনি পালে মই গমকে নেপালো। তাইতো এইকেইদিন আনকি ইয়াৰ আগমুহূৰ্ত্তলৈকে মোক এৰি এখোজে ইফালে সিফালে কৰা নাছিল। তাতে আৰে... এনে অচিনাকি ঠাইত। সুদূৰ অসমৰ পৰা... এইয়া দাৰ্জ্জিলিঙৰ এখন ঠাই। পূৰ্বৰ... ৰঙ্গাদিনীয়া ৰাজকাৰেঙ, পুখুৰী আদি... ঠাইখন ভৰি আছে। অৱশ্যে সকলোবোৰ... অৱস্থা খুউব এটা ভাল নহয়। কিন্তু... মানৱ ভগ্নাৱশেষটোহে আছে। গোটেই ৰাজ... হাউলীটোৰ গৰাকীজন আছে যদিও আগ... সেই ৰাজকীয় পোছাক পৰিচ্ছদ বৰ্ত্তমা... তেওঁৰ গাত নাই। তেওঁৰ পূৰ্ব্বপুৰুষ সকল... ৰজা আছিল। ৰাজহাউলীটোৰ গৰাকীজ... প্ৰায় ২৭-২৮ বছৰীয়া এজন যুবক।

আমাৰ দলটো মানে আমি ছোৱা... ৪০ জনী আৰু প্ৰফেচাৰ ৮ জনেৰে দল... আহিছো অসমৰ এখন ছোৱালী কলেজ... পৰা। মনালি মোৰ অতি অন্তৰঙ্গ বান্ধৱী। তাই আৰু মই সৰুৰে পৰা একেলগে খেলা-ধূলা কৰি ডাঙৰ হৈছো। দুয়ো একে-খন হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ এইয়া আমি দুয়ো বৰ্ত্তমান প্ৰাক-বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকত উপনীত হৈছো। আগতেতো মনালি কোনো দিনে এনেদৰে অজ্ঞান হৈ যোৱা কথা মনত নপৰে। কিন্তু তাইৰ আজি এনেকুৱা অৱস্থা হ'ল— এইবোৰ ভাবি অজ্ঞান হৈ পৰি থকা মনালিলৈ চাই মোৰ চকুপানী ওলাইছিল। মই অনুভৱ কৰিলো ঘামে ধুৱাই দিয়া মনাৰ গাটো পাৰ ভাঙি বৈ আহিব খোজা মোৰ চকুপানীয়ে যেন কৰবালৈ উটুৱাই নিব। তাইৰ গাটোত হাত ফুৰাই চালো— চেঁচা পৰিছে গাটো। আটাইকেইগৰাকী প্ৰফেচাৰে মোক সুধিছিল— তাইৰ তেনেধৰণে আগতে কেতিয়াবা অজ্ঞান হৈছিল নেকি? মই উত্তৰ দিলো নাই হোৱা। মই আগতে কোনোদিনে তাইৰ এনে অৱস্থা দেখা নাই। অৱশ্যে তাই মাজে মাজে মানে প্ৰায়ে খুউব অন্য মনস্ক হৈ থাকে। মই যেতিয়া তাইক সোধো তোৰ কি হৈছে, তই কেলেই মন মাৰি আছ বুলি— তেতিয়া তাই ক্ষীণ হাঁহি এটা মাৰি উত্তৰ দিয়ে— "নাই, মোৰ একো হোৱা নাই। তইনো মোক ক'ত মন মাৰি থকা দেখিছ।" মোৰ তেতিয়া আৰু একো কবলগীয়া নেথাকে। কিন্তু এদিন হঠাতে মনালিয়ে মোক কৈছিল "জান বিনী, মোৰ কেতিয়াবা এনে লাগে যেন মই মোৰ অতীতৰ সকলোবোৰ কথাই জানো। মোৰ যেন এই পৃথিবীত আৰু এখন ঘৰ আছে আৰু মোৰ বংশধৰ এতিয়াও যেন জীয়াই আছে—তেনে ভাব হয় জান। মোক যে মন মাৰি থকাৰ কাৰণ সোধ—মই নিজেই নেজানো মই কেলেই মন মাৰি থাকো।" মই তেতিয়া মনাক কি কম ভাবি গোৱা নাছিলো। মাথো অবাক হৈ তাইৰ মুখৰ পিনে চাই আছিলো। মনাৰ এই কথাখিনি মই তাইৰ মাক-দেউতাককো জানি-বলৈ দিছিলো। মনা মাক দেউতাকৰ একমাত্ৰ সন্তান। তাইক লৈ মাক-দেউতাক খুউব চিন্তিত হৈ পৰিছিল। সেয়েহে আমাৰ কলেজৰ পৰা দাৰ্জিলিং ভ্ৰমণ বুলি ওলোৱা দলটোত তাইকো মাক-দেউতাকে পঠিয়াইছিল তাইৰ মনৰ কিবা পৰিৱৰ্তন হওক বুলি। এনে ধৰণৰ বহুতো খেলি-মেলি ভাব মোৰ মনলৈ আহিবলৈ ধৰিলে।

তাইৰ গাৰ পৰা এটোপ দুটোপকৈ ঘামৰ টোপাল পৰি গোট মৰা বৰফৰ দৰে সেমেকি উঠিছে। দূৰত ৰ'দৰ ছিৰিলা-ছিৰিল হোৱা গা-গছৰে কৃষ্ণচূড়াজোপাৰ সৰু সৰু ডাল-পাতবোৰ অলপ অলপ যেন কঁপিবলৈ ধৰিছে। পশ্চিম আকাশত গোট খোৱা ডাৱৰে ফাট মেলিছে। প্ৰায় ২০ মিনিটমান পিচত মনাই সম্বিত ঘূৰাই পালে। তাই চাৰিওফালে এবাৰ চকু ফুৰাই লৈ আকৌ চকু মুদিলে। আমাৰ আটাইৰে দৃষ্টি মনাৰ ওপৰতে আবদ্ধ। তাৰ পিচত প্ৰায় ৫ মিনিটমান পিচত তাই আকৌ চকু মেলিলে। মই দৌৰি গৈ মনাক সাৱটি ধৰি হুকহুকাই কান্দি দিলো। তাইক সুধিলো—এইয়া

"তোৰ কি হৈছে মনা ?" তাই একো উত্তৰ নিদি কেৱল সেই আগৰ ক্ষীণ হাঁহিটো মাৰিলে। আমি আটাইয়ে ভাবিলো, মনা ভাল হৈ উঠিল। কিন্তু ! সকলোৰে আশাত চেচাঁ পানী ঢালি তাই পুনৰ অজ্ঞান হৈ পৰিল। আমাৰ আটাইৰে মুখৰ মাত হৰিল। আমি নানা ধৰণেৰে তাইক শুশ্রূষা কৰিলো। ঠাই-খনৰ বহুতো মানুহে আহি আমাক সহায় কৰিলে। ৰাজহাউলীটোৰ গৰাকীজনেও নানা ধৰণেৰে আমাক সহায় কৰিলেহি। প্ৰায় ৩ মিনিটমান পিচত মনাই পুনৰ চকু মেলিলে। মনাক লাহে লাহে দেখিলোঁ তাই ৰাজহাউলীটোৰ ফালে লক্ষ্য কৰিছে। তাৰ পিচত ভাৱ হ'ল যেন তাই সেইফালে চোৱাৰ লগে লগে অজানিতে তাইৰ হৃদয়ৰ অটল গহবৰৰ পৰা ওলাই আহিল এটি চিনাকি হুমুনিয়াহ আৰু প্ৰানত সৃষ্টি হ'ল যেন বিচুবিয়াচৰ উদ্গীৰণ। দেহৰ প্ৰতি শিৰা-উপশিৰাত যেন সঘনে ৰক্ত সঞ্চাৰিত হবলৈ ধৰিলে। তাই আমাক সকলোকে আচৰিত কৰি দি নিজৈ উঠি দৌৰি গৈ ৰাজ-হাউলীটোৰ গৰাকীজনৰ ডিঙিত সাৱটি ধৰি হুকহুকাই কান্দি দিলে। তাই কবলৈ ধৰিলে যে— সেইজন মানে সেই ২৭-২৮ বছৰীয়া যুৱকজন তাইৰ একমাত্ৰ পুত্ৰ। তাই এতিয়া আৰু তেওঁক এৰি যাব নোৱাৰে। তাই যেন গোৱাৰ বেদনাত আপ্লুট। মনাৰ কথা শুনি আমি ইটোৱে সিটোৰ মুখলৈ চোৱা-চুই কৰিব ধৰিলো। আমাক আকো আচৰিত কৰি দি তাই কবলৈ ধৰিলে যে— তাই প্ৰকৃততে ৰাজ-কাৰেঙৰ ৰাণীহে। আকৌ তাই কিবা ক'ব বুলি ভাবি আমি আটাইয়ে বহি পৰিলো। সঁচাকৈ মনাই কৈ যাব ধৰিলে বহুত কথা। যিবোৰ তাইৰ পূৰ্বজন্মৰ কথা। তাই কৈ গ'ল—"তেজপুৰত মোৰ ঘৰ আছিল। মই চিলঙত থাকি পঢ়িছিলোঁ। তেতিয়া মই স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। তাৰ কলেজৰ পৰা আমি ভাৰত-ভ্ৰমণলৈ বুলি আহিছিলোঁ। ভাৰতৰ ভালেমান ঠাই ঘূৰি-পকি আমি এইখন ঠাইলৈ আহিছিলোঁ। আমি ইয়ালৈ অহাৰ সময়ত ইয়াৰ ৰজাজনে বিয়া কৰোৱা নাছিল। তেতিয়া এই ৰাজ-হাউলীটোৰ অৱস্থা বহুত ভাল আছিল। ৰজা-জন ইয়াৰ উত্তৰাধিকাৰী হিচাবে আছিল। তেওঁ ৰজাৰ দৰে আছিল যদিও পুৰণি ৰজাৰ চাল-চলনৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰা নাছিল। তেওঁ পাশ্চাত্য শিক্ষাৰে শিক্ষিত আছিল। আমি আমাৰ দলটোৰ সৈতে ৰাজকাৰেং আৰু ইয়াৰ ৰাজকীয় বয়-বস্তুসমূহ চাবলৈ আহিছিলো ৰজাজনৰ অনুমতি লৈ আমি আটাইবোৰ চালো। আমি আটাইবোৰ ঘূৰি-পকি উঠাৰ পিচত তেওঁ আমাক জনালে যে তেওঁ আমাৰ বাবে তেওঁ তাত চাহমেলৰ আয়োজন কৰিছে। আমি আটাইয়ে তেওঁৰ কথা শুনি ভাল পাইছিলো। তাৰ পিচত তেওঁ আমাক তেওঁৰ বৈঠকখানালৈ লৈ গৈছিল আৰু আমাক বহি বলৈ অনুৰোধ কৰিছিল। আমি আটাইবো বহি পৰিছিলোঁ। মই লক্ষ্য কৰিছিলো যে তেওঁৰ চকু অন্যতকৈ মোৰ ওপৰতহে বেছি আছিল। তেওঁৰ লগত চকুৱে চকু পৰাত



কেবাবাৰো মই মোৰ চকু নমাই আনিবলৈ বাধ্য হৈছিলো। ৰজাৰ অপ্ৰসনা মুখ-মণ্ডলত যেন বহুত কিবা-কিবি ফুটি উঠিছিল। ৰজাৰ হাঁহিত মোৰ প্ৰতি থকা দুৰ্বলতা প্ৰকাশ কৰিবলৈ বিচাৰিছিল ! এক অজান আশংকাত, এক অনামী বেদনাত কঁপি উঠিছিলো মই। আমাৰ অসমীয়া মানুহৰ নিচিনা ইয়াৰ মানুহৰো সকীয়া অতিথি শুশ্রূষা কৰা নিয়ম আছিল। আমি আমাৰ আসন গ্ৰহণ কৰাৰ আগতে মেজত প্ৰত্যেকৰ বাবে একো গ্লাচকৈ পানী আৰু প্ৰত্যেক গ্লাচ পানীৰ ওপৰতে একোখনকৈ ৰুমাল পাৰি থোৱা আছিল। ৰজাজনৰ নিৰ্দ্দেশক্ৰমে আমি বহিছিলো। আমি দলটোৰ কোনোৱে পানী বা ৰুমাল একোকে স্পৰ্শ কৰা নাছিলো। অ' পাহৰিছিলোৱে— তেওঁ আমাৰ লগত ইংৰাজীতে কথা পাতিছিল। কাৰণ, সেই ঠাইৰ ভাষা আমাৰ পক্ষে বুজাটো সম্ভৱপৰ নাছিল। তাৰপিচত তেওঁ আমাক গ্লাচৰ পানীৰে হাত ধুই ৰুমালেৰে হাত মচি ল'বলৈ অনুৰোধ কৰিছিল আৰু কৈছিল যে তাৰ পিচতে আমাক খোৱা খাদ্য খাবলৈ দিয়া হ'ব।" এইখিনি কৈ তাই ভাগৰত ফোঁপাইছিল। তাই আবেগপ্ৰৱণ হৈ পৰিছিল। আমাৰ দলটোৰ প্ৰত্যেকে আচৰিত হ'ল মনাৰ কথাত। তাই কেবাবাৰো হুমনিয়াহ কাঢ়িলে। মনাই যেন বহুদিন বিচাৰি থকা বস্তু এটা পাইছে। অলপ সময়ৰ পিচত তাই আকৌ লাহে লাহে ক'বলৈ ধৰিলে— "ৰজাজনৰ নিৰ্দ্দেশক্ৰমে আমি আটাইয়েহাত ধুই ৰুমালেৰে হাত মচিবলৈ লৈছিলো। দলটোৰ আটাইয়ে হাত মচিছিল।

কিন্তু মই-মই মচিব পৰা নাছিলো। ৰুমালখন দাঙিয়েই মই দেখিছিলো মোৰ ৰুমাল খনৰ তলত এটা হীৰাৰ আঙুঠি আৰু এটা ৰঙা গোলাপ ফুল। বস্তু দুটা দেখি মই অবাক হৈ গৈছিলো। তথাপি ভাবিছিলো এইটো ছাগে' ইয়াৰ নিয়ম। তাৰ পিচত মই মোৰ ওচৰৰ বান্ধৱীকেইজনীৰ ৰুমালবোৰ লক্ষ্য কৰিছিলো। কিন্তু সিহঁতৰ ৰুমালবোৰৰ তলত মই একোকে দেখা নাছিলো। ভয়ত মই কঁপিবলৈ ধৰিছিলো। মই ৰজাজনলৈ লক্ষ্য কৰি দেখিছিলো যে তেওঁৰ দৃষ্টি মোৰ ওপৰত আৱদ্ধ। মোৰ অৱস্থা দেখি তেওঁৰ মুখমণ্ডলত হাঁহি বিৰিঙিছিল। এচমকা জোনাক ৰজাৰ মুখত পৰাৰ দৰে ৰজাৰ মুখখন পোহৰ হৈছিল। ৰজাৰ হিয়াত যেন আনন্দৰ জোৱাৰ বাগৰি গৈছিল। ৰজাৰ চকুৱে যেন মোৰ চকুত ভাষা বিচাৰি পাইছিল। ৰজা সহজ হৈ গৈছিল। কিন্তু মই ভয় খাই উঠিছিলো। তাৰ পিচত মোক উদ্দেশ্য কৰি তেওঁ কৈছিল যে— যি বস্তু এবাৰ স্পৰ্শ কৰা হৈছে তাক লোৱা উচিত। তেওঁ এবাৰ নহয় বহুবাৰ এই কথাটো কৈছিল। এইটো বোধহয় মোৰ বাহিৰে অইনে বুজা নাছিল। কিন্তু মই লম কেনেকৈ ভাবি পোৱা নাছিলো। মোৰ অৱস্থা বুজিয়ে তেওঁ আমাক সকলোকে আমাৰ ৰুমালবোৰ লবলৈ অনুৰোধ কৰিছিল। মই যেন বহু পৰিমাণে সকাহ পাইছিলো আৰু ততালিকে মই মোৰ ৰুমালখন খামোচ মাৰিলৈ বেলেগে নেদেখাকৈ বেগত ভৰাই লৈছিলো। তাৰ পিচত আমাক চাহ মিঠাইৰ যোগান

ধৰা হৈছিল। আমি আহিবলৈ ওলোৱাত তেওঁ আমাক আকৌ মাত্ৰ পাঁচ মিনিটৰ বাবে বহিবলৈ অনুৰোধ কৰিছিল। আমি আটাইয়ে আকৌ বহি পৰিছিলো। তাত থকা সময়খিনিত মোৰ এনে ভাব হৈছিল যে— মই যেন নিজে নিজে কিহবাৰ মাজত আৱদ্ধ হৈ পৰিছো। যেন প্ৰকাণ্ড প্ৰাচীৰ চাৰিওফালে। মাজতে মই আৱদ্ধ হৈ পৰিছিলো। তাৰ পিচত ৰজাজনৰ নিৰ্দ্দেশক্ৰমে এজন মানুহে আমাৰ আটাইৰে ঠিকনাবোৰ লিখি লৈছিলো। মই মোৰ ঘৰৰ ঠিকনাটো দিছিলো। মোৰ ভয়ত গা-শিয়ঁৰি উঠিছিল। ভাবিছিলো এইবোৰ কি কথা— হীৰাৰ আঙুঠি, গোলাপ ফুল, ঠিকনা লিখা ......। তথাপি মনটোক অভয় দিছিলো এইবুলিয়ে যে— কেৱল মোৰে নহয়, আটাইৰে ঠিকনা তেওঁ ৰাখিছে। শেষত আহিবৰ সময়ত আমাৰ আটাইয়ে তেওঁক ধন্যবাদ জনাইছিল— একমাত্ৰ মোৰ বাহিৰে। মই মূৰ দাঙি ৰজাজনলৈ চাব পৰা নাছিলো। তাৰ পিচত আমি উভতি আহিছিলো পুনৰ চিলঙলৈ। মই মোৰ ভ্ৰমণ কালত পোৱা সকলোবোৰ আনন্দ হেৰুৱাই পেলাইছিলো। এই কথাটো মই আন কাকো জানিবলৈ দিয়া নাছিলো। মনৰ কথা মনতে মাৰ নিয়াবলৈ যত্ন কৰি দিন নিয়াইছিলো। এনেদৰে কেইমাহমান যোৱাৰ পিচত মা-দেউতাই মোলৈ জনাইছিল যে— তেওঁলোকে দাৰ্জ্জিলিঙ ভ্ৰমণলৈ যাব। মই প্ৰথমতে সাধাৰণ ভ্ৰমণ বুলিয়েই ভাবিছিলো যদিও পিচতহে আচল কথাটো গম পাইছিলো যেতিয়া তেওঁলোকে ঘূৰি আহি মোক মতাই নি গোলাপ ফুল আৰু আঙুঠিটোৰ কথা সুধিছিল। তেওঁলোকে মোক কৈছিল যে তেওঁলোকে ৰজাজনৰ চিঠি পাই তালৈ গৈছিল আৰু তেওঁৰ মুখৰ পৰাই সকলোবোৰ শুনি আহিছে। তেওঁ হেনো মোক পত্নী হিচাবে পাবলৈ বিচাৰে আৰু তেওঁৰ ফালৰ পৰা দিবলগাখিনি হেনো দিয়েই দিছে। তেতিয়া আৰু মোৰ তাক অস্বীকাৰ কৰাৰ কোনো পথেই নাছিল। মই আলফুলকৈ ৰাখি থোৱা আঙুঠিটো আৰু গোলাপ ফুলটো মা আৰু দেউতাক দেখুৱাইছিলো। গোলাপ ফুলটো শুকাই গৈছিল যদিও তাৰ পাহিবোৰ সৰি যোৱা নাছিল। ফুলটোৰ মাজত মই ৰজাজনৰ প্ৰতিচ্ছবি দেখা পাই ছিলো। মা আৰু দেউতাই বস্তুখিনি চাই লৈ মোৰ অনুমতি বিচাৰিছিল। মই মা-দেউতাৰ ইচ্ছাৰ কথাটো বুজিব পাৰিছিলো আৰু তেওঁ লোকৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ মোৰ অকণো ইচ্ছা নাছিল।" মনাই আকৌ অলপ সময় মনে মনে ৰ'ল। প্ৰায় ২ মিনিটমান পিচত তাই আকৌ ক'বলৈ ধৰিলে— "মোৰ সন্মতি পাই মা-দেউতা আনন্দিত হৈছিল আৰু ৰজা জনলৈ চিঠি লিখি জনাইছিল। তাৰ পিচত দাৰ্জ্জিলিঙলৈ আহি মোৰ বিয়া হৈছিল। বিয়াৰ পিচত মা-দেউতাই পোন্ধৰ দিনমান দাৰ্জ্জিলিঙত থাকি অসমলৈ উভতি গৈছিল। বিবাহিত জীৱন আমাৰ বৰ সুখৰ আছিল। তেওঁ মোক কোনো ধৰণেৰ দুখ অনুভৱ



কৰিব দিয়া নাছিল। সদায় আমোদ প্ৰমোদৰ মাজেৰে দিন নিয়াইছিলো। বিয়াৰ দুবছৰ পিচত মোৰ পুত্ৰ সন্তান এটা জন্মিছিল। তাৰ জন্মৰ দুমাহমান পিছত তাৰ দেউতাক ঢুকাইছিল আৰু তাৰ আঠবছৰ নৌহওঁতেই মইও ঢুকাইছিলো।" সপোন সপোন লগা বেদনাভৰা কথাখিনিকৈ মনাই হুক্‌হুকাই কান্দিব ধৰিলে আৰু পুনৰ অজ্ঞান হৈ পৰিল। তাইৰ গোটেই শৰীৰটো দাৰ্জ্জিলিঙৰ দৰে শীতৰ প্ৰকোপতো ঘামেৰে তিতিছে তাইৰ দেহৰ পৰা নিগৰি অহা ঘামবোৰ যেন গৰম পানীৰ উত্তাপৰ দৰে! মনাৰ এনে অৱস্থা দেখি আমি আটাইয়ে পুনৰ ভয় খাই উঠিলো। কি কৰিম! উপায়হীন হৈ আমি আগন্তকলৈ চাই ৰ'লো।

দেখিলো ওপৰৰ পাইনবনৰ সুৰুঙাৰে জোনাক আহি মাটিত পৰিছেহি। ওচৰতে থকা জুৰিটিৰ শিলবোৰ সোণালী হৈ পৰিছে আৰু পানীখিনি হৈ পৰিছে ৰূপালী!

00000

# প্ৰতীক্ষা

শ্ৰীলক্ষী প্ৰভা দাস
প্ৰাক্ বিঃ ১ম বৰ্ষ

দুচকুত মোৰ তোমাৰেই প্ৰতীক্ষা
আপেক্ষিছো দুৱাৰত,
কিহেৰে আদৰো এই হৃদয় মোৰ
বেদনাৰে পুঞ্জীভূত।
ৰিব্ ৰিব্ কৰি জ্বলিছা মানিক
হৃদয়ৰ মণি কোঠাৰ,
কেনেকৈ মাতিম বুজিব নোৱাৰো
ভাষাও যে ৰূদ্ধ মোৰ।
বিজুলীৰ মাজৰ অগ্নি স্ফুলিঙ্গ
তোমাৰেই যেন ৰূপ,
স্পৰ্শাতুৰ মই অন্তৰৰ ভয়
বওঁ মই চিৰ মূক।
পখিয়াৰ দৰে ওলাই লুকালা
মন গগনৰ মাজে,
অন্তৰাত্মা মোৰ কান্দে বিৰহত
জীৱনৰ ভাঁজে ভাঁজে।
বিষত কাতৰ মন সৰোবৰ
নাই কাৰো প্ৰতিকাৰ;
আশা সঞ্জীৱনী কলিতে শুকাল
বাকী ৰ'ল মাথো ছাঁই
অন্তৰৰ জ্যোতি ধূলিস্যাৎ হ'ল
যেন একো নাথাকিল হায়!
জীৱন স্বপ্নৰ আদিম পুৰাৰ
দেখো মৰিচিকা মায়া,
ধৰিব খুজিলে আতৰি পলায়
মৰুভূমিৰ স্বপ্ন এয়া।
জীৱন মৰুত পথে খোজকাঢ়ি
ভাগৰুৱা আত্মা মোৰ
জিৰাব খুজিলে তোমাৰ ছায়াত
দিবানে আশ্ৰয় মোক
সংসাৰ মৰম পাহৰিব পাৰো
নোৱাৰো তোমাক মাথো
জীৱন সন্ধিয়া আন্ধাৰে আৱৰা
নেদেখা কৰিলে সাকো।
জীৱন নদীৰ এই সাকোখনি
নোৱাৰো যে হব পাৰ,
সাৱতি ধৰিম নীৰৱ ভাষাৰে
বুকুখনিহে তোমাৰ।

## মহাপুৰুষ মাধৱদেৱৰ

# নাম-ঘোষা আৰু বৰগীত

শ্ৰীমুকুল কলিতা
স্নাতক মহলা, প্ৰথম বাৰ্ষিক

অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰত জীৱন উৎসৰ্গ কৰা তেওঁৰ প্ৰিয়তম শিষ্য, অনুগত সেৱক, প্ৰধান সঙ্গী মহাপুৰুষ মাধৱদেৱে জীৱনৰ শেষ বয়সত পবিত্ৰ গ্ৰন্থ "নাম-ঘোষা" ৰচনা কৰে। এই "নাম ঘোষা" মহাপুৰুষ মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্ত্তিস্তম্ভ বুলি ক দি কব পাৰি।

"নাম-ঘোষা" পৰমভক্ত মাধৱদেৱৰ আধ্যাত্মিক অভিজ্ঞতাৰ শ্ৰেষ্ঠতম প্ৰকাশ আৰু ইয়াক বিষয় বাসনাযুক্ত সংসাৰত আসক্ত হৈ থকা আত্মাৰ আধ্যাত্মিক বাসনাৰে অভিব্যক্তি বুলিব পাৰি। তেওঁৰ শাস্ত্ৰজ্ঞান বা পাণ্ডিত্য, কবিত্ব, ধাৰ্মিক মতবাদ, আধ্যাত্মিক আদৰ্শ আৰু ধৰ্মৰ ক্ষেত্ৰত লাভ কৰা অভিজ্ঞতাৰে পৰিপূৰ্ণ "নাম-ঘোষা" খন ভোকৰ ভাত, পিয়াহৰ পানী বুলি কলেও কিজানি অত্যুক্তি কৰা নহয়।

এহেজাৰ ঘোষাৰে পৰিপূৰ্ণ এই ধৰ্ম গ্ৰন্থখনক "হেজাৰী ঘোষা"ও বোলা হয়। "নাম-ঘোষা" ভিতৰত প্ৰায় ছয়শমান ঘোষা বিভিন্ন পুৰাণৰ পুৰা ভক্তি প্ৰধান শ্লোকৰ অনুবাদ প্ৰা[...] চাৰিশমান তেখেতৰ নিজা বস্তু ; কিন্তু অ[...] বাদ হলেও বিষয় বস্তুৰ ওপৰত নিজৰ সা[...] পাৰ পিন্ধাই তাক নতুন ৰূপত সজা[...] পৰাই তুলিছে। ঘোষাসমূহৰ মূল স্ৰৱ[...] বাহিৰ কৰা শ্লোকৰ ভিতৰত ভাগৱত পুৰা[...] উদ্ধৃতিয়ে বেছি। ইয়াৰ বাহিৰেও ৰামা[...] মহাভাৰতৰ দুটি এটি শ্লোকৰ বাহিৰে ভাগৱ[...] গীতা, বৃহন্নাৰদীয়-পুৰাণ, পদ্ম-পুৰাণৰ স্ব[...] আৰু উত্তৰ-খণ্ড, ব্ৰহ্ম-পুৰাণ, বিষ্ণু-পুৰাণ, বা[...] পুৰাণ, মৎস্য পুৰাণ আদিৰ শ্লোক ঘোষাৰ মূ[...] ৰূপে নিৰ্দ্দিষ্ট হৈছে। শঙ্কৰ দেৱৰ "ভক্তি ৰত্নাকৰ", বিষ্ণুপুৰীৰ "ভক্তি ৰত্নাৱলী" কান্তিমালাটিকা, শঙ্কৰাচাৰ্য্যৰ "মোদ-মুদ্গৰ" শ্ৰীধৰ স্বামীৰ 'ভাগৱত ভাবাৰ্থ দীপিকা' আৰু গীতাৰ সুবোধিনী টীকাৰ শ্লোক অ[...] কথাৰ ভাঙনি ঘোষা শাস্ত্ৰখনত সন্নিবি[...] কৰা হৈছে।

"নামঘোষা"ত সাধাৰণতে তিনিটা বিভ[...] পৰিলক্ষিত হয়। প্ৰথমটো হৈছে নাম ধ[...] বিষয়ক, দ্বিতীয়টো হৈছে শৰণ ছন্দ আৰু তৃতীয়টো হৈছে বিষ্ণুৰ নাম আৰু গুণৰ মহিমা।

ডঃ বাণীকান্ত কাকতিদেৱে নাম-ঘোষাৰ তিনিটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে ঃ— (১) গুৰু গৰিমা বা পুন্দশ্লোক শঙ্কৰ স্মৃতি, (২) মাধৱ দেৱৰ আত্মলঘিমা আৰু (৩) কৃষ্ণ-ভক্তি মাহাত্ম্য। "নাম-ঘোষা"ৰ দাৰ্শনিক তত্ত্বৰ গভীৰতা নিৰ্ণয় কৰা সহজ সাধ্য নহয়। ইয়াৰ বিশেষত্বই হৈছে ইয়াৰ দাৰ্শনিক তত্ত্ব আলোচনাত। ইয়াৰ ভেটি হৈছে বেদান্ত আৰু ভাগৱত-পুৰাণ হৈছে "সমস্ত বেদান্ত সাৰ।" ঈশ্বৰ সগুণে নিৰ্গুণ, সাকাৰণে নিৰাকাৰ, ব্ৰহ্মাৰ লগত জীৱ আৰু জগতৰ সম্বন্ধ কেনে, জ্ঞান কৰ্ম আৰু ভক্তিৰ ভিতৰত ঈশ্বৰত্ব লাভৰ প্ৰশস্ত লাভৰ উপায় কি ইত্যাদি প্ৰশ্নৰ উত্তৰ নাম-ঘোষাত পোৱা যায়। সেই হেতুকে নাম-ঘোষাক ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ বুলিও অভিহিত কৰা হয়। এই অনুপম গ্ৰন্থখনৰ বিষয়ে ডঃ মহেশ্বৰ নেওগদেৱে কৈছে— "অৱতাৰবাদ, প্ৰসাদ ( পুষ্টি বা পোষক ) বা অনুগ্ৰহবাদ ; মায়াতৰণৰ উপায় স্বৰূপ সকলো ধৰ্মৰ ভিতৰত, জ্ঞান কৰ্মৰ ওপৰতো ভক্তিৰ শ্ৰেষ্ঠতা ; ভক্তিৰ পুৰুষোত্তম প্ৰেম-স্বৰূপতা ; ভক্তিৰ অহৈতুকতা বা অনিমিত্ততা ; ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন প্ৰধানতা ; সৎসঙ্গ-মাহাত্ম্য ; দাস্য জড়-ৰূপী অন্য দেৱ সেৱা নিৱাৰণ পূৰ্ব্বক চৈতন্য স্বৰূপ একদেৱ আৰু একনামৰ বিশ্বাসেৰে এক-শৰণবাদ মহাপুৰুষীয়া ধৰ্মৰ ( অসমৰ ভক্তি সম্প্ৰদায় ) এই মূল সূত্ৰবোৰ নাম-ঘোষাৰ নানা ঠাইত নানা ভাবে ব্যাখ্যা কৰা হৈছে।"

নাম-ঘোষাক অসমীয়া জাতীয় সুৰৰ ভড়াল বুলি ক'লেও বোধহয় ভুল কোৱা নহ'ব। সাহিত্য স্বৰূপেও এয়াৰ মূল্য গভীৰ। ভাষাৰ ছন্দোময় প্ৰাঞ্জলতা, ভাৱৰ প্ৰগাঢ়তা আৰু শব্দৰ ঝঙ্কাৰে ঘোষাধ্বনি ভক্তি কৰিব ভক্তিকাতৰ অন্তৰৰ পৰাই ওলাই অহা যেন লাগে। নাম-ঘোষা মাধৱদেৱৰ হিয়া বুলিও ক'ব পাৰি। সেয়ে স্বৰ্গীয় কাকতিৰ ভাষাত ক'বলৈ হ'লে— "এই হিয়া ভেদ কৰি ওলোৱা ৰসময়ী ভক্তিয়েই নাম-ঘোষাক শিক্ষামূলক পদ সংগ্ৰহৰ শাৰীৰ পৰা আঁতৰাই আনি জীৱন ৰসেৰে অভিষিক্ত প্ৰকৃত সাহিত্যৰ সমূখ আসনত ঠাই দিছে।

মাধৱদেৱৰ বৰগীত সমূহ অসমীয়া সাহিত্যৰ অমূল্য ৰস। অসমীয়া সাহিত্যৰ তেজ-মাংসহীন জকাঁটোত মাধৱদেৱৰ বৰগীত সমূহে তেজ মাংসৰ পূৰ্ণৰূপ এটা সুস্থ জীয়া মানুহত পৰিণত কৰে। চৰিত পুথি মতে শঙ্কৰদেৱে পোনতে বাৰকুৰি গীতৰ এখনি পুথি লিখিছিল; কিন্তু কমলাবায়ন নামে এজন ভকতে আও-ৰাবলৈ নিওঁতে বনপোৱা জুইয়ে পুৰি নিঃশেষ কৰাত মনৰ দুখত শঙ্কৰদেৱে আৰু পুনু গীত ৰচনা নকৰি মাধদেৱকে এই দায়িত্ব অৰ্পণ কৰে। গুৰুবাক্য শিৰত লৈ মাধৱদেৱে ১৫৭ টা গীত ৰচনা কৰে। শঙ্কৰ-মাধৱৰ ৰচিত গীতবোৰক বৰগীত বোলা হয় ; কিন্তু তেখেতসকলৰ সমসাময়িক আন ৰচকসকলৰ গীতক কিয় বৰগীত বোলা নহয় এই লৈ সাধাৰণতে মনত প্ৰশ্ন উদয় হয়।

শঙ্কৰ মাধৱৰ ৰচিত গীতবোৰৰ কিছুমান

বৈশিষ্ট্য আছে, যাৰ কাৰণে গীতবোৰক 'বৰ' অৰ্থাৎ শ্ৰেষ্ঠ গীত বোলা হয়। অৱশ্যে গুৰু দুজনাই এই বৰগীত নামটো দিয়া নাছিল। আন ভক্ত বৈষ্ণৱ কবি সকলেহে পিচত দিয়া। মাধৱ দেৱৰ বৰগীতবোৰৰ বেচি ভাগতেই এফালে কৃষ্ণৰ পৰম পুৰুষত্ব আৰু আনফালে মানবী লীলা প্ৰকাশ—এই দুফলীয়া ব্যক্তিত্বৰ বিকাশ দেখা যায়। মাধৱদেৱৰ গীতখিনিত শ্ৰীকৃষ্ণৰ শিশু-চৰিত্ৰৰ মনোৰম বৰ্ণনা পোৱা যায়। কেইবাটিও গীতত শিশুকৃষ্ণৰ-ভুৱন মোহন ৰূপ অতি উজ্জ্বলভাৱে দেখুৱা হৈছে। বাৎসল্য ভাব প্ৰকাশ মাধৱদেৱৰ ৰচনাৰ এটি প্ৰধান বৈশিষ্ট্য। বৰগীতবোৰত কিছুমান এনে অনুপম বৰ্ণনা দিয়া হৈছে যে যশোদা মাতৃয়ে পুৱাতে শিশু-কৃষ্ণক নিদ্ৰাৰ পৰা জগাই দিয়া চিত্ৰ প্ৰতিফলিত হৈছে। কিছুমানত আকৌ কৃষ্ণ-বলোৰাম আৰু আন আন গোপ শিশুসকলৰ সঙ্গে কান্ধত ভাত দৈৰ টোপোলাৰৈ বৃন্দাবনলৈ গৰু চাৰিবলৈ যোৱাৰ চিত্ৰ আছে। বৰগীতৰ চিত্ৰ-ধৰ্মিতাই প্ৰকাশ কৰে যে শ্ৰীকৃষ্ণই যেন সকলো গোপ-গোপীৰ প্ৰাণ। বৃন্দাবনত নৃত্য-গীতৰ ছেৱে ছেৱে কৃষ্ণৰ বংশীবাদন আৰু বংশী ধ্বনি শুনি যেন বৃন্দাবনৰ গছ-লতা, পশু-পক্ষী আদিয়েও কথা কৈছে, নাচিছে আৰু গাইছে। কৃষ্ণই শিশুসকলৰ লগত গৰু চাৰি চাৰি ভাগৰি-পৰাত বালিত বহি লগ-ভাত খাইছে। কেতিয়াবা আকৌ কৃষ্ণই গোপীসকলৰ ঘৰত মাখন চুৰি কৰিবলৈ সোমাইছে। মাখন খাব নাপাই কাৰোবাৰ ঘৰত বা দধি ভাণ্ডকে ভাঙিছে।

কাৰোবাৰ বা আকৌ কেচুৱাকে চিকুটি দি শোৱাৰ পৰা জগাই কন্দুৱাইছে। কেতিয়াবা আকৌ দৈ, মাখনৰ লোভত গোপীৰ হাত তালিৰ ছেৱে ছেৱে ঠেও ধৰি নাচিছে। মুঠতে শ্ৰীকৃষ্ণই যেন সকলো। শিশু কৃষ্ণৰ বংশী ধ্বনিয়ে যেন সচৰ প্ৰাণীকো অচৰ কৰিছে আৰু অচৰ প্ৰাণীকো সচৰ কৰিছে। কৃষ্ণৰ নাচ-গান বংশী ধ্বনিয়ে গোপ নাৰীসকলক এনেভাবে আকৰ্ষণ কৰিছে যে গধূলি হোৱাৰ লগে লগে গোপীসকলে অপলক নেত্ৰে ৰৈ থাকে—শ্ৰীকৃষ্ণৰ প্ৰত্যাৱৰ্তনৰ বাবে; তেওঁলোকৰ প্ৰাণধন কৃষ্ণ যেন তেওঁলোকৰ মাজৰ পৰা বহুত যুগৰ বাবে হেৰাই গৈছিল আজি হেৰোৱা সোণ যেন ঘূৰাই পাব! গোপশিশু সঙ্গে কৃষ্ণ ঘৰলৈ আহি যশোৱা আইৰ আগত ঠেহ পাতিব যে তেওঁ আৰুআজিৰ পৰা গৰু চাৰিবলৈ নেযায়। কিমান যে বৃন্দাবনৰ পাতে তেওঁৰ গা কাটিছে, কিমান ঠাইত যে তেজ ওলাইছে, গৰুবোৰে যে কিমান দিগ্‌দাৰি কৰিছে আদি কথালৈ অভিমান কৰি তেওঁ ভাত নোখোৱা হয়। তেতিয়া যশোদাই "ইস ৰাম, মোৰ সোণে কষ্ট পালে" বুলি কোলাত বহুৱাই ল'ব আৰু গাত দধি মাখন ঘঁহি দিব। কেতিয়াবা আকৌ দুখ-ভাগৰ কাতি কৰি দৌৰ দিব তেওঁৰ বাবে বিয়াকুল হৈ থকা গোপী সকলৰ ওচৰত নাচিবলৈ বুলি। শিশু কৃষ্ণৰ এনে জীৱন বৰ্ণনা কৰিয়ে গীততে দিছে। গীতবোৰৰ শ্ৰৱণ-কীৰ্তনৰ সময়ত এনে চিত্ৰ ফুটি উঠে যেন যে স্বয়ং কৃষ্ণই যেন শিশু



লীলাৰ অভিনয় আৰম্ভ কৰিছে।

বৰগীতবোৰত অকল শিশু কৃষ্ণৰ বং বিৰঙৰ চিত্ৰই নাই, বিৰহৰ চিত্ৰও দুই এটি গীতত আছে। "দুই এটি গীতত ৰূপ ৰস পৰশ শব্দ গন্ধে আকুল" মনক বিষয়ৰ পৰা প্ৰত্যাহাৰ কৰি বৈৰাগ্য অৱলম্বনৰ ভাব প্ৰকাশ কৰা দেখা গৈছে। কিন্তু বৰগীতবোৰৰ মাজেৰে দেখাত যদিও কৃষ্ণৰ মানবীয় লীলাৰ ভাব প্ৰকাশ পাইছে, তাৰ বিপৰীতে শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্বই সম্পূৰ্ণ বিকাশ লাভ কৰিছে। সেই হেতুকে ডঃ কাকতিদেৱে কৈছে— "ধাতুৰ মুদ্ৰা এটিৰ এফালে ৰজাৰ চাব আৰু আনফালে মুদ্ৰাটিৰ বেচফেৰিৰ উল্লেখ থকাৰ দৰে গীতবোৰতো এফালে পৰম পুৰুষৰ মানবী লীলাৰ ব্যক্তিত্বৰ চাব আৰু আনফালে ভক্তৰ ভাষাত সেই চাবখিনিৰ মূল্যৰ ইঙ্গিত আছে।"

একে কথাকে দোহাৰি ডঃ নেওগদেৱেও লিখিছে, "বৰ্ণনা আমোদপ্ৰিয়, কবিৰ কল্পনা-বিলাস মাত্ৰ নহয়, এই বৰ্ণনাৰ আঁৰত লুকাই আছে, এক আধ্যাত্মিক জগত, সাৰ জ্যোতিত প্ৰতিটি বৰ্ণনা হীৰা বুলীয়া নিয়ৰৰ দৰে বা সঞ্জীৱনী প্ৰদীপ শিখাৰ দৰে ভাস্বৰ। ইংৰাজ কবি হেৰিক ( Herrick )ৰ আধ্যাত্মিক কবিতাবোৰক Noble Numbers বোলাৰ দৰে বৰগীতবোৰৰ আধ্যাত্মিক গুণাগুণলৈ লক্ষ্য কৰিয়েই ডঃ বাণীকান্ত কাকতিদেৱে বৰগীতবোৰক Noble Numbers আৰু কালিৰাম মেধিয়ে Great Song বা Song Celestial বুলি অভিহিত কৰিছে। আনহাতে দেবেন্দ্ৰ নাথ বেজবৰুৱাই Holi Songs বুলি আখ্যা দিছে।

মুঠতে ক'বলৈ হ'লে মাধৱদেৱৰ বৰগীত সমূহ মধুৰ ভাবৰ উচ্চ শ্ৰেণীৰ ৰচনা। এই বৰগীতসমূহেই বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰত এক বিপুল অৰিহণা যোগাই আহিছে। তাৰোপৰি মাধৱদেৱ এজন নিজেও সু-গায়ক আছিল। তেওঁৰ কণ্ঠস্বৰেও বৰগীতসমূহক বেছি সোৱাদলগা কৰি তুলিছে। মুঠতে ডঃ কাকতিৰ ভাষাত কবলৈ হলে,—"পাখি লগা কাঁড়ৰ দৰে শঙ্কৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল, তাতে নৱ-আধ্যাত্মিক ভাৱৰ গুটি সিচিঁছিল।"

( অন্যান্য গ্ৰন্থৰ পৰা সহায় লোৱা হৈছে )

# "চিওঁতাৰ সৈনিক"

মূল— বাৰ্টোল্ট্ ব্ৰেখ্ট্ ।

অনুবাদক - বিপিন কাকতি

প্ৰাঃ বিঃ ১ম বৰ্ষিক ।

প্ৰথম বিশ্ব যুদ্ধৰ পিচত দক্ষিণ ফ্ৰান্সৰ চিউতাৰ সৰু বন্দৰ চহৰ এখনত এখন জাহাজৰ উদ্বোধনী উপলক্ষে এখন মেলা বহিছিল । মেলালৈ গৈ দেখিলো পাৰ্কত এজন ফৰাচী সৈনিকৰ ব্ৰঞ্জৰ মূৰ্ত্তিক ঘেৰি উৎসাহী মানুহৰ ভীৰ । কাষলৈ আগুৱাই গৈয়েই বুজিব পাৰিলো কোনো মূৰ্ত্তি নহয়, ধুসৰ দীঘল হলৌ চোলা পিন্ধি এজন জীৱন্ত মানুহ, মূৰত টিনৰ টুপী, বন্দুকৰ আগত বেয়োনেট লৈ জুন মাহৰ তপ্ত ৰ'দত এটা বেদীৰ ওপৰত নিশ্চল হৈ থিয় দি আছে । মানুহজনৰ মুখ-হাত সৰ্বত্ৰত ব্ৰঞ্জৰ ৰঙৰ প্ৰলেপ । তেওঁৰ পেশী নিথৰ, আনকি চকুৰ পতাও এপলক কঁপি উঠা নাই ।

মানুহজনৰ পদতলত বেদীৰ ওপৰতে এখন কাঠৰ ফলক ওলমিছে, তাত লিখা আছে :—

॥ মানৱ মূৰ্ত্তি ॥

"মই চাৰ্লচ লুঁই ফ্ৰাসাঁদ,...... ভ্ৰম্ বাহিনীৰ প্ৰাক্তন সৈনিক । ভেৰ্তুত মোক জীৱন্তে সমাধিস্থ কৰাৰ ফলত এতিয়া মোৰ অনিৰ্দ্দিষ্ট কাল নিশ্চল মূৰ্ত্তিৰ দৰে থিয় দি থকাৰ ক্ষমতা হৈছে । চিকিৎসক সকলে মোক পৰীক্ষা কৰিছে আৰু তেওঁলোকৰ মতে ই হ'ল ব্যাখ্যাতীত এক ব্যাধি । দয়া কৰি এটি পৰিয়ালৰ এই কৰ্মহীন মূৰব্বীক সামান্য সাহায্য কৰক ।"

থালখনৰ ফালে এটা পইচা দলিয়াই দি ভীৰৰ বাহিৰ হৈ থিয় হ'লো ।

মই ভাবিবলৈ ধৰিলো, ভৰিৰ পৰা মূৰলৈকে অস্ত্ৰ-সজ্জিত এইজন সেই মানুহ, হাজাৰ বছৰৰ অপৰাজেয় সৈনিক, যাক লৈ ৰচিত হৈ হৈছে ইতিহাস । আলেকজেণ্ডাৰ জুলিয়াচ চিজাৰ আৰু নেপোলিয়নৰ মহান কীৰ্ত্তি তেওঁ সম্ভৱ কৰি তুলিছিল, যি কীৰ্ত্তিৰ কথা আজিকালি পাঠ্যপুথিত আমি পঢ়ো । এইজন সেই মানুহ । এতিয়া তেওঁৰ চকুত পলক নপৰে । তেওঁ চাইৰাচৰ তীৰন্দাজ, ক্যামবাইচৰ ক্ষুৰধাৰ চকাযুক্ত ৰথৰ সাৰথি, তেওঁক মৰুভূমিৰ বালিৰাশিয়ে অনন্ত সময়তো সমাধিস্থ কৰিব নোৱাৰিলে । তেওঁ চিজাৰৰ সৈন্য বাহিনী, চেঙ্গিজখাঁৰ অশ্বাৰোহী; চতুৰ্দশ লুঁইৰ চুইজ প্ৰহৰী, প্ৰথম নেপোলিয়নৰ সুদক্ষ গ্ৰেনেছ যোদ্ধা । তেওঁৰ আয়ত্বত সেই আশ্চৰ্য্য বিদ্যা, যদিও সি এই মূৰ্তিৰ দৰে থিয় দি থকাৰ দৰে অসাধাৰণ বিশেষ নহয়, যে ধ্বংসৰ সমস্ত উপকৰণ তেওঁৰ ওপৰত প্ৰয়োগ কৰা হ'লেও তেওঁ তেওঁৰ অনুভূতিৰ লগত বেইমানী নকৰে । যেতিয়া তেওঁক মৃত্যু মুখলৈ ঠেলি পঠোৱা হয়, (তেওঁ কয়) তেতিয়াও তেওঁ শিলৰ দৰে নিশ্চল, ভাবলেশ-হীন । প্ৰস্তৰ, লো, ব্ৰঞ্জ, সকলো সাম্ভাব্য যুগৰ তীক্ষ্ণ অস্ত্ৰৰ দ্বাৰা ছিন্ন ভিন্ন, আৰ্টাজেৰ্ক্স আৰু সেনাপতি লুদনদৰ্ভৰ যুদ্ধ ৰথৰ আক্ৰমণত নিহত, হানিবলৰ হস্তীবাহিনী আৰু আটিলাৰ অশ্বাৰোহীৰ দ্বাৰা গৰকা, কেইটামান শতাব্দীৰ ক্ৰমোন্নত বন্দুকৰ পৰা সশব্দে ওলাই অহা পাৰ চৰাইৰ কণী সদৃশ ভাঙৰ বা মৌ-মাখিৰ দৰে কণীৰ ক্ষুদ্ৰ উৰন্ত ধাতু, দানবীয় চিকাৰীৰ হাতৰ পৰা উফৰি অহা প্ৰস্তৰ খণ্ড, বা ৰাইফলৰ গুলিত ছিন্ন তেওঁৰ দেহ, তেওঁ থিয় দি আছে, তেওঁ অপৰাজেয়, নতুন নতুন ভাষাৰে সদা পৰিৱৰ্তিত আদেশৰ দ্বাৰা চালিত । কিন্তু এইবোৰ কিয়, এই প্ৰশ্নৰ উত্তৰ তেওঁ নাজানে । যি ভূমি জয় কৰে, সেই ভূমিৰ দখল তেওঁ নলয়, ৰাজমিস্ত্ৰীয়ে যিদৰে যি ঘৰ সাজে, সেই ঘৰত নিজে নাথাকে । দৰাচলতে যি ভূখণ্ডৰ ৰক্ষা কাৰ্য্যত তেওঁ প্ৰতিনিয়ত ব্যস্ত, সেই ভূখণ্ডত তেওঁৰ কোনো অধিকাৰ নাই । আনকি তেওঁৰ হাতৰ অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য সৰঞ্জামো তেওঁৰ নিজৱ নহয় । অথচ বিমান আৰু দুৰ্গৰ প্ৰাচীৰৰ পৰা বৰ্ষণ হোৱা জলন্ত মৃত্যু-বৃষ্টিৰ তলত তেওঁ থিয় হৈ থাকে, তেওঁৰ পদতলত ভয়ংকৰ বিস্ফোৰক আৰু মৰণাস্ত্ৰ, তেওঁক ঘেৰি যত বিষাক্ত বাষ্প আৰু মাৰাত্মক ব্যাধি । ৰক্ত মাংসৰ সেই মানুহেই যঠি আৰু তীৰৰ লক্ষ্য আৰু খাদ্য, ট্যাংকৰ তলত কোমল মাটি, বিষাক্ত বাষ্পৰ ঘ্ৰাণ তেওঁ লয় । সমুখত তেওঁৰ শত্ৰু, পিচত সেনা-পতি ।

এক অদৃশ্যহাতে তেওঁৰ বাবে জ্যাকেট বনায়, লো পিটি অস্ত্ৰ আৰু তেওঁৰ জোখৰ জোতা বনায় । আৰু তেওঁ এখন অদৃশ্য জেপত টকা ভৰায় ! পৃথিৱীৰ সকলো তাষাৰ অপৰিমেয় কোলাহলে তেওঁক উত্তেজিত কৰে ! এনে কোনো ঈশ্বৰ নাই যাৰ তেওঁ আশীবাদধন্য নহয় । তেওঁৰ ধৈৰ্য্য আৰু অপেক্ষা ভয়াবহ কুষ্ঠ ব্যাধিৰ দৰে আৰু মানুহজনৰ মনো যে দুৰ্ভেদ্য, ইও এক দুৰাৰোগ্য ব্যাধি ।

মই ভাবো, ই কোনো ধৰণৰ জীৱন্ত সমাধি, যাৰ পৰিনামত সেই মানুহজনৰ এই ভয়াবহ দানবিক আৰু চূড়ান্ত সংক্ৰামক ব্যাধি ?

মই নিজকে প্ৰশ্ন কৰো, এই ৰোগৰ কি, কেতিয়াও প্ৰতিকাৰ নহব ?

●●●

# ঘেগ ঃ

# ইয়াৰ প্ৰতিৰোধৰ উপায় আছেনে?

ড: হেমচন্দ্ৰ বৰ্মন
চিকিৎসা আৰু স্বাস্থ্য বিষয়া

আমাৰ ডিঙিৰ সন্মুখফালে থকা থাই-ৰইদ্ নামৰ গ্ৰন্থিটো ( Gland ) যেতিয়া ডাঙৰ হয়, তেতিয়াই আমি গইটাৰ বা ঘেগ্ ( গল ডাঙৰ হোৱা ) বুলি কওঁ। গইটাৰ হোৱাৰ মূল কাৰণ হ'ল—মাটি বা পানীত আইওদিনৰ পৰিমাণ কম থকাটো। অৰ্থাৎ আমাৰ আহাৰ আৰু পানীৰ পৰা যেতিয়া আমি আমাৰ শৰীৰৰ আৱশ্যকতকৈ কম আইওদিন পাওঁ ; তেতিয়া আমাৰ এই ৰোগ হয়।

ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ ঠাইতেই এই ৰোগ হোৱা দেখা যায় যদিও বিশেষকৈ হিমালয় পৰ্বতমালাৰ নামনি অংশ ( জম্মু আৰু কাশ্মীৰৰ পৰা অৰুণাচললৈ ), নগালেণ্ড, মণিপুৰ, চোটনাগপুৰ, আৰাৱলী পৰ্ব্বতমালা, পূৰ্ব্বঘাট আৰু পশ্চিমঘাট পৰ্ব্বতমালা আৰু ইয়াৰ আশে-পাশে থকা ঠাইবোৰত ইয়াৰ প্ৰাদুৰ্ভাৱ বেছি। এইবোৰ ঠাইত বাস কৰা প্ৰায় ৯০ নিযুত মানুহৰ ভিতৰত প্ৰায় ২৫ নিযুত মানুহে এই ৰোগত আক্ৰান্ত হৈ আছে। উত্তৰ আমেৰিকাৰ কিছুমান প্ৰদেশত আৰু বৃটেইনতো এই ৰোগৰ প্ৰাদুৰ্ভাৱ কম নহয়।

## থাইৰইদ গেলেণ্ড ( Thyroid Gland )

য'ত গইটাৰ হয়—আমাৰ ডিঙিৰ সন্মুখৰ আ—ৰ পৰা শ্বাসনলী আৰম্ভ হৈছে ( Thyroid Cartilage) আৰু তাৰ সোমাজতে ছালৰ তলত পখিলা এটিৰ দৰে থাইৰইদ গ্ৰন্থিটো থাকে। এই গ্ৰন্থিটোৱে থাইৰোক্সিন ( Thyroxine ) আৰু ট্ৰাইআইদোথাইৰোনিন ( Thyiodothyronine ) নামে দুটা অতি আৱশ্যকীয় হৰমোন নিঃসাৰিত কৰে। এই হৰমোন দুটা এমাইনো এচিদেৰে তৈয়াৰী। ইয়াত যথাক্ৰমে ৪টা আৰু ৩টা পৰমাণু ( Atoms ) থাকে। এই হৰমোন দুটাই



আমাৰ শৰীৰৰ কোষবোৰৰ জৈৱিক প্ৰক্ৰিয়াত সহায় কৰে। সেয়ে ই আমাৰ শৰীৰৰ অতি আৱশ্যকীয় বস্তু।

সাধাৰণতে থাইৰইদ গ্ৰন্থীটোৱে তেজৰ পৰা আইওদিন সংগ্ৰহ কৰে আৰু তাৰ পৰাই এই হৰমোণ তৈয়াৰ কৰে।

## গয়টাৰ কেনেকৈ হয় ( How do people develop Goitre )

যেতিয়া থাইৰইদ গ্ৰন্থীটোৱে আৱশ্যকীয় আইওদিনখিনি তেজৰ পৰা সংগ্ৰহ কৰি ল'ব নোৱাৰে বা তেজৰ পৰা নাপায় তেতিয়া এই গইটাৰ ৰোগ হয়। অৱশ্যে কিছুমান বিশেষ খাদ্যয়ো গইটাৰ হোৱাত সহায় কৰিব পাৰে। উদাহৰণ স্বৰূপে অধিক পৰিমাণে কেলচিয়াম থকা আহাৰ অধিক পৰিমাণে খালেও আইওদিন আহৰণত বাধাৰ সৃষ্টি হৈ গইটাৰ হ'ব পাৰে। ইয়াৰ ওপৰত বংশগত প্ৰভাৱ কচিৎহে দেখা যায়।

## গইটাৰ কাৰ হয় (Who gets Goitre)

যিকোনো মানুহৰে যিকোনো বয়সতে এই ৰোগ হব পাৰে। মানুহ-তিৰোতা, ল'ৰা-ছোৱালী—সকলোৰে এই ৰোগৰ বলি হোৱা দেখা যায়। তথাপি ল'ৰা-ছোৱালীৰ ভিতৰত বিশেষকৈ ছোৱালীৰ ক্ষেত্ৰত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি। যৌৱনৰ দুৱাৰ-দলিত ভৰি দিয়াৰ লগে লগে স্বাভাৱিকতে থাইৰইদ গ্ৰন্থীটো কিছু ডাঙৰ হয় (Puberly Goitre) আৰু কেইবছৰমানৰ ভিতৰত ই নোহোৱাও হয়। কিন্তু বয়স বঢ়াৰ লগে লগে যদি ই ক্ৰমান্বয়ে বাঢ়ি গৈ থাকে ( তেতিয়া Iodine deficiency হয় ) তেতিয়াই ই ৰোগত পৰিণত হয়।

সন্তান সম্ভৱা মাতৃৰ ক্ষেত্ৰত এই ৰোগ হোৱাৰ সম্ভাৱনা বেছি। কিয়নো এই সময়ত শৰীৰত আইওদিনৰ আৱশ্যকতা অধিক পৰিমাণে বৃদ্ধি পায়। যিবোৰ ঠাইৰ আহাৰৰ লগত আইওদিনৰ পৰিমাণ কম থাকে সেইবোৰ ঠাইত প্ৰতিবাৰ সন্তান সম্ভৱা হোৱাৰ লগে লগে Iodine defciency বৃদ্ধি পাই গৈ থাকে আৰু অৱশেষত ই সন্তানৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে।

## গইটাৰ হোৱাটো কেনেকৈ জানিব পাৰি ( How is Goitre identified )

গইটাৰ হলে ডিঙিৰ সন্মুখৰ মাজভাগ খিনি ফুলি উঠে (ডাঙৰ হয়), ধোক গিলিলে গইটাৰ হোৱা থাইৰইদ গেলেণ্ডটো লৰচৰ কৰে। হাতেৰে চুই চালে স্পষ্টকৈ ধৰিব পাৰি। কিন্তু কেতিয়াবা হাতেৰে চুই ধৰিব নোৱাৰাকৈ বা চকুৰে নেদেখাকৈও গইটাৰ হব পাৰে। গইটাৰ হ'লে গোটেই গ্ৰন্থীটো ডাঙৰ হয় যদিও সাধাৰণতে ইয়াৰ একাংশহে ডাঙৰ হোৱা দেখা যায়।

শৰীৰৰ ওপৰত গইটাৰৰ প্ৰভাৱ
( Effect of Goitre )

—"ৰুণত ঘুণে বিন্ধে" — বুলি এষাৰ কথা আছে। গইটাৰে মানুহৰ শাৰীৰিক সৌন্দৰ্য্য হানি কৰে। ডাঙৰ গইটাৰে মানুহক কুৎসিৎ কৰি তোলে। বিশেষকৈ ছোৱালী আৰু তিৰোতাৰ ক্ষেত্ৰত ই অভিশাপ স্বৰূপ হৈ পৰে। কেতিয়াবা ই অধিক পৰিমাণে ডাঙৰ হৈ উশাহ-নিশাহ লোৱা নলীত ( Trachea ) হেঁচা দিয়ে। ইয়াৰ ফলত শ্বাস-প্ৰশ্বাসত অসুবিধা পোৱাৰ উপৰিও টোপনিত গলৰ শব্দ হয়। তেতিয়া ই অস্ত্ৰোপ্ৰচাৰৰ অতি প্ৰয়োজন হয়।

গইটাৰে শাৰীৰিক শক্তি হ্ৰাস কৰিব পাৰে। পৰ্য্যাপ্ত পৰিমাণৰ আইওদিন গৰ্ভৱতী মাতৃয়ে নাপালে ই গৰ্ভস্থ সন্তানৰ ওপৰতো বেয়া প্ৰভাৱ পেলাব পাৰে। কেতিয়াবা কেতিয়াবা গইটাৰে শিশুসকলৰ মানসিক উৎকৰ্ষতাত বাধাৰ সৃষ্টি কৰাও দেখা যায়। গইটাৰ প্ৰতিৰোধ কৰিব পাৰিনে ?

( Is Goitre Preventable )

গইটাৰ হোৱাৰ পৰা হাত সাৰিবও পাৰি। যিবোৰ ঠাইত গইটাৰ হয় সেইবোৰ ঠাইৰ মানুহে আইওদিন সংযুক্ত নিমখ Iodine Salt যেনে—Sodium Iodine, Potassium Iodine ) নিয়মীয়াকৈ আৰু আৱশ্যকীয় পৰিমাণে খাই থাকিলে এই ৰোগৰ পৰা হাত সাৰিব পাৰি। বিশেষকৈ জীৱনৰ প্ৰথম অংশত এই আইওদিনযুক্ত নিমখ খোৱাতো আটাইতকৈ সন্তোষজনক প্ৰতিৰোধৰ উপায়।

আইওদিনযুক্ত নিমখ কম দামত বজাৰতো কিনিব পোৱা যায়। ১০০ গ্ৰাম ঘৰুৱা নিমখৰ লগত প্ৰায় ১·৫ মিলিগ্ৰাম Iodine Salt মিহলাই লব লাগে। এই নিমখে থাইৰইদ গ্ৰন্থিটোক আৱশ্যকীয় আইওদিনখিনি যোগান ধৰে আৰু ইয়াৰ স্বাভাৱিক প্ৰক্ৰিয়াত সহায় কৰে।

পৃথিৱীৰ যিবোৰ দেশত আহাৰত আইওদিনৰ পৰিমাণ কম বুলি জনা যায়, সেইবোৰ দেশত ঘৰুৱা নিমখৰ লগত যাতে এই আইওদিন সংযুক্ত নিমখ থাকে তাৰ সুবন্দৱস্ত কৰা হৈছে। ইয়াৰ ফলস্বৰূপে সেই ঠাইবোৰত গইটাৰ হোৱাটো উল্লেখযোগ্য ভাৱে কমি গৈছে। অৱশ্যে আমাৰ দেশত এতিয়াও এই ব্যৱস্থা হৈ উঠা নাই।

Ref : ( i ) The principle and practice of Medicin—S. Davidson.
( ii ) Swasth Hind.



# ॥ দেনিকেন তত্ত্ব আৰু শেহতীয়া অভিযান ॥

মজিবৰ ৰহমান
প্ৰাঃ বিঃ ১ম বাৰ্ষিক।

"সুদূৰ অতীতত পৃথিৱীলৈ অন্য গ্ৰহৰ পৰা গগন বিহাৰী অতিসভ্য জীৱৰ দল এটাই তেওঁলোকৰ মহাকাশ যান লৈ আহিছিল আৰু তেতিয়াই তেওঁলোকে বুদ্ধিহীন নৰ-বান্দৰসকলক কৃত্ৰিম প্ৰৰিব্যাক্তিৰ মাধ্যমেৰে বুদ্ধিমান মানুহলৈ পৰিৱৰ্তিত কৰিছিল।" খ্যাতনামা বিজ্ঞানী এৰিখ ভন দেনিকেনৰ এই তত্ত্ব সমগ্ৰ বিশ্বৰ বিদগ্ধ মানুহৰ আলোচ্য বিষয় হৈ পৰিছে। ১৯৩৫ চনত চুইজাৰলেণ্ডত জন্মগ্ৰহণ কৰা দেনিকেনৰ প্ৰথম গ্ৰন্থ "Chariots of God" ১৯৬৮ চনত জাৰ্মান ভাষাত প্ৰকাশ হোৱাৰ পিচতে আৰম্ভ হয় বিতৰ্ক আৰু হৈ-চৈ।

চাৰ্লচ ডাৰউইনে বিৱৰ্তনবাদৰ মাধ্যমত প্ৰথমে মানুহৰ জন্মকথা ব্যাখ্যা কৰিছিল। যি ব্যাখ্যা আজিও যথেষ্ট মজবুত আৰু স্বীকাৰ্য্য। এই তত্ত্বানুসৰি বহু বছৰ ধৰি এক-কোষী জীৱ মানুহলৈ পৰিৱৰ্তন হৈ আছে। আধুনিক বৈজ্ঞানিক বিশ্লেষণেও স্বীকাৰ কৰে যে অজৈৱ পদাৰ্থৰ পৰা জৈৱিক পদাৰ্থৰ জন্ম হৈছে। তথাপি বান্দৰৰ পৰা যে মানুহৰ জন্ম, তাৰ বিশেষ শক্তিশালী প্ৰমাণ নাই। অনেকেই ক্ৰো-মেগনন মানুহবোৰ পূৰ্ব্ববৰ্তী নিয়ানডাৰথালসকলৰ বিৱৰ্তিত ৰূপ বুলি নাভাবে। ক্ৰো-মেগনন সকল এক ভিন্ন মানৱ গোষ্ঠী। বিৰাট মগজু আৰু উন্নত বুদ্ধি লৈ এওঁলোকৰ যেন হঠাৎ আবিৰ্ভাৱ। কিন্তু প্ৰাকৃতিক নিয়মত হঠাৎ এনে একো ঘটা নাই। বিৱৰ্তনবাদীসকলৰ মতে মানুহ হ'ল "মিচিং লিংক।" ইয়াৰ কোনো ব্যাখ্যা নাই। পেনচিলভেনীয়া বিশ্ববিদ্যালয়ৰ নৃতাত্ত্বিক অধ্যাপক লৰেন আইমলিৰ মতে লক্ষ লক্ষ বছৰ পুৰণি পশু জীৱনৰ পৰা বিৱৰ্তন হৈ মানুহ হৈছে। মানুহৰ যিদিনাৰ পৰা হঠাৎ মানসিক উৎকৰ্ষ সাধন হয়, সিদিনাৰ পৰা জাতি ভাইসকলৰ পৰা আঁতৰি পৰে।

এৰিখ ভন দেনিকেনে কৈছে যে— লক্ষাধিক বছৰ ধৰি মানুহৰ বিৱৰ্তনৰ মাজেদি হঠাৎ মানুহৰ বুদ্ধিৰ উদয় হৈছে। নৰাকৃতি বান্দৰ হবলৈ লাখ লাখ বছৰ লাগিলেও বান্দৰৰ

পৰা মানুহ হবলৈ বেচি দিন লগা নাই। কিন্তু দেনিকেনৰ প্ৰশ্ন হ'ল— "মানুহে নৈতিক মান বস্তুটো কেতিয়াৰ পৰা ভবা কৰিলে ?" কৰ্তব্য, প্ৰেম, প্ৰীতি আদি মানুহে কিহৰ অভাৱত আবিষ্কাৰ কৰিলে ? ভক্তিভাৱ, যৌন লজ্জা, লাজ কিহে সুমুৱালে ? ইয়াৰ ব্যাখ্যা ক'ত ? মানুহে কাপোৰ পিন্ধিবলৈ, মৃতদেহ কবৰ দিবলৈ বা শিকিলে কি দৰে ? এনে ধাৰণা সঁচা হ'লে গৰিলা চিম্পাঞ্জীবোৰেও ইতিমধ্যে কাপোৰ গহনা পিন্ধা, আৰম্ভ কৰি দিব লাগিছিল। দেনিকেনৰ প্ৰশ্ন— "কেতিয়া, কি দৰে, কিয় মানুহ বুদ্ধিমান হ'ল ?"

সকলোতকৈ আচৰিত কথা যে প্ৰাচীন গ্ৰন্থকাৰসকল বিভিন্ন প্ৰান্তৰত যোগাযোগহীন ভাৱে বাস কৰিছিল। তথাপি বিভিন্ন দেশত ভিন্ন সংস্কৃতি লৈ লিখিত বাইবেল, মহাভাৰত, ৰামায়ণ, এস্কিমো গ্ৰন্থ, ৰেড ইণ্ডিয়ান, স্কান্দিনেভিয়ান, তিব্বতীয় গ্ৰন্থ আদিত একে ধৰণৰ উৰন্ত দেৱতা আৰু উৰন্ত যানৰ খবৰ পোৱা যায়। পৃথিবীৰ বিস্ময়কৰ সভ্যতাবোৰৰ মাজত এক আশ্চৰ্য্যজনক মিল আছে। কি কাৰণত মিছৰৰ পিৰামিড্, ইষ্টাৰ দ্বীপৰ অদ্ভুত মানৱ মূৰ্ত্তি, টিয়াহুৱানকাৰ বিশাল সূৰ্য্যতোৰণ, পেৰুৰ বিশাল ভূখণ্ডত অদ্ভুত চিহ্নৰাজি নিৰ্মিত হৈছিল, তাক কোনেও কব নোৱাৰে। ১৯৫৬ চনত গ্যোবি মৰুভূমিত শিলৰ ওপৰত মানুহৰ দৰেই বিশালাকৃতিৰ ভৰিৰ খোজ আবিষ্কাৰ হয়। আমেৰিকাৰ গ্লেনৰোজত নদীৰ বুকুত একেই চিহ্ন আবিষ্কাৰ হয়। আমেৰিকাৰ টিয়াহুৱানকা[ৰ] কেলেণ্ডাৰত অংকিত ডাইনোচৰ অ[...] টেকচেদ্দন নামৰ প্ৰাগ ঐতিহাসিক প্ৰাণী[...] চিত্ৰৰ পৰা বুজা যায় যে এনে প্ৰাণীৰ অস্তি[...] পৃথিবীত আছিল। তাৰোপৰি উৰন্ত বিশা[...] জেতীৰ ছবি, প্ৰাগঐতিহাসিক ডাইনাচোৰা[...] ছবিও দেনিকেনৰ প্ৰধান সমল। দেনিকেন[...] অভিনৱ তত্ত্ব হ'ল এই আবিষ্কাৰ প্ৰশ্নাৱলী[...] উত্তৰ। এই তত্ত্ব লৈ তেওঁ লিখিছে পাঁচ[...] গ্ৰন্থ— Chariots of God, Retur[...] to the stars, Gold of the God[...] In Search of the Ancient God[...] আৰু Miracles of the Gods. স[...] পৃথিবীত তেওঁ পাঁচশৰো অধিক ভাষণ দি[...] তেওঁৰ তত্ত্বাৱলীৰ প্ৰমাণ, সমল বিচাৰি [...] সমগ্ৰ পৃথিৱী ঘূৰিছে। ১৯৬৮ চনত [...] বাংগালোৰলৈ সংস্কৃত পণ্ডিতসকলৰ [...] মহৰ্ষি ভৰদ্বাজৰ বিমান শাস্ত্ৰ সম্বন্ধে জা[...] বলৈ আৰু ১৯৭৮ চনত কলিকতালৈ মিউজি[...] চাবলৈ আৰু আলোচনাৰ বাবে আহিছি[...] দেনিকেনৰ নিজস্ব পুথিভঁৰালত ১৯৭৯ চনলৈ[...] এই সম্পৰ্কীয় ত্ৰিশ হাজাৰ গ্ৰন্থ আৰু গৱে[...] পত্ৰিকা আৰু আশী হাজাৰ মান চিঠি পত্ৰ[...] সংবাদপত্ৰ সংগ্ৰহ আছে।

বিজ্ঞানী সকলৰ সাম্প্ৰতিক গৱেষণা[...] অকল পৃথিবীৰ ছায়াপথৰ মহাবিশ্বত [...] এক কোটি কুৰি লক্ষ গ্ৰহত মানুহৰ [...] উন্নত জীৱৰ অস্তিত্ব আছে।

দেনিকেন তত্ত্বৰ সম্পৰ্কত আগৰ ৰ[...] মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশ প্ৰাই[...]



স্বীকাৰ্য্য যে এই বিজ্ঞানীজনৰ বাদসমূহ পৃথিবীৰ বহু খ্যাতিনামা বিজ্ঞানীয়ে স্বীকাৰ কৰি তাৰ ওপৰত চৰ্চা চলাইছে। হিন্দু শাস্ত্ৰৰ তেত্ৰিশ কোটি দেৱতাৰ বাসস্থান অন্য গ্ৰহত বুলি শাস্ত্ৰই কৈছে। শ্ৰীকৃষ্ণাদি দেৱগণে পৃথিবীলৈ আহি সভ্যতাৰ চৰম বিকাশ সাধি থৈ যোৱা বুলি কোৱা হয়। ত্ৰেতা, দ্বাপৰ আদি যুগত লক্ষাধিক বছৰ পূৰ্ব্বে ৰাৱণ, কৃষ্ণ আদিৰ ৰথ, নাৰদৰ ঢেকী আদি আজিৰ ব্ৰহ্মাণ্ড ঘূৰি ফুৰিব পৰা মহাকাশযানত বাহিৰে আন একো নহয়। তেতিয়াৰ পাশুপাত অস্ত্ৰ, অগ্নেয় বান আদিও আজিৰ শেহতীয়া যুদ্ধাস্ত্ৰ (বোমা, বাৰুদ) হে বুলি কয়।

অন্য গ্ৰহত জীৱৰ সন্ধানত কাৰিকৰি দিশত উন্নত দেশসমূহে ইতিমধ্যে যথেষ্ট আগবাঢ়িছে আৰু এই দিশত সিদ্ধান্তলৈ অহা হৈছে যে পৃথিবীত বাহিৰে সৌৰজগতৰ আন দহটা গ্ৰহত জীৱ থকা সম্ভৱ নহয়। কিন্তু মহা বিশ্বত কোটি কোটি সূৰ্য্য আৰু গ্ৰহ নক্ষত্ৰ থকা সম্ভৱ আৰু একে ধৰণৰ আন সূৰ্য্যৰ সমদূৰত্বত পৃথিবী সদৃশ আন গ্ৰহত উন্নতৰ জীৱত থকা সম্ভৱ। ইতিমধ্যে গ্ৰহনুপুঞ্জলৈ লক্ষ কৰি আমেৰিকাৰ তৰফৰ পৰা পায়োনিয়াৰ নামৰ দুখন যান পঠাই দিয়া হৈছে। পায়োনিয়াৰ ১ ৰ পিচত পায়োনিয়াৰ ২ যানখনে ১৯৭৬ চনত যাত্ৰা আৰম্ভ কৰে আৰু ১৯৮০ চনৰ শেষ ভাগত শনিগ্ৰহ অতিক্ৰম কৰি গৈছে। কেই হাজাৰমান বছৰ পিচত এই যান গৈ মহাজগতত প্ৰবেশ কৰিব। আশা কৰা গৈছে যে কোনো উন্নততৰ জীৱ থাকিলে যানখন কৰায়ত্ব কৰি গৱেষণা চলাব আৰু পৃথিবীৰ অস্তিত্ব সম্পৰ্কে তাত পঠোৱা পৃথিবীৰ বহুত ভাষাৰ লিপি আৰু গীতাৰ কলিৰ পৰা তথ্য উদ্‌ঘাটন কৰি এটা উত্তৰ দিব।

যান দুখনে যিবোৰ গ্ৰহ নক্ষত্ৰৰ ওচৰেদি গৈছে আৰু যাব তাৰ সচিত্ৰ তথ্যাৱলী পঠাই থাকিব। ইতিমধ্যে সৌৰজগত সম্পৰ্কে যথেষ্ট তথ্য পোৱা গৈছে। চিত্ৰৰ পৰা গম পোৱা মতে শনি গ্ৰহৰ বলয় ৰাশিৰ ওচৰত এটা কক্ষপথত ১৪ টা উপগ্ৰহ আছে; দুটাৰ ইয়াৰে দূৰত্বৰ ব্যৱধান মাত্ৰ ৪৮ কিঃ মিঃ। অহা দুবছৰত ইহঁতৰ ব্যৱধান কমি হব গৈ ২ কিঃ মিঃ। অৱশ্যে খুন্দা লগাৰ সম্ভাৱনা নাই। আন দুটা উপগ্ৰহ পায়োনিয়াৰে আবিষ্কাৰ কৰে। দুটা বৃহত্তম বলয়ৰ মাজত আৰু অনেক বলয়ো আবিষ্কাৰ হৈছে। নিকটবৰ্তী উপগ্ৰহ দুটা পৰস্পৰৰ কাষ চাপি অহাৰ লগে লগে কক্ষপথৰ সলনিও হব।

হয়তো আৰু কেইটামান দশকৰ পিচত, অন্য গ্ৰহত জীৱ আবিষ্কাৰ হব আৰু দেখা যাব যে তেওঁলোক সঁচাই অধিক সভ্য আৰু ইতিমধ্যে তেওঁলোকে পৃথিবীৰ ওপৰত গৱেষণা আৰম্ভ কৰি আগবাঢ়িছে। তেতিয়া এৰিখ ভন দেনিকেনৰ তথ্যৰাজিৰ কিছু প্ৰমাণ সাব্যস্তও হব পাৰে।

---

১। সৌৰজগতৰ আন দুটা গ্ৰহ অলপতে আবিষ্কাৰ হয়।

২। পৃথিবীৰ মধ্যাকৰ্ষণৰ বাহিৰত মহাকাশ যানৰ স্বাভাৱিক গতি ৩৫০০০ মাইলতকৈ ই বহু বেছি গতিত ধাবিত হৈছে বুলি কোৱা হৈছে।

॥ দেনিকেন গ্ৰন্থাৱলী আৰু অন্যান্য পত্ৰিকাৰ সহায়ত ॥

# বক্ৰ

শ্ৰীৰবীন্দ্ৰ ডেকা
স্নাতক, ১ম বৰ্ষ

বক্ৰু,
যোৱা বক্ৰু, যোৱা
লাঞ্ছিতা আজি মাতৃ চিত্ৰাঙ্গদা
পৰ পুৰুষৰ হাতত
পিতৃৰ আত্ম বিস্মৃতিৰ ফল
একেটি পুত্ৰ তুমি জননীৰ
কাপুৰুষ তুমি কেতিয়াও নোহোৱা
গোপন বেদনা মাতৃ হিয়াৰ
তুমি আজি উপলব্ধি কৰিছা
যোৱা বক্ৰু, যোৱা—
বেদনাৰ ক্ষত চিহ্ন মাতৃ বুকুত
চকুত বিষাদৰ পানী
তুমি মচি দিয়া।
যোৱা বক্ৰু, যোৱা—
মাতৃ আজি লুণ্ঠিতা দানৱৰ হাতত
যোৱা বক্ৰু, যোৱা—
মাতৃ মুক্তিৰ হাকে
প্ৰতিজ্ঞা অপিম জীৱন কিম্বা গুছাম পিয়াহ
যোৱা বক্ৰু, যোৱা
অচিৰে সমাপ্তি হব ভ্ৰুকুটিৰ
মৃত্যু বাণ তোমাৰ হাতত, উদ্ধত দানৱৰ
যোৱা বক্ৰু, যোৱা
মাতৃ মুক্তিৰ হকে।

●●

# পৰিবৰ্ত্তন

চাহাবুদ্দিন আহমেদ

মোৰ সন্মুখত এইয়া নৱ প্ৰভাত,
এইয়া উদয়মান নৱলোকেৰে নৱ সূৰ্য্য
যাৰ আলোকৰ প্ৰতাপত
মানৱ মনৰ কলুষ-কালিমা, শোষণ-নিস্পেষণ
কুটিলতা হৈ যাব শেষ
আৰু হ'ব আবিৰ্ভাৱ নৱদিন
হ'ব নৱৰাত্ৰি
সেই ৰাত্ৰিৰে নৱ চন্দ্ৰমাৰ শীতল প্ৰভাত জ্যোতি
বৈ যাব মানৱ হৃদয়ৰ তন্ত্ৰী তন্ত্ৰী
লভিব মানৱেমানৱ সভ্যতাৰ সুখ্যাতি
আৰু ?
আৰু হ'ব এই ধৰিত্ৰী
এক সত্বা, এক বিশ্ব ভ্ৰাতৃ—
বিশ্ব ভ্ৰাতৃত্বই হ'ব যাৰ দিগ্‌বলয়
নিশ্চয় হ'ব এই বিশ্ব-শান্তিৰ আলয়।
হে প্ৰভু, দিয়া সেই অনাবিচল শান্তি গোটেই
বিশ্বত বিলাই
য'ত কৰিব মানৱে পুৰা গধূলি তোমাৰে—
প্ৰাৰ্থনা
শেষ হ'ব মানৱৰ সকল লঘু-লাঞ্চনা।

●●●





# মৃত্যু

সঞ্জীৱ কলিতা

এনে সন্ধিয়াতে, পাহৰে পাহাৰে মেঘ আৰু কুঁৱলীৰ ধ্বস নামি অহা সকৰুণ দৃশ্য, ধোৱা আৰু কুঁৱলীৰ ব্যাপকতাই আৱৰা নিৰ্জন পঁজা, হতত সন্তয়াজনৰ ধূম্ৰ দণ্ডিকাৰে তিনিজন ডেকা মানুহ। ভদ্ৰেশ্বৰ মাষ্টৰৰ দৰে ঘৰ খেদা খোৱা লোকৰ ভাষাৰে তিনি-জন ভগনীয়া। নিৰ্জ্জনতাৰ কাৰুণ্যই মধুৰ কৰি তোলে ঝিলিৰ মাত। এনে এটা এৰি অহা স্মৃতিমধুৰ গাৱঁৰ গোহালি ভৰিবলৈ আৰম্ভ কৰা সন্ধিয়া। নতুন মাষ্টৰ ভদ্ৰেশ্বৰ তামুলীৰ ধনে-ধানে ভৰা অতীতৰ গাওঁ, ডেকা ডাক্তৰ নিবাৰণৰ চাইকেল মাৰি উৰ্দ্ধশ্বাসে ঘৰ সোমোৱা বৃদ্ধ বাপেকৰ বিবৰ্তনৰ গৰাহত ধ্বস্ত গাওঁ আৰু গুৰ চেনি চাউল-পাতৰ গেলামাল লৈ গধূলিৰ নিৰ্জ্জনতাত ভাণ্ডাৰ বন্ধ কৰি ব্যস্ত দুহাত সেকা ভোলাৰ দুখুনী বিধবা মাতৃৰ ভঁগা পজাৰ গাওঁ, ঝুমুৰি দি ধৰেহি নিৰ্বোধ মনত। স্বাসৰুদ্ধ-

কৰি তোলা ঝিলিৰ আৰ্ত চিচিয়নি। কি কম, কি নকম, এটা বাকৰুদ্ধ ভংগী। এনে সন্ধিয়াতে নিবাৰণ ডাক্তৰে কিবা কম কিবা নকম কৰি নিৰলস ভংগীত— "মাষ্টৰ, আবেলি ল'ৰাটো আপুনি বেচি চিৰিয়াছ দেখিছিল নেকি বাৰু?" সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ ভদ্ৰেশ্বৰ মাষ্টৰৰ কুণ্ঠা। ধূম্ৰাম্বিত কোঠাৰ অলসতা ভংগ কৰি কলে— "আ-হ! আপোনালোক ডাক্তৰ মানুহ। আমি যিটো বেছি চিৰিয়াছ দেখো, তাতেই আপোনালোকে আৰো-গ্যৰ সূত্ৰ পায়। ল'ৰাটো ভাল হবও পাৰে। বেচেৰাৰ চকুহাল তেনেই পাতি ধৰিছিল।" শৈশৱতে মৃত্যুৰ দুৱাৰ-দলিত জাপখাই অহা এহাল ঘোলা চকু। ল'ৰাটো বেচ নোদোকা আছিল; দুখন টুপ-টুপীয়া ফুলি অহা গাল, শকতাৰত হাত-ভৰি, তাৰ প্ৰাণোচ্ছল সজীৱ-তাক মৃত কৰি জঠৰ হৈ পৰি আছে, দুপাৰি পাতল ডালিম গুটীয়া দাঁত। সদ্যজাত সূৰ্য্যৰ দৰে ৰক্তিম ওঠ যুগল তাৰ ক্ৰমাত শেঁতা পৰি আহিছে, কোটৰস্থ আখিপটে তাৰ কিবা দুৰ্বোধ্য গভীৰ বেদনা ব্যক্ত কৰিবলৈ বিচাৰিছিল, চকুৰ তিৰবিৰ তৰাহাল যেন ক্ৰমশঃ আকাৰ বৃদ্ধি কৰি হালধীয়া বং সানি প্ৰচণ্ড গতিত ওলাই আহিবলৈ বিচাৰিছিল। ব্যক্ত কৰিবলৈ তাৰ ভাষা নাই, সি কবলৈ নোৱাৰে। সি এটা দুবছৰীয়া নিৰ্বোধ শিশু। ডাক্তৰে বুজি পায়, শুকান ওঠযুগল আৰু তাৰ টিপ্ টিপ্ কলিজাটো তিয়াবলৈ তাক এটোপ পানী লাগে। উদৰস্থ সামান্য দৰৱকণো যাৰ নাথাকে, বমি আৰু শৌচৰ প্ৰকোপত ধাৰাশায়ী নিৰীহ শিশুটি। "হয়, হয়। ল'ৰাটো বাচিব। দেখিছিল নে বাৰু? দুই তিনিদিন দুৰ্দাম গতিত সি বমি-শৌচ কৰিছে। আৰু তাৰ কঠিন দুৰ্ব্বলতাক নেওচি প্ৰতিবাদ কৰি উঠিছে, সি একো নাখায়। খুৱাবলৈ ললেও সি খাবলৈ নোখোজে। এই যে তাৰ প্ৰতিবাদমুখৰ মনোভাৱ ব্যক্ত কৰাৰ ইংগিত; ইয়েইতো আমাৰ বাবে শুভ। সি যদি নাবাচে; চাব এই গাওঁ এৰি মই গুচি যাম।" ভোলাই এটা সপোন দেখিছিল, স্বপ্নাতুৰ ভোলাৰ হাতৰ ধূম্ৰ দণ্ডিকা পুৰি নিঃশেষ হৈ গৈছিল, হনু ওলোৱা গালখন আঠুত গুজি দি কোটৰগত চকুহাল মুদি সি একান্ত-মনে এটা সপোন দেখিছিল। তাৰ বৃদ্ধা বিধবা মাকৰ পঁজা উকখিছে, ফটা ছালেদি সৰকি অহা ধাৰাসাৰ পানীয়ে মাকৰ দুখৰীয়া কাপোৰৰ শেতেলিখন তিয়াই পেলাইছে। ৰাতিপুৱাৰ সূৰ্য্যৰ চোকা ৰ'দলৈ বৃদ্ধা মাকে উজাগৰি তিতা ৰাতি এটা কাটাবাৰ পিচত বাঁহৰ ভগা জপনাখন বিকৃত শব্দ কৰি মেলি ওলাই আহি সন্মুখীন হৈছে প্ৰতাপী মৌজাদাৰৰ ৰুক্ষ মুখাবয়ৱ কটকীৰ। আহ, এইজন মৌজাদাৰেই তাৰ পিতৃৰ মৃত্যুৰ পিচত অৱশিষ্ট মাটি কেইডৰাও খাজনা দিবলৈ নোৱাৰাৰ অজুহাতত নীলাম কৰাৰ ফান্দ পাতি কাঢ়ি লোৱা নাছিলনে? তেতিয়াতো সি অপৈণত বালক; মৌজাদাৰৰ দুহতীয়া চাবুকৰ শব্দ শুনিলে, চাবুকডাল দেখিলে চকুমুদি সি তাৰ ভয়াবহ যন্ত্ৰণাৰ অনুভূতি প্ৰাপ্তিৰ চেষ্টা কৰে। কটকীয়ে মাকক কোৱা



সি দেখিছে যে, হুকুম দিছে যে এটা সপ্তাহৰ ভিতৰত মাকে পঁজা ঘৰটো সহ ভেটিটো এৰি দিব লাগিব। মৌজাদাৰৰ কিবা নতুন ফন্দি। এখন ঐতিহ্যমণ্ডিত ঘৰ এৰি আন এখন নতুন ঘৰ স্থাপন কৰিবলৈ এক জড় বৃদ্ধৰ লৈ মাত্ৰ সাতটা দিন, আৰু সাতটা ৰাতি। সূৰ্য্যটোৱে মাথোন সাতবাৰ উদয় হৈ সাত বাৰ ডুবি থাকিবলৈ সুযোগ পাব। কটকীয়ে তাৰ দুখনী মাকলৈ সি দি অহা বাচন-বৰ্তন আৰু চাউল-পাতিবোৰ সোপাকৈ কাঢ়ি ল'লে। "নাই, নাই, মই যাব লাগিব। এখন ঘৰৰ দীনতা আঁতৰাবলৈ আন এখন দীন দুৰ্ভিক্ষভৰা গাৰ্ত্ত থাকিব নোৱাৰো। মোৰ মাক মৃত্যুৰ কালত অলপ সুখ-শান্তি দিব লাগে। এই জমিদাৰ-চামিদাৰবোৰক পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন কৰি দিব লাগে।" তাৰ শীৰ্ণ ওঠ দুটা মাথোন কঁপি উঠিল, হৃদয়ৰ সমস্ত আগুৰি গুমৰি উঠা বিদ্বেষ, ঘৃণা প্ৰকাশ কৰিবলৈ তাৰ ভাষাও নোলাল। নিবাৰণ ডাক্তৰে তালৈ চালে, শীতৰ প্ৰাচুৰ্য্যই তাৰ গাল-মুখ ক'লা কৰিছে, বেচ ক'লা পৰিল ভোলা। এই ডেকাজন কিমান সবল উজ্জ্বল আছিল। "ডাক্তৰ, মোৰ মালৈ মনত পৰিছে"। ভদ্ৰেশ্বৰ মাষ্টৰে মাষ্টৰী কায়দাত হাঁহি উঠিল। তাৰ অলপ খঙো উঠিল, লাজো লাগিল। তাৰ লজ্জাবোধ আৰু ৰোষৰ উমান পাই মাষ্টৰে ক'লে "হেৰৌ আমাৰ জানো ঘৰলৈ মনত নপৰে? মা আমাৰো আছে। গাভৰু ভনীজনীক বিয়া দিব লাগে। সৰু ভাই দুটাৰ পৰীক্ষা আহিছে, ফিজকে আদি কৰি কেবা শও টকা লাগে। এইবাৰ গৰুহালৰ এটা মৰিল, আন এটা কিনিব লাগে। আকৌ বন্ধকত ৰখা মাটিডোখৰ নিজা কৰি লৈও তিনিশ টকা দিবলৈ আছে। কিমান কাম মোৰ! কিন্তু ভাবি কি লাভ!" ডেকা ডাক্তৰ নিবাৰণ নিৰ্ব্বিকাৰ, মৃত্যুৰ সতে ঘোৰতৰ যুদ্ধত লিপ্ত নোদোকা ল'ৰাটোক বচাব লাগে। ল'ৰাটো মৰিব নোৱাৰে। সুচিকিৎসাৰ অভাৱত মানুহ নিতৌ মৰি থাকিব নোৱাৰে। নতুন জেনাৰেচন এটাক পঙ্গু কৰি শেষ হবলৈ দিব নোৱাৰি। সি যুজিব, তাক মৃত্যুৰ গৰাহৰ পৰা সি বচাবই। "ঘৰৰ কথা ভাবি কি হব মাষ্টৰ! য'তেই থাকো ত'তেই আমাৰ ঘৰ। এই নিঃসহায় গাওঁখনক আমি সহায় কৰিব লাগে। জীৱিকাৰ সন্ধানত আমি পালোঁ এই পৰ্ব্বতীয়া গাওঁখন। মই সফল হব পাৰিম; নিজৰ সামৰ্থৰ ওপৰত বিশ্বাস আছে মোৰ। জানে সথিক চিকিৎসাৰ অভাৱত কিমান শিশু বছৰি মৃত্যুৰ মুখত পৰে। মানুহবোৰক চিকিৎসাৰ পদ্ধতিবোৰ শিকাব লাগে, যাতে এটা প্ৰাণীও ভুল চিকিৎসাৰ বলি হব নোৱাৰে। এই ল'ৰাটো, মই জানো সি বেচ চিৰিয়াছ অৱস্থাত আছে। কিন্তু তাক বচাব লাগিব। হাজাৰ হ'লেও সি এদিন এটা নতুন জেনেৰেচনক ......।" ঢং ঢং ঢং ......... ডাঠ কুঁৱলী ফালি অহা ঘণ্টাৰ শব্দই মানুহ তিনিটাৰ কৰ্ণপটাহত চকা মাৰিলে। নিৰল মুহূৰ্ত্ত কেইটামান

আটায়ে নিশ্চুপ হৈ বহি ৰ'ল। নিস্তব্ধতা ভংগ কৰি ঝিলিৰ মাত আৰু টোপে টোপে সৰি পৰা নিয়ৰৰ শব্দৰ কাৰুণ্যক অবিৰাম গতিত বাজি থকা ঘণ্টা ধ্বনিয়ে গাঢ় কৰি তুলিলে। নাতি দূৰৰ জোপোহাৰ মাজৰ পৰা হঠাৎ ভাঁহি অহা শিয়ালৰ বিকট আৰাৱে পৰিৱেশটোক কিবা জয়াল কৰি তুলিলে। ডাক্তৰ বিব্ৰত হৈ পৰিল। সি চকুহাল মুদি কিবা এটা অতিপাত সূক্ষ্ম কথা ভাবিবলৈ চেষ্টা কৰিলে। "গাৱত মানুহ মৰিলে গীৰ্জাত এনেদৰে অবিৰাম ঘণ্টা বজায় বুলি শুনিছোঁ। ল'ৰাটো ……… ……।" ভদ্ৰেশ্বৰ মাষ্টৰৰ কথা শুনি ডাক্তৰে বিদ্যুত বেগে হাতত বেগটো আৰু দৰবৰ টোপোলাটো লৈ তৰিৎ গতিত ওলাই গ'ল। তেওঁৰ আগে পিচে চৌপাশে প্ৰচণ্ড শীতৰ মেলা। ভদ্ৰেশ্বৰ মাষ্টৰে ক'লে—"ল'ৰাটো মৰিল হবলা। মই তাক দেখিয়েই বুজিছিলো, দিনটো খুব বেচি থাকিব পাৰে। তাক বচাবলৈ সাধ্য-ইবা কাৰ! যিহে অৱস্থা; অস! অস! বেচ নোদোকা আছিল সি!" নিৰলস ভংগীত হাতৰ আধাপোৰা বিড়িটো এটা জ্বলন্ত আঙঠাত গুজি দি মাষ্টৰে জুইকুৰা ফুৰাই ফুৰাই

ডাক্তৰ উভতি অহালৈ বাট চাবলৈ ধৰিলে। দিনটোৰ তীব্ৰ ব্যস্ততাৰ বাবে ডাক্তৰৰ নামত দুপৰীয়াতে অহা টেলিগ্ৰামখন দিবলৈ সি পাহৰি আছিল। গভীৰ নিশাৰ কঠিন অন্ধকাৰ ফালি, পাহাৰে পাহাৰে মেঘ আৰু কঁুৱলীৰ ধ্বংস নামি অহা সকৰুণ দৃশ্য দুচকুত সানি নিবাৰণ ডাক্তৰ উভতি আহি জুহালে গৰম কৰা কোঠালিত সোমাল আৰু দীৰ্ঘশ্বাস এৰিলে। "ল'ৰাটোৱে ভাল পাইছে মাষ্টৰ। কাইলৈ সি উঠি ফুৰিব পাৰিব। গীৰ্জাত কাৰোবাৰ বেচ জাকজমক বিয়া এখনৰ আয়োজন কৰিছিল।" কৈ কৈ ডাক্তৰে মাষ্টৰৰ পৰা টেলিগ্ৰামখন সহাস্যে ললে আৰু হাতৰ বেগটো থৈ গভীৰ প্ৰশান্তিত সেইখন খুলি ললে। মাত্ৰ এটা বছৰ আগতে তাৰ চেনেহী মাতৃৰ বিয়োগ হৈছিল। দুৰাৰোগ্য কৰ্কট ৰোগত ছটা মাহ ভুগি দুদিন আগতে তাৰ পিতৃদেৱো ঢুকাল। কোঠাটোৰ কঠিন কাৰুণ্যখিনি ধোৱা হৈ তিনিজন ডেকাৰ মুখত ওলমি ৰ'ল। সমগ্ৰ কোঠালি প্ৰচণ্ড শীতভৰা কঁুৱলী আৰু মেঘ সোমাই আহি আটাইৰে তেজ পানী গোট মাৰি পেলালে।

●●●

টাইলাৰে কৈছে: "পশুৱেই হ'ল মানুহৰ গাত থকা সচৰাচৰ গুণৰ স্বৰূপ প্ৰকাশক; মানুহক যে আমি বাঘ, সিংহ, ভালুক, কুকুৰ, শিয়াল, কাউৰী, ফেঁচা, ভাটৌ, সাপ আদি নাম দিওঁ, এইবোৰে এনে একোটা পদতে মানুহৰ বহুখিনি মূল চৰিত্ৰ প্ৰকাশ কৰে।"



# আধাদজন বুলগেৰিয় কবিতাৰ স্তৱক:

অনু:— ৰুক্মিনী কলিতা
প্ৰা: বি: ১ম বাৰ্ষিক

১। এটি মাথো বুলেট, তাৰ পিচত কীটৰ খাদ্য
অত্যন্ত সহজ সৰল এই পৰিণতি।
হে দেশবাসী, তোমালোকক ভাল পাওঁ মই সেয়ে
ধুমুহাৰ সৈতে মই আহিম আকৌ।
[ কবি নিকোলা ভাপৎসাৰোভ (১৯০৯-৪২)
এ মৃত্যুৰ দুঘণ্টা আগে আগে লিখা কবিতা)

২। জেলখানা, এই দেৱালৰ পিচত
নিস্তব্ধ আন্ধাৰ চুৰি কৰি পলায়,
সবুজ ঘাঁহৰ মৰ মৰণি,
ঝিলি পোকে মাতে,
ৰুটি লৈ কাৰবাৰ অপেক্ষা
ৰাতিয়ে ফোপাই থাকে।
বিশাল আকাশ দুলি থাকে।
[ কবি-ইভান পেইচেভ ]

৩। ধুমুহাৰ গতিত আগুওঁৱা যুজাৰুৰ দল
তোমাৰ যাত্ৰাৰ গতিপথত,
লক্ষ মানুহে আশা পালিছে,
ৰঙীণ আশা জ্বলাই বুকুত।
মুষ্টিবদ্ধ হাত তুলি আকাশলৈ, সমগ্ৰ বিশ্বই
দিয়ে আশীৰ্ব্বাদ।
লক্ষ মনত জাগে শিহৰণ, শুনি তোমাৰ
বিজয় নিনাদ।
[ কবি হৰ্স্তো স্মিৰেনস্কি ]

৪। ক্ষন্তেক ৰ'বা সূৰ্য্য!
মই যে নহয় প্ৰস্তুত
আগত ৰাতিৰ বাবে,
মোৰ দিন শেষ হোৱা নাই এতিয়াও।
চেতনাৰ সৈতে বুজা পৰা এতিয়াওঁ বাকী
বিশ্ৰামৰ অৱকাশ ক'ত এতিয়া?
[ কবি-এলিজাভেতাঁ বাগ্ৰিয়ানা ]

৫। স্বপ্ন নেদেখো মই অমৰ হোৱাৰ
কিম্বা পুষ্পাকীৰ্ণ পথ।
বস্ত্ৰ লাগে মাথো দেহত শীতৰ দিনত!
মৃত্যুহীন হৈ যাক সহস্ৰ বছৰ
গঢ়িছো যিখিনি মই নিজে ইয়াত
[ কবি পেণিও পেনেভ ]

৬। ঈশ্বৰ নিপাত যাক্!
আকাশৰ অনন্ত সেতুয়েদি
টানি আনিম তললৈ
বিশাল পৃথিবীলৈ
স্বৰ্গপৰী।
[ কবি— গেও মিলেভ ]

●●

RANGIA COLLEGE LIBRARY
A.C.C. NO
Dt.
KAMRUP (ASSAM)

# বিবাহ সংস্কাৰ আৰু জাতি গঠনত শ্ৰীশ্ৰীঠাকুৰ

অধ্যাপক, হৰেন দাস

মানব কল্যাণৰ কাৰণে শ্ৰীশ্ৰীঠাকুৰে বাস্তৱভাৱে কৰণীয় বহুবাৰ নিৰ্দ্দেশ প্ৰদান কৰিছে। তাৰ ভিতৰত প্ৰধান বিবাহ সংস্কাৰ। আগৰ মহাপুৰুষ সকলে এই দিশত সিমান গুৰুত্ব দিয়াৰ প্ৰায়োজন অনুভৱ কৰা নাছিল; কিয়নো আজিৰ মানৱ সমাজত ব্যক্তিজীৱন অধিকভাৱে দোষযুক্ত হৈ পৰিছে। সাৰ্থপৰতা, পৰশ্ৰীকাতৰতা, ৰৃত্তিমুখৰতা, বিশাসঘাতকতা, কৃতঘ্নতাই ব্যক্তিজীৱন বিষময় কৰি তুলিছে। মানুহৰ অযোগ্যতা, অপৰাধ প্ৰৱণতা, বিকেন্দ্ৰীকতা, স্বল্পায়ু, শাৰিৰীক আৰু মানসিক অপটুতা, ৰোগ, ব্যাধি, নিৰ্ব্বুদ্ধিতা, মেধাহীনতা, চেতনাৰ জড়তা, অস্থিৰমতি, দ্বেষ, হিংসা, অশ্ৰদ্ধা আদি প্ৰকট হৈ পৰিছে। মানৱে ইয়াৰ পৰা ৰক্ষা পাব লাগিব। মানব জীৱন বেছি সুস্থ, সুন্দৰ, সমৃদ্ধ, সুসমঞ্জস, সুখকৰ, আনন্দময় হব লাগিব। ইয়াৰ বাবে বাস্তব কৰণীয় বা নীতিসমূহ পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰে 'বিবাহ বিধায়না' নামৰ কিতাপখনিত বিস্তাৰিতভাৱে আগবঢ়াইছে। যুগপুৰুষোত্তমৰ এই নীতি সমূহ বাস্তবত ৰূপায়িত কৰাৰ প্ৰচেষ্টাও মানুহৰ কল্যাণ আৱশ্যমভাবী। ইয়ে শ্ৰীশ্ৰীঠাকুৰৰ নীতি বা ধৰ্ম।

বিবাহ সংস্কাৰৰ ক্ষেত্ৰত কৰা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীশ্ৰীঠাকুৰে কৈছে যে বিবাহৰ ক্ষেত্ৰত ছোৱালীৰ সন্মতি লব পাৰি, ছোৱালীৰ ভিতৰত এতিয়াৰ পৰাই এটা সংস্কাৰ জন্মাই দিব পাৰি— বিবাহৰ আগেয়ে কোনো পুৰুষক husbandly ভ'ল পোৱাৰ পৰা বিৰত ৰাখিব লাগে, কোনো পুৰুষৰ সান্নিধ্যলৈ গৈ স্বামী নিৰ্ব্বাচন কৰিব দিব নালাগিব, ইয়াৰ পৰা কামৰ দ্বাৰা 'inclined' হব পাৰে। সকলো ক্ষেত্ৰতে জাতি, বৰ্ণ, বংশ, বিদ্যা, ব্যৱহাৰত যিজন শ্ৰেষ্ঠ, তেওঁৰ প্ৰতি শ্ৰদ্ধা সম্পন্ন হব লাগিব; ভক্তি আৰু প্ৰশংসাত হৃদয় অৱনত হৈ আত্মপ্ৰসাদ লাভ হলে তেনে শ্ৰেষ্ঠ পুৰুষত ছোৱালী দিব পৰা যায়। Mendel, weismann আৰু Galton — এই তিনিজন বৈজ্ঞানিকে তিনি ৰকমৰ বিভিন্ন বৈজ্ঞানিক পন্থা অবলম্বন কৰি Heredity ৰ অদ্ভুত



তথ্যবিলাক আবিষ্কাৰ কৰিছে। এই heredity বা বংশানুক্ৰমে দোষ-গুণৰ সঞ্চাৰ কি ধৰণে হৈ থাকে তাৰ বিধিবিলাক প্ৰতিষ্ঠিত কৰি পাশ্চাত্যৰ এজন বৈজ্ঞানিক Sir T. H. Morgan য়ে নোবেল পুৰস্কাৰ পাইছো উচ্চবৰ্ণৰ পুৰুষে নিম্নবৰ্ণৰ নাৰীক গ্ৰহণ কৰিব পাৰে ইয়াকে অনুলোম অসবৰ্ণ বিবাহ বুলি কোৱা হয়; কিন্তু উচ্চবৰ্ণৰ (Social class) বা জাতিৰ (race) স্ত্ৰীয়ে নিম্নবৰ্ণৰ পুৰুষক বিয়া কৰালে তাক প্ৰতিলোম অসবৰ্ণ বিবাহ বুলি কোৱা হয়— তাৰ দ্বাৰা চণ্ডাল প্ৰভৃতি অপধ্বংসজা জাতিৰ সৃষ্টি হয়। আধুনিক সু-প্ৰজানন বিজ্ঞানৰ মতে (Science of Engenics) যি সকলে প্ৰতিলোম বিবাহৰ সমৰ্থন কৰে সেইওঁলোকেই অন্ত্যজ হৰিজনৰ সৃষ্টি কৰে। প্ৰতিলোম বিবাহৰ কুফল সম্পৰ্কে শ্ৰীশ্ৰীঠাকুৰৰ বাণী হ'ল—

"প্ৰতিলোমে কুত্ৰৰ জনম
ৰাষ্ট্ৰ সহ জাতিৰ যম।"

গতিকে অসিদ্ধ বিবাহৰ যোগেদি এটা সুজাতি কামনা কৰিব নোৱাৰি। দেশৰ সকলোতেই আজি অবিশ্বাস, অশ্ৰদ্ধা আৰু বিশ্বাসঘাটকতা বিৰাজমান। দেশৰ এই শোচনীয় অৱস্থা দেখিলে স্বীকাৰ কৰিব লাগিব যে দেশত সু-সন্তানৰ অভাৱ। বৰ্ত্তমান সমাজত ঠিক ঠিক ভাবে বিবাহ সম্পন্ন নোহোৱা বাবেই দেশৰ এই শোচনীয় অৱস্থা। এয়া হ'ল প্ৰতিলোম বিবাহৰ ফল। প্ৰতিলোম বিবাহৰ কুফল সম্পৰ্কে শ্ৰীশ্ৰীঠাকুৰে সকলোকে সতৰ্ক কৰি দি কৈছে—

"পুৰুষ নাৰী সবাই শোন
কোন প্ৰকাৰ প্ৰতিলোমে
বিয়ে বা গমন ক'ৰো নাকো
ক'ৰোনা পুষ্ট কুটিল যমে।
অতি সুন্দৰ অটুত প্ৰাৰ্থী
প্ৰাপ্তি প্ৰীতি যদিও হয়
দূৰেই থেকো এগিও নাকো
ৰাষ্ট্ৰ সমাজ ওতেই ক্ষয়।"

শ্ৰীশ্ৰীঠাকুৰক প্ৰশ্ন কৰা হৈছিল যে আজিকালি উচ্চ আৰু নিম্নজাতি বা বৰ্ণৰতো কোনো ক্ষেত্ৰত বাচবিচাৰ নাই আৰু অবাধ মিলাপ্ৰীতিত যি প্ৰণয় হয় তাকেইতো সভ্য বিবাহৰ একমাত্ৰ জগতে মাপকাঠি বা আদৰ্শ হিচাবে গ্ৰহণ কৰিছে। শ্ৰীশ্ৰীঠাকুৰে উত্তৰ দিছিল যে যিবিলাক মানুহৰ 'Lower cultural heredity আছে সিহঁতে যদি with regard higher cultural heredity ৰ সৈতে মিলামিচা নকৰে তেনেহলে সিহঁতৰ ভিতৰত higher culture আহিব নোৱাৰে আৰু "mixing" যদি এনেভাৱে হয় যাতে "regard", "love" প্ৰভৃতি সৃষ্টি নহয়— তেতিয়া কোনো সুফলেই নহয়। বৰ্ত্তমান যুগৰ সভ্যতা, শিক্ষা, সমাজ ব্যৱস্থাই আৰ্য্যকৃষ্টিৰ এই গভীৰ ধাৰণাবিলাক প্ৰতি মানুহৰ দৃষ্টি হীন কৰি পেলাইছে। আজিৰ মানুহে প্ৰকৃত জ্ঞানৰ প্ৰতি উদাসীন হৈ পৰিছে।

ব্যভিচাৰিণী বা বহুপুৰুষৰ সংস্পৰ্শনৈ অহা তিৰোতাক লৈ সুখে-শান্তিৰে ঘৰ-সংসাৰ চলোৱা স্বামীৰ পক্ষে বেছিভাগ ক্ষেত্ৰত কণ্টকৰ হোৱা দেখা যায়। ব্যভিচাৰিণী নাৰীৰ মন বহিৰ্মুখ হৈ পৰে। কথাই কথাই পুৰুষৰ সৈতে তৰ্ক কৰাৰ প্ৰৱৃত্তি জন্মে। ফলত স্বামীৰ সংসাৰ অসাৰ হৈ পৰে। অনেক ক্ষেত্ৰত বিবাহ-বিচ্ছেদ ঘটি যায়। বিবাহ-বিচ্ছেদ সামাজিকভাৱে ক্ষতিকৰ। প্ৰভু যীশুই Sermon on the mountত কৈছে—

"When man takes a wife
They are no longer two;
Thier bodies are made into one.
So don't divorce
Break not apart,
Undoing what father has done."

কিন্তু আজিৰ যুগৰ স্ত্ৰীস্বাধীনতাৰ ক্ষেত্ৰত স্বামী-ভক্তিৰ মহান আদৰ্শৰ মূল্যবোধ অধিক ক্ষেত্ৰত কমি যোৱা যেন লাগে। স্বামীৰ সেৱা শুশ্ৰূষাৰ বাবে সময় নোহোৱা হৈছে। কামনা-বাসনাক চৰিতাৰ্থ কৰিব পাৰিলেই সকলো হ'ল বলি ধাৰণা হৈছে। বিবাহ-বিচ্ছেদৰ পিচত নাৰীৰ আকৌ বিবাহ দেখা যায়; কিন্তু তাৰ বিষক্ৰিয়া সমাজত কেনেদৰে প্ৰতিফলিত হয় তাকে শ্ৰীশ্ৰীঠাকুৰে তেখেতৰ বাণীত কৈছে—

"পরিত্যক্তা স্ত্রী নিঃসন্তনা হয়ে থাকে—
তা'ও বরং ভাল,
কিন্তু পুনর বিবাহের দ্বরা
জনন-সম্পাদকে শীর্ণ ও সংকীর্ণ করা
কিছুতেই উচিত নয়,
কারণ, ঐ সঙ্কীর্ণ জনন-প্রাদুর্ভাবই
জনগনকে সঙ্কট সঙ্কুল ক'রে তোলে,
আর, জৈবী-সংহতির শ্লথ-সংগঠন হেতু
শারিরীক ও মানসিক অপচয়ী ক্রম
পদক্ষেপে
তা'রা অব্যবস্থ
এবং রোগ মননীয় হ'য়ে ওঠে।"

এতিয়া মূল কথা হ'ল পুৰুষ-নাৰী উভয়ৰে আদৰ্শ বা ইষ্টৰ প্ৰতি অটুত টান থাকিব লাগিব। তেতিয়া সু-প্ৰজনন সম্ভৱ। শ্ৰীশ্ৰীঠাকুৰৰ বাণীত আছে—

(১) "স্বামীর প্রতি টান যেমনি
ছেলেও পায় জীবন তেমনি।"
(২) "স্বামীর ঝোঁকে ছুটলে নারী
শ্রেষ্ঠ ছেলের মা,
ইষ্ট ঝোঁকে ছুটলে পুরুষ
প্রজ্ঞা অনুপমা।"

বহু বিবাহ সম্পৰ্কে শ্ৰীশ্ৰীঠাকুৰক প্ৰশ্ন কৰা হৈছিল। উত্তৰত শ্ৰীশ্ৰীঠাকুৰে কৈছিল যে সহন আৰু বহনযোগ্য উপযুক্ত বিবাহৰ পৰা পুৰুষৰ শ্ৰদ্ধাবনত স্তুতিদীপ্ত সেৱা আৰু প্ৰতিষ্ঠা-প্ৰয়াসোদবুদ্ধ বহুনাৰী গ্ৰহণত



সংস্কাৰ বা instinct বাহী প্ৰজনন ক্ষমতাও বেছি হৈ থাকে। তাৰফলত জনগণৰ বহু সৃষ্টি হৈ সমাজ আৰু জাতিক উন্নত নিয়ন্ত্ৰণত অক্ষুন্ন আৰু অবাধ উন্নত চলনত চলাই যাব পাৰে। এজন সৎপুৰুষে বহু সৎনাৰীৰ পানি গ্ৰহণ কৰিব পাৰে। জাতি এটাৰ কাৰণে সু-সন্তানৰ আৱশ্যক। এই কথা সমৰ্থন কৰিছিল Professor Von Ehrenfelsয়েও। তেওঁ কৈছিল, "The adoption of polygamy is necessary for the preservation of the Aryan race."

নাৰী-পুৰুষ উভয়ে জাতিটোৰ কথা ভাবিব লাগিব। ইষ্টজনৰ আদৰ্শত উভয়ে আদৰ্শান্বিত হব লাগিব। নাৰীৰ ভুমিকা জাতি গঠনত অধিক গুৰুত্বপৰ্ণ। জন যিমানেই উন্নত হব জাতিও সিমানেই উন্নত হব। এই ব্যক্তি নিয়ন্ত্ৰণৰ কাৰণেই শ্ৰীশ্ৰীঠাকুৰে জনে জনে যজন, যাজন, আৰু ইষ্টভৃতিৰ প্ৰবৰ্ত্তন কৰিছে। শ্ৰীশ্ৰীঠাকুৰৰ আদৰ্শ এনেভাৱে প্ৰতিষ্ঠা কৰিব লাগিব যাতে সমাজত প্ৰতিলোম বিবাহ ঘটিব নোৱাৰে। প্ৰতিজন মানুহ যাতে পিতৃকেন্দ্ৰিক, মাতৃকেন্দ্ৰিক আৰু আচাৰ্য্য কেন্দ্ৰিক হয় তাৰবাবে শ্ৰীশ্ৰীঠাকুৰৰ ভাবধাৰাক ঘৰে ঘৰে প্ৰতিষ্ঠা কৰিব লাগিব। নাৰীৰ সহজাত গুণ যেনে ধৰ্ম, নিষ্ঠা, সেৱা, শুশ্ৰূষা-সাহায্য আৰু প্ৰেৰণা—এই গুণবিলাক নাৰী চৰিত্ৰত ফুটাই তুলিব লাগিব যাতে নাৰীৰ সংস্পৰ্শলৈ আহি পুৰুষে শ্ৰেয়ৰ ফালে অগ্ৰসৰ হব পাৰে। বৰ্ত্তমান যুগ-সমস্যাৰ সমাধানকাৰী সৰ্ব্বপৰিপূৰক যুগপুৰুষোত্তম পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূল চন্দ্ৰই যিবিলাক নিৰ্দ্দেশ দি গৈছে, শ্ৰদ্ধা সহকাৰে সেইবিলাক উপলব্ধি কৰি প্ৰত্যেকেই যদি নিজৰ চৰিত্ৰ আৰু চলন নিয়ন্ত্ৰণ কৰে তেতিয়াহে এটি আদৰ্শজাতি গঠন সম্ভৱ হব। সেয়া নহলে অন্যপথ আৰু নাই। "বন্দে পুৰুষোত্তমম্"

●●●

ৰামানুজই কৈছে: যি মানুহে অকল পৰমেশ্বৰৰ ফলীয়া হৈ কাম কৰাৰ কাৰণে দৃঢ় প্ৰতিজ্ঞ হৈ কাম কৰে; ঈশ্বৰে তেওঁলোকৰ অন্তৰত যি কামৰ জৰিয়তে তেওঁক পাব পাৰি আৰু যি কাম মঙ্গলময়; তেনে কামৰ প্ৰতি প্ৰীতি জন্মায়। কিন্তু যি মানুহ সম্পূৰ্ণ ঈশ্বৰ বিৰোধী হৈ চলিব খোজে, তেনে মানুহৰ অন্তৰত তেওঁক পোৱাৰ বাটত থকা অপায়-অমঙ্গল আৰু পতিত কৰিবৰ কাৰণে দৰকাৰী কামৰ প্ৰতি স্পৃহা জন্মাই শাস্তি বিধান কৰে।"

# গোহাৰি

শ্ৰীধৰণীধৰ দাস
প্ৰাক্ বিঃ, প্ৰথম বাৰ্ষিক

বন্ধু! তুমি অৱহেলিত জনতাৰ নিনাদ শুনা নাই?
মই হলে শুনিছোঁ।
শুনাচোন তুমিও কান পাতি
তুমিও শুনিবা সিহঁতৰ কৰুণ বিননি,
সিহঁতৰ লক্ষ্য একমাত্ৰ জীয়াই থকাৰ,
সিহঁত আজি অৱহেলিত
এধানিমান উপদেশৰ, এষাৰি মাতৰ
আজিৰ পৰিস্থিতিত সিহঁত মুমূৰ্ষু।
হে বন্ধু! তুমিও আজি সিহঁতক সমবেদনা জ্ঞাপন কৰা।
তুমিও সংকল্পবদ্ধ হোৱা
সিহঁত মানুহৰ দৰে জীয়াই থাকক,
বলা বন্ধু; সিহঁতৰ কাতৰ গোহাৰি ৰক্ষা কৰোঁ
সিহঁতৰ অৱহেলিত জীৱনৰ হেঙাৰদাল
আঁতৰাই দিওঁ,
সেয়ে হব মুক্তিকামী জনতাৰ—
দুৰ্লংঘ্য বন্ধন মুক্তিৰ ভবিষ্যত আশাৰ
ৰেঙনিৰ মিঠা অতীত।

●●●



গীদ্য মোঁপাচা : যি বছৰ খ্যাতনামা ফৰাচী সাহিত্যিক বালজাকৰ মৃত্যু হয়, সেই বছৰতেই গীদ্য মোঁপাচাৰ জন্ম হয়। ১৮৮০ চনত ৩০ বছৰ বয়সৰ পৰা ১৮৯০ চনলৈকে তেওঁ একখণ্ড কবিতা সংগ্ৰহ, তিনিখণ্ড ভ্ৰমণ চিত্ৰ সংগ্ৰহ, ৩০০ গল্পৰে ১৬ খন গল্পপুথি, ছখন উপন্যাস, এখন কমেডি কাব্য ৰচনা আদি অসংখ্য সাহিত্য সৃষ্টি কৰি থৈ যায়। তেওঁৰ প্ৰতিটো সৃষ্টিয়েই একোটা কালজয়ী সাহিত্য কীৰ্তি। জীৱনৰ শেষ ওঠৰটা মাহ পগলা ফাটেকত কটোৱাৰ পিচত মাত্ৰ ৪৩ বছৰ বয়সত ১৮৯৩ চনত গই প্ৰযত্নশীল কাৰুশিল্পীজনৰ মৃত্যু হয়।

---

# কবৰ খানা

শ্ৰীগিৰিধৰ কলিতা
প্ৰাক্ বিঃ, প্ৰথম বাৰ্ষিক

১৮৮৩ চনৰ ৭ জুলাই। সময় চলপুৱা আঢ়ৈ বজা। কবৰ খানাৰ শেষ প্ৰান্তত ...ৰু ঘৰটোত বিজিয়াৰ্চ কবৰ ক্ষেত্ৰৰ ৰক্ষকে ...তেওঁৰ ৰান্ধনী ঘৰত বন্ধা কুকুৰৰ আৰ্ত ...চিৎকাৰত সাৰ পাই উঠিল। তেওঁ দ্ৰুত ...মি আহি দেখিলে যে দুৱাৰৰ বাহিৰত ...কোনো ৰহস্যৰ সন্ধান পাই কুকুৰটোৱে ...ভেউ ভেউ কৰি আছে। কবৰ খানাৰ ৰক্ষক ...ভিনচেণ্ট তেওঁৰ বন্দুকটো লৈ সাৱধানে ...অগ্ৰসৰ হ'ল।

তেওঁৰ কুকুৰটো জেনেৰেল বনেটচ্ এভিনিউৰ ...ফালে দৌৰিবলৈ ধৰিলে আৰু মাদাম তামাই-...সৰ সমাধিৰ ওচৰত আহি উপস্থিত হ'ল। অতি সন্তৰ্পণে আগুৱাই কবৰ ৰক্ষকে ম্যালেন ভাৰ্চ এভিনিউৰ ফালে মৃদু গোহৰ দেখিবলৈ পালে। কবৰবিলাকৰ মাজেৰে আগুৱাই গৈ দেখিলে তাত এক ভয়ংকৰ অপবিত্ৰ কাম হ'বলৈ ধৰিছে। এজন যুৱকে সদ্য কবৰস্থ এক যুৱতীৰ মৃতদেহ বাহিৰলৈ উলিয়াইছে। মাটিৰ ওপৰত জ্বলিছে চিমিকি চাকি এটি। ভিনচেণ্টে দুৰ্বৃত্তক ঘুচি মাৰি ধাৰাশায়ী কৰিলে আৰু তাক বান্ধি থানালৈ লৈ আহিল।

যুৱকজন চহৰৰ এক ধনী সম্ভ্ৰান্ত আইনজীৱি। তেওঁৰ নাম কোৰব্যাতাইলে। তেওঁৰ বিচাৰ হ'ল। চৰকাৰী উকিলে তেওঁৰ জঘন্য কামৰ বৰ্ণনা

কৰিলে। দৰ্শকসকল উত্তেজিত হৈ উঠিল। আদালতত বিচাৰক উপস্থিত হোৱাৰ লগে লগে তেওঁলোকে চিৎকাৰ কৰি উঠিল—"তাক ফাঁচি দিয়ক, আমি তাৰ মৃত্যু বিচাৰোঁ।" আদালতত শান্তি প্ৰতিষ্ঠা কৰা বিচাৰকজনৰ পক্ষে অসুবিধাজনক হৈ পৰিল। অলপ পিচতে বিচাৰপতিয়ে গম্ভীৰভাৱে ক'লে—"আচামী, তুমি তোমাৰ হৈ কিবা ক'বলৈ বিচৰানে ?"

কোৰব্যাতাইয়েই কোনো উকিলৰ সহায় নিবিচাৰিলে। তেওঁ উঠি থিয় হ'ল। তেওঁ এজন সুশ্ৰী যুৱক, সুগঠিত শৰীৰ আৰু দৃঢ় স্বাস্থ্যৰ অধিকাৰী। তাৰোপৰি তেওঁৰ চকুহালত ভয়ৰ কোনো চিন নাই। উপস্থিত জনতাই হিচ্‌হিচাই উঠিল। যুৱকজনে তাত বিচলিত নহ'ল। তেওঁ কবলৈ আৰম্ভ কৰিলে। প্ৰথমে তেওঁৰ কণ্ঠস্বৰ কিছু কৰ্কশ আৰু মৃদু হলেও ক্ৰমশঃ ই উচ্চ হ'ল—"ধৰ্মাৱতাৰ, জুৰী ভদ্ৰমহাশয়সকল! মোৰ অলপমানহে কবলগীয়া আছে। যি গৰাকী মহিলাৰ কবৰ মই খান্দিছিলো তেওঁ মোৰ স্ত্ৰী আছিল। মই তেওঁক ভাল পাইছিলো। এই ভালপোৱা আছিল বিশুদ্ধ, উন্মত্ত আবেগপূৰ্ণ। কোনো ধৰণৰ হৃদয়বত্তাবশতঃ অথবা যৌন আবেগ ইয়াৰ মূলতঃ নাছিল।

তেতিয়া হ'লে মোৰ বক্তব্যৰ বিষয় শুনক, যেতিয়া প্ৰথম তেওঁক মই দেখিছিলো মোৰ এক অভূতপূৰ্ব অনুভূতি হৈছিল। এই অনুভূতি বিস্ময়ৰ নাছিল, শ্ৰদ্ধাৰ নাছিল, আনকি আমি যাক প্ৰথম দৰ্শনত প্ৰেম বুলি কওঁ, সেইটোও নাছিল। ই আছিল এৰ আনন্দৰ অনুভূতি, মোৰ অনুভূত হৈছিল যে মই গৰম পানীত গা ধুইছো। তেওঁ খোজে মোক আকৰ্ষণ কৰিছিল, মাত হৈছিলো মোহিত, তেওঁৰ বিষয়ে যিকোনে চিন্তাই মোক অসীম আনন্দ দিছিল। মো ধাৰণা হৈছিল যেন তাৰ আগতে মই তেওঁ কৱৰাত দেখিছিলো, তেওঁ মোৰ অনেক পু চিনাকি। ধাৰণা হৈছিল তেওঁৰ ভিতৰ মই বহু পৰিমাণে প্ৰকাশমান। সমগ্ৰ জী নত যি শক্তিয়ে মোক আশাবাদী কৰি তো ই আছিল তাৰ স্পষ্ট উত্তৰ।

তেওঁৰ লগত পৰিচয়ত অক্ৰমাণ গ হৈ উঠাৰ লগে লগে তেওঁক দেখাৰ ব উন্মাদ হৈ উঠিছিলোঁ। তেওঁৰ হাতত ধৰি লাভ কৰিছিলো এক অনাস্বাদিত আন তেওঁৰ মুখত হাঁহি দেখিলে মোৰ চকু জ পৰিছিল। মন গৈছিল দৌৰ মাৰো, ন দিওঁ অথবা মাটিত বাগৰি দিওঁ।

ইয়াৰ পিচত আমি লগ হৈছিলো কিন্তু ইয়ে যথেষ্ট নহয়, তেওঁ আছিল মে জীৱন। বস্তুতঃ তাতকৈ পৃথিবীত অ অধিক আশা কৰা নাছিলো, ইচ্ছা ক নাছিলো, বিচৰাও নাছিলো।

অ' এদিন সন্ধিয়া যেতিয়া আমি দ নদীখনৰ ধাৰত খোজ কাঢ়িছিলো, তেতি বৰষুণ দিছিল। তেওঁ খুব ঠাণ্ডা পাইছি পিচদিনা তেওঁৰ নিউমোনিয়া হ'ল জ আঠদিন পিচত তেওঁৰ মৃত্যু হ'ল। তেও মৃত্যুৰ সময়ত মই ইমানে বিস্ময়াভিভূ আৰু সন্ত্ৰষ্ট আছিলো যে মই এ বুজিব বা ভাবিব পৰা নাছিলো



তেওঁৰ মৃত্যুত হতাশাত মই ইমানেই মূক হৈ গৈছিলো যে কিবা চিন্তা কৰিবলৈ গৈ মই ব্যৰ্থ হৈ গৈছিলো। মই খুউব কান্দিছিলোঁ।

তেওঁক কবৰ দিবৰ সময়ত মই নিদাৰুণ মৰ্মবেদনা অনুভৱ কৰিছিলো। এই যন্ত্ৰণা আছিল দৈহিক যন্ত্ৰণাৰ সম। তেওঁ গুচি গ'ল। তেওঁক কবৰ দিবৰ সময়ত যি মানসিক যন্ত্ৰণা মই পালো, ই যেন মোৰ ভালপোৱাৰ উচিত পুৰস্কাৰ।

ইয়াৰ পিচৰ পৰা মই আৰু তেওঁক দেখা নেপাম, এই ভাবনাই মোক আচ্ছন্ন কৰিলে। সমগ্ৰ দিন এই চিন্তাই মোক উন্মাদ কৰি পেলালে। এবাৰ ভাবি চাওঁক, যাক আপুনি প্ৰাণ ভৰি ভাল পাইছিল, যি আছিল অনন্যা, সমগ্ৰ পৃথিবীত যাৰ তুলনা নাই, তেওঁ এতিয়া শুই আছে। তেওঁ নিজকে এতিয়া বিলাই দিছে, আপোনাৰ লগত গঢ়ি উঠিছে এক নিবিড় সম্পৰ্ক যাক আমি প্ৰেম বুলি কওঁ। যাৰ দৃষ্টিৰ প্ৰসাৰতা মহাশূণ্যতকৈও ব্যাপক, পৃথিবীতকৈও মধুৰ। দুই চকুৰ দৃষ্টিত যাৰ হাঁহি। যাৰ মৌ-বৰষা মাতত আপুনি মহাসাগৰত ডুবি থাকে।

অথচ এবাৰ ভাবকচোন যে তেওঁ নাই। তেওঁ আপোনাৰ চকুৰ আগৰ পৰা, সকলোৰে ওচৰৰ পৰা চিৰদিনৰ বাবে অন্তৰ্দ্ধান হৈছে। তেওঁ মৃতা। আপুনি মৃত্যু শব্দটোৰ অৰ্থ বুজি পায়নে ? নহয়, নহয়, তেওঁ কেতিয়াও ঘূৰি নাহিব। তেওঁ নাই, তেওঁৰ সন্ধানী দৃষ্টিও নাথাকে। তেওঁৰ মাত চৰাইৰ কণ্ঠস্বৰৰ লগত নিমিলে, তেওঁ আৰু কথা নকয়। তেওঁৰ মুখখনৰ অধিকাৰী কি আৰু জন্মিব ? ই কি সম্ভৱ ? নহয়, ই সম্ভৱ নহয়। ইয়াৰ পিচতো হাজাৰ হাজাৰ জীৱ জন্মিব, জন্মলাভ কৰিব অসংখ্য সুন্দৰী, কিন্তু তেওঁৰ সেই মুখ আৰু নেদেখিব। বস্তুতঃ এই চিন্তাই এজনক পাগল কৰি তোলে।

কুৰিটা বসন্ত তেওঁ উপভোগ কৰিছে, তাৰ পিচত তেওঁ চিৰ বিদায় লৈছে। তেওঁ মোক ভাবিছিল, তেওঁ হাঁহিছিল, তেওঁ মোক ভাল পাইছিল, কিন্তু হায়। এতিয়া আৰু একোৱে অৱশিষ্ট নাই। তেওঁৰ সেই সুন্দৰ মুখাবয়ৱ, উত্তপ্ত, কোমল শ্বেতশুভ্ৰ দেহটো আজি বাকচত বন্দী হৈ মাটিৰ তলত গচিব লাগিছে, আৰু তেওঁৰ আত্মা, তেওঁৰ মন, তেওঁৰ প্ৰেম এইবোৰ ক'ত ? তেওঁক যে আৰু দেখা নাপাম, কেতিয়াও নাপাম। মই কেৱল তেওঁৰ বিকৃত দেহটোৰ কথা ভাবিছো, যিটো দেহক এতিয়াও মই চিনি পাওঁ।

সেই বাবেই মই কবৰখানাৰ দেৱাল পাৰ হৈ গৈছিলো, লগত নিছিলো— কোৰ, চাকি আৰু হাতুৰী। তেওঁৰ কবৰৰ গাঁতটো সম্পূৰ্ণ পোতখোৱা নাছিল। মই কফিন বাকচৰ ঢাকনি খুলি পেলালো। আঃ কি বিশ্ৰী দুৰ্গন্ধ! আঃ আইৰিশ পুষ্পশয্যাৰ কি সুগন্ধ। তথাপি মই কফিনটো খুলি চাকিটো দাঙি ধৰিলো। তেওঁক দেখা পালো। তেওঁৰ মুখখনি নীলাভ, ফুলি উঠা গাল জঘন্য। তেওঁৰ মুখেদি ক'লা পদাৰ্থ বৈ পৰিছে। এইজনীয়েই কি তেওঁ! তেনেকুৱা যেন

সন্তুষ্ট হৈ পৰিলো। কিন্তু তথাপি তেওঁৰ চুলিত হাত ফুৰাই দানবীয় মুখখন মোৰ ফালৈ টানি তুলিলো। আৰু ঠিক এই সময়তে মই ধৰা পৰি গ'লো।

সমস্ত নিশা মই মোৰ প্ৰেয়সীৰ গাৰ সেই পঁচা গন্ধ নাকত লৈ কটালো, যেনেদৰে যৌন আলিংগনৰ পিচত কোনোৰে কোনো স্ত্ৰীৰ দেহৰ সুবাস পায়। ধৰ্মাৱতাৰ, আপোনাৰ যি মন যায়, মোক শাস্তি দিয়ক।"

সমগ্ৰ আদালত কক্ষত অদ্ভূত এক নিস্তব্ধতা বিৰাজ কৰিলে। জনতা যেন আৰু কিবাৰ কাৰণে অপেক্ষামান। জুৰীসকলৰ আলোচনাৰ কাৰণে ওচৰৰ ঘৰলৈ গ'ল। কিছু সময়ৰ পিচত তেওঁলোক উভতি আহিলতো আচামীৰ কোনো ভাবান্তৰ নহ'ল। তেওঁক নিৰ্ভয়, চিন্তাহীন দেখা গ'ল। চিৰাচৰিত প্ৰথাৰে বিচাৰপতিয়ে আচামীক জনালে যে— জুৰী মহাশয় সকলে তেওঁক নিৰ্দ্দোষ বুলি ৰায় দিছে। আচামীয়ে কোনো ধৰণৰ চঞ্চলতা প্ৰকাশ নকৰিলে। কিন্তু জনতা হৰ্ষধ্বনিৰে মুখৰিত হৈ উঠিল।

●●

মোপাঁসা ৰচনাৱলীৰ (জ্যোতি প্ৰকাশন, কলিকতা) বাংলাৰ পৰা অনুদিত। মূল গল্পৰ নাম "দ্যা টুম।"

# বিদেশী বহিস্কাৰৰ লিমেৰিক

অঞ্জলী শৰ্মা

১।। ৰেলত বোমা, পাইপত বোমা, ফুটে দিছপুৰত,
উগ্ৰ পন্থীয়ে ডাঙে মূৰ খণ্ডৰ কোবত।
কোনে বাৰু ফুটালে,
ঘৰে বাৰীয়ে চোতালে।
ভিক্টমসকলে কয় "চোৰ আপোন ঘৰত।"

২।। বিদেশী বহিস্কাৰ অসম কৰে পৰিস্কাৰ,
চি-আৰ-পি মিলিটাৰি ভৰে একাকাৰ।
মাক বাপেকে গুলি খায়,
পুতেক জীয়েক দিল্লী যায়।
অসমত ডিগ্ৰী লৈ নবঢ়ায় বেকাৰ ।।

৩।। গ্ৰেজুৱেটৰ ভয় নাই আকাল চাকৰি,
ভেন্চাৰত নহলে খুলিবা প্ৰাইমাৰী।
মাৰাৰ সোণ বিক্ৰী,
একাশীৰ ডিগ্ৰী।
বৰ বাবুক হাজাৰ দিবা হব চাকৰি ।।

৪।। টাউনীয়া মূলা ঘৰত পিন্ধে জীন্,
দেহাটোলৈ চাবা কি সাংঘাতিক খীন।
দেশপ্ৰেম কৰিবৰ,
বাধা বাৰু কিহৰ।
পিকেটিং কৰি চিনেমাহলত কটাই দিয়ে দিন ।।

৫।। বিদেশী খেদিমেই চৰকাৰে কয়,
বাস্তৱত এপদো আগ নাবাঢ়য়।
খুলি দিয়া তেল,
পিচত হব মেল।
ইকনমি ফেল কৰি আন্দোলন চলয় ।।

●●●



# উত্তৰ পূৰ্বাঞ্চলৰ জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰসংগত

তৰুণ শইকীয়া, প্ৰা. ছাত্ৰ

বৃহৎ জাতিসমূহৰ দালাল পুজিপতিসকলৰ দ্বাৰা যুগ যুগ ধৰি নিষ্পেষিত, উৎপীড়িত হোৱা ক্ষুদ্ৰ জাতিসমূহৰ ক্ষোভবোৰ এদিন তীব্ৰতৰ হৈ উঠে। এইটো ঐতিহাসিক সত্য। কাৰ্ল মাৰ্ক্সেও এই ক্ষুদ্ৰ জাতিসমূহৰ সমস্যাৱলীক সমৰ্থন কৰিছে। ৰজাঘৰীয়া, তথাকথিত বামপন্থীসকলেও নুই কৰিব নোৱাৰে যে এই শিক্ষা লৈ লেনিন-ষ্টেলিনেও ৰাছিয়াৰ ক্ষুদ্ৰ জাতিসমূহৰ মুক্তিৰ কাৰণে আঁচনি প্ৰস্তুত কৰিছিল। শোষিত জাতি এটাৰ সৰ্বাত্মক বিকাশে সমাজতন্ত্ৰৰ ভেটিত তীব্ৰ বৰঙণি যোগায়।

আয়াৰ্লেণ্ডত ইংৰাজসকলে কৰা শোষণ সম্পৰ্কে মাৰ্ক্সেও লিখিছিল— "Any nation that opposes another forges its own chain." আন্তৰ্জাতিক ভ্ৰাতৃত্বৰ পুথিগত ধ্যান ধাৰণাৰ দ্বাৰা পুষ্ট অসমীয়া বামবীৰসকলে অসমীয়া জাতিৰ সমস্যাৰ কথা শুনিলেই উচপ্ খাই উঠে। তেওঁলোকে এই সমস্যাৰ ক্ষেত্ৰত ক্ষোভৰ প্ৰকাশক প্ৰতিক্ৰিয়াশীল, বিচ্ছিন্নতাবাদী আদি কঠিন শব্দৰ দ্বাৰা বিভুষিত কৰে। বৃহৎ জাতিসমূহৰ চেপাখুন্দাত ক্ষুদ্ৰ জাতিসমূহে নিজৰ অস্তিত্ব হেৰুৱাবলৈ উপক্ৰম কৰা, শ্ৰেণী সংগ্ৰামৰ পৰিবৰ্তে শ্ৰেণী বৈষম্য বৃদ্ধি হোৱা কথাষাৰ এওঁলোকে পাহৰিছে। এই বামবীৰসকলৰ চকুৰ মণি মাৰ্ক্স, লেনিন ষ্টেলিনেও ক্ষুদ্ৰ জাতিসমূহৰ সমস্যাৱলীক স্বীকাৰ কৰি এওঁলোকৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰসংগত সচেতন হৈ বহুত পুথি পত্ৰ ৰচনা কৰিছিল।

বহুজাতিৰ দেশ ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ জাতিসমূহৰ ওপৰত ইমানদিন চলাই অহা তীব্ৰ শোষণৰ ফলত উদবুদ্ধ ক্ষোভৰ অগ্নি এতিয়া জ্বলিছে। জাতিসমূহৰ এই মুক্তিৰ জুইৰ বাৰুদে প্ৰত্যক্ষ সংগ্ৰামৰ আহ্বান দিছে। অসমত হিন্দু-মুছলমান আৰু ভিন্ন জনজাতীয় লোকসকলক লৈ আৰু উত্তৰ পূৰ্বাঞ্চলত বিভিন্ন ৰাজ্যৰ জাতিসমূহৰ গঠনৰ বাবে প্ৰাচীন কালৰে পৰা চলি অহা প্ৰক্ৰিয়াটোত সৰ্বভাৰতীয় ক্ষমতালোভী দালালসকলে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বাধা দি আহিছে। কথাৰ

ফুলজাৰিৰে সৰ্বহাৰাৰ সেৱা কৰা বামবীৰসকলৰ প্ৰকৃত চৰিত্ৰ উপলব্ধি কৰি জনসাধাৰণে ধুৰন্ধৰসকলৰ প্ৰচেষ্টা ব্যৰ্থ কৰিব লাগিব।

পূৰ্বাঞ্চলৰ বামপন্থীসকলৰ সৰহ ভাগেই (ক্ষমতাৰ যুজাঁৰুসকলে) জাতিসমূহৰ অনগ্ৰসৰতা দূৰীকৰণৰ হেতু উদবুদ্ধ আত্মনিয়ন্ত্ৰণৰ দাবীক অস্বীকাৰ কৰি তাক নানা অশোভনীয় শব্দেৰে অলংকৃত কৰাৰ উঁহ বিচাৰি চালেই গম পোৱা যায়— তেওঁলোকৰ ভোটৰ যোগেদি ক্ষমতা লাভৰ লালসা। অসমীয়া তথা অন্যান্য ক্ষুদ্ৰ জাতিসমূহৰ হৈ বলিষ্ঠ সংগ্ৰাম গঢ়ি তোলাৰ পৰিবৰ্তে ইয়াত তেওঁলোকে সাম্প্ৰদায়িক উচটনিৰ দ্বাৰা বিভেদ সৃষ্টি কৰাতহে ব্যস্ত। উত্তৰ পূৰ্ব্বাঞ্চলত থকা প্ৰায় ষাঠি সত্তৰ লাখ অভাৰতীয়ৰ ভোটবোৰ হেৰুৱাৰ কামনা এওঁলোকে নকৰে। সমষ্টিসমূহত সাম্প্ৰদায়িক বিভেদ সৃষ্টি কৰি বুৰ্জোৱা, সোপন্থী দলসমূহৰ লগত হাত মিলাই ৰাজনৈতিক ক্ষমতা লাভৰ বাবেই এওঁলোক অগ্ৰসৰ হব লাগিছে। এওঁলোকৰ ভূমিকা দৰাচলতে মন কৰিবলগীয়া।

বামপন্থী দালালসকলৰ সৈতে আমিও একমত যে অসমৰ পৰা বিদেশীসকলক বহিস্কাৰ কৰাৰ পিচতো অসমৰ আৰ্থসামাজিক সমস্যাৰ পৰিবৰ্ত্তন নহব। কিন্তু স্বীকাৰ্য যে বিদেশী তথা বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ ফলত উত্তৰ পূৰ্ব্বাঞ্চলৰ সকলোবোৰ দিশত এক গভীৰ সংকটে দেখা দিছে আৰু এই সমস্যাই সৃষ্টি কৰা বিশৃংখলাই ভয়াবহ ৰূপ লৈছে। ১০, ৪৪৭ বৰ্গ কিঃ মিটাৰৰ ত্ৰিপুৰাত ১৯৭১ চনৰ পাক্-ভাৰত যুদ্ধৰ সময়ত প্ৰবেশ কৰা পাক্ লোকসকলে বৰ্ত্তমান স্থানীয় চাক্মা, ৰিয়াং, জামতিয়া আদি সকলৰ লগত সংঘৰ্ষত লিপ্ত হৈ অত্যাচাৰ কৰিব লাগিছে। আনকি ত্ৰিপুৰী উপজাতিসকলক নিৰ্মূলৰ অভিযান চলাই প্ৰচুৰ বিদেশী আমদানী কৰি ভূমিপুত্ৰ সকলক চূড়ান্ত সংখ্যালঘু কৰা হল। অত্যাচাৰত অতীষ্ঠ ত্ৰিপুৰীসকলৰ বিদ্ৰোহক আজিৰ বামপন্থী সৰ্বভাৰতীয়সকলে ভীষণ চিৎকাৰসহ গালি গালাজ কৰিবলৈ ধৰিলে। আনকি ভাৰত চৰকাৰ, ত্ৰিপুৰাৰ চি-পি-এম চৰকাৰ আৰু বঙালী সকলৰ তিনি চক্ৰ লগ লাগি ত্ৰিপুৰী সকলক সমূলঞ্চে নিৰ্মূল কৰাৰ অভিযান আজিও চলি আছে। বামপন্থীসকলৰ শ্লোগান আৰু কৰ্মৰ সামঞ্জস্যই বা ক'ত? ত্ৰিপুৰা আৰু পশ্চিম বংগত চি-পি-এম চৰকাৰে সৰ্বহাৰা সকলক ৰাজসুখ দিছে নে বাৰু? প্ৰত্যক্ষ সংগ্ৰামৰ কথা কৈও সংসদীয় গণতন্ত্ৰক আকোৱালী লোৱা এই ক্ষমতালিপ্সু চৰকাৰে এই দুই ৰাজ্যত শ্ৰেনীহীন সমাজ গঢ়াত কিমান অগ্ৰসৰ হ'ল? বৰং গৰীব, কৃষক অসমীয়া আৰু ত্ৰিপুৰী সংগ্ৰামীসকলৰ ওপৰত এওঁলোকেই ষড়যন্ত্ৰ কৰি চি-আৰ-পি, মিলিটাৰি মেলি দি ভাই-ভনীসকলক পংগু আৰু ধৰ্ষণ কৰালে। আনকি জ্যোতি বসুৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি উত্তৰ বংগৰ লোকসকলেও বিদ্ৰোহ কৰিবলগীয়া হ'ল। স্থানীয় আদিবাসীসকলে শ্লোগান দিছে— "চাওঁতাল, মাহাতো ভাই, বাঙালীৰ ৰক্ত চাই।" নিজৰ অৰ্থ নৈতিক মুক্তিৰ বাবে সংগ্ৰামত ৰত হোৱা এই লোকসকলক তীব্ৰভাৱে দমন কৰি নিঃশেষ কৰি দিবলৈ যত্ন কৰা হৈছে।



সদৌ অসম ছাত্ৰ-সন্থা নামৰ বিদেশী বহিস্কাৰ আন্দোলনৰ গুৰি ধৰা সংগঠনটোৱে জনাইছে যে "অসমৰ সাংস্কৃতিক সভ্যতাৰ বিকাশৰ কাৰণে বৈচিত্ৰপূৰ্ণ বিভিন্ন জনগোষ্ঠীৰ ভাষা সংস্কৃতি অক্ষুণ্ণ ৰাখি ইয়াৰ আত্মবিকাশৰ কাৰণে প্ৰচেষ্টা চলাব লাগিব। তেতিয়াহে সম অধিকাৰৰ ভিত্তিত বিভিন্ন জনগোষ্ঠীৰ মহামিলন সম্ভৱ হব আৰু শান্তিপূৰ্ণ সমাজ গঢ়ি উঠিব।" এই আদৰ্শৰ ভেটিত গঢ়ি উঠা বিদেশী বহিস্কাৰৰ অহিংস আন্দোলনৰ পাৰ্শ্বজ্যোতিৰ ঘটনাৱলীক বাহানা হিচাপে নানান প্ৰতিক্ৰিয়াশীল চক্ৰই কুৎসা ৰটনা কৰিছে।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ কুৎখ্যাত ইয়াণ্ডাবু সন্ধিৰ পূৰ্ব মূহূৰ্তলৈকে অসম আৰু ভাৰতৰ কোনো অগংৰাজ্য সম্বন্ধ নাছিল। প্ৰায় বলপূৰ্বকভাৱে অভিসন্ধিমূলকভাৱে অসমক ভাৰতৰ লগত সাঙুৰী দিয়া হয় আৰু সেইদিন ধৰি অসমত উপনিবেশিক শোষণ বৰ্ত্তমান। নেহৰু পৰিয়াল হৈ পৰিছে অসমৰ বাবে এক বিভীষিকা, আৰ্তনাদ, ভীতিৰ কাৰণ।

সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰয়োজনীয় খনিজ শক্তিক অকলে যোগাব পৰা অসমৰ তিনিটা পুৰণা তেলশোধানাগাৰৰ শোধন ক্ষমতাৰ (১·৭৫ নিযুত টন) বিপৰীতে সুদূৰ বাৰাউনীত স্থাপিত শোধানাগাৰৰ শোধন ক্ষমতা ৩ নিযুত টন। অকল অসমৰ তেলেৰে ভাৰতবৰ্ষৰ পাঁচটা শোধানাগাৰ চলিছে আৰু অসমত এই খনিজ তেলৰ মূল্য অন্যান্য প্ৰদেশৰ তুলনাত সৰ্ব্বোচ্চ।

অন্যান্য ৰাজ্যৰ দৰে ঔদ্যোগীক জাগৰণ স্বাধীনতা লাভৰ ৩৪ বছৰ পিচতো অসমত নাছিল। চাহ, তেল, মৰাপাট, কয়লা, প্লাইউদ্ সাৰ আদি প্ৰচুৰ সম্ভাৱনাময় উদ্যোগ সমূহৰ পৰা অসম বঞ্চিত। ষড়যন্ত্ৰ মূলকভাৱে এই উদ্যোগসমূহ বাহিৰত স্থাপন কৰি, অসমৰে কেচাঁমাল নি অসমীয়া নিবনুৱাৰ সংস্থান বঞ্চিত কৰিছে। বছৰি ৩০৫০ কোটি টকাৰ সম্পদ কেন্দ্ৰীয় চৰকাৰে অসমৰ পৰা লুটি নি এই ক্ষুদ্ৰ ৰাজ্যখনক অনুগ্ৰসৰতাৰ অন্ধকাৰত পেলাই ৰাখিছে। প্ৰশ্ন হয়, অসম সচাঁকৈয়ে ভাৰতৰ অংগ ৰাজ্যনে, অসমীয়াসকল প্ৰকৃত ভাৰতীয় নে?

ভাৰতবৰ্ষত পুজিবাদী সমাজ ব্যৱস্থাই গঢ় লৈছে আৰু এই পৰাম্পৰাত ক্ষুদ্ৰ জাতি সমূহৰ মুক্তিৰ মাজেদি জাতীয় ঐক্য গঠন অসম্ভৱ। এই ক্ষেত্ৰত নিষ্পেষিত জাতিসমূহৰ সংঘবদ্ধপ্ৰচেষ্টাৰে পুজিবাদী শক্তিক ক্ষমতাচ্যুত কৰি তাৰ ঠাইত সমাজতান্ত্ৰিক শাসন প্ৰতিষ্ঠা সম্ভৱ। এনে কৰিবলৈ গণতন্ত্ৰ প্ৰেমীসকলে ক্ষুদ্ৰ জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক স্বীকাৰ কৰিব লাগিব। কিন্তু যিটো দেখা গৈছে সামন্তবাদীৰ দালাল ৰাজশক্তিৰ নেগুৰ বামপন্থীসকলে এই প্ৰক্ৰিয়া সফল হবলৈ নিদিয়ে। ভাৰতবৰ্ষত বাম মানেই আজি বঙালীসকলৰ জাতীয়তাবাদৰ হাতিয়াৰ হৈ পৰিছে।

স্বাধীনতা লাভৰ সময়লৈকে নগালেণ্ড-ভাৰতৰ কোনো সম্পৰ্ক নাছিল। সিদিনা ১৯৬৩ চনৰ ১ ডিচেম্বৰত নগালেণ্ডক ভাৰতৰ অংগৰাজ্য বুলি ঘোষণা কৰা হয়। এন এন-চিৰ মুৰব্বী জাপো আংগামী ফিজোৰ নেতৃত্বত ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰি বিদ্ৰোহ কৰা হয় আৰু এই বিদ্ৰোহ আজিও চলিছে। নগা-সকলৰ ক্ষোভ স্বীকাৰ কৰিবলৈ ব্লিট্‌জ কাকতৰ সাক্ষাৎকাৰত প্ৰকাশিত ফিজোৰ মন্তব্য জনা উচিত— "যেতিয়া বিদেশীলোক কিছুমান আহি আমাৰ লোকসকলক অত্যাচাৰ কৰিব, আমাৰ মাতৃ ভগ্নীসকলক ধৰ্ষণ কৰিব, তেনে ক্ষেত্ৰত আমি কিদৰে মনে মনে থকা সম্ভৱ? আমি ভাৰতীয়সকলৰ প্ৰতি যিমানে ভাল ব্যৱহাৰ দেখুৱাইছিলো, সিহঁতে সিমানে পশুত্ব দেখুৱাইছিল। সেয়ে আমি যুদ্ধৰ পথ বাচি লৈছিলো। নগা সৈন্যই যুদ্ধ কৰে, ভাৰতীয় সৈন্যই নুযুজে। যুজিলে মৰা পৰে। সিহঁতক কোনোৱে সহায় নকৰে। সিহঁত পৰাজিত হলে আমাৰ সহজ সৰল মাতৃ ভগ্নীসকলক ধৰ্ষন কৰি ঘৰ দুৱাৰ জ্বলাই দিয়ে। আমাৰ যুদ্ধ শেষ হোৱা নাই আৰু সদায় কওঁ "This is a problem which the government of India and the federal government of Nagaland must sit down and resolve together. We must see how it originated and after that I am sure a solution could be found."

অসমৰ জনসাধাৰণে যুদ্ধ কৰাৰ সন্মনি ধৰ্ষিতা, লাঞ্চিত, উৎপীড়িত হৈও অহিংস নীতিৰে তীব্ৰ আন্দোলন গঢ়ি তুলিছে। এই অহিংস আন্দোলন কিমান দিনলৈ সম্ভৱ? সফলতাৰ বাবে প্ৰয়োজনীয় ৰাজনৈতিক সচেতনতাৰ বাবে অসমৰ ২৬০০০ গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰে ঘৰে গৈ আমি আলচ কৰিব লাগিব আৰু ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰিব লাগিব। ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ তীব্ৰ আন্দোলন গঢ়ি তুলিবলৈ ধৈৰ্য্য, সাহস আৰু ত্যাগৰ তীব্ৰ প্ৰয়োজন।

বঙালী জাতীয়তাবাদৰ দালাল বামপন্থী-সকলে অসমীয়া খেতিয়কলৈ ভূমি বিতৰণ, ভূমিসংস্কাৰৰ দাবী নোতোলে, তুলিব লাগিব অসমীয়া ডেকাই। বিদেশীসকলক মাটি দখলৰ বাবে উদগনি দি তেওঁলোকে শ্ৰেণী সংগ্ৰাম গঢ়ি তুলিব। অসমৰ শোষিত কৃষক শ্ৰমিকৰ সৰ্বাত্মক মুক্তিৰ বাবে এজন গ্ৰামীন চহাৰ পৰা চহৰীয়া উচ্চ পৰ্য্যায়ৰ কৰ্মচাৰী লৈকে এদাল শিকলিত বান্ধ খাব লাগিব। স্বাৱলম্বী অভিযানৰ দৰে ক্ষন্তেকীয়া আবেগ লৈ এই কাম নহব, ইয়াৰ বাবে দীৰ্ঘদিনীয়া সংগ্ৰামৰ প্ৰয়োজন।

অসমৰ ওপৰত চলা কেন্দ্ৰৰ শোষণ, নিপীড়ন আৰু অৱহেলাৰ তালিকা বা লেখ-জোখ চাই আমি হতাশ হলে নচলিব। বিজ্ঞান ভিত্তিক কৰ্মসূচী প্ৰস্তুত কৰি প্ৰতিজন লোকে আত্মনিয়োগ কৰিলে অসম্ভৱো সম্ভৱ হব। গ্ৰামীন এলেকাক ভেটি হিচাপে লৈ ইয়াৰ বাধাবোৰক (ৰাজনৈতিক স্বাৰ্থলোভী ধূৰন্ধৰ সকল) নিঃশেষ কৰি আগবাঢ়ি যাব লাগিব।

সমগ্ৰ উত্তৰ পুৰ্ব্বাঞ্চলৰ গণঐক্য আৰু বিজ্ঞান ভিত্তিক দৃষ্টিভংগীৰে আমাৰ গণ-সংগ্ৰাম তীব্ৰতৰ কৰিব লাগিব আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰতিজন থলুৱা মানুহৰ ঘৰ চোতালত আমিয়েই জ্বলাব লাগিব সংগ্ৰামী চেতনাৰ জুই।

●●●

# আমি কাঠৰ মানুহ

নৃপেন কলিতা

দিন আমাৰ কাটি যায় সহজে,
শেষ হৈ নাহে আন্ধাৰ ৰাতিৰ দীন।

আমাৰ ৰাতি আৰু দিনৰ পাৰ্থক্যৰে গোধুলি পুৱাত
মাথো খাটনি, মগজু আৰু শীৰ্ণ দেহৰ।
নাই জিৰণি, এমুঠি ভাত, কিদৰে আতৰাওঁ
কান্ধৰ ওপৰৰ পৰা গধুৰ দুখৰ ভাৰ!

দীনহীন দিন শেষ হয় সহজে,
আতৰি পৰে সৌহাৰ্দ্দৰ সূৰ্য্য, নিৰিবিলি ৰাতিৰ সুখৰ
স্মৃতি আৰু দুখৰ ভৱিষ্যতৰ ভাবনাৰ নহয় শেষ।

আমি মাথো জীয়াই থাকো প্ৰস্তৰ কঠিন হাত আৰু
কান্ধত এবোজা বোজা লৈ,
ভৱিষ্যতৰ দিন গণি (আশাইতো ৰাখিছে জীয়াই)।

আমি মানুহ কাঠৰ, দিন আমাৰ নাহেহে নাহে
কাতি নাযায় ৰাতিৰ দুখ।

●●●

# ॥ এটা ভূমিকম্পৰ পৰিণতি ॥

শ্ৰীপ্ৰদীপ কলিতা

প্ৰাঃ বিঃ ১ম বাৰ্ষিক

দিনটো আছিল শুক্ৰবাৰ। শুক্ৰবাৰৰ দিনটো আলজেৰিয়াৰ চুটী দিন। শূণ্য অফিচ আদালত। মানুহে পুত্ৰ-পৰিবাৰ সহ চহৰৰ বিভিন্ন কাফে আৰু ৰেষ্টোৰাত ভীৰ কৰিছিল। বাটে ঘাটে শিশুৰ লুকাভাকু খেলাৰ আনন্দধ্বনি শুনা গৈছিল। হঠাৎ মাটি কঁপি উঠিল। কুৰিবাৰ এনেদৰে ঠৰ ঠৰ কৰি কপি উঠিল ভূমি। তাৰ পিচতে আলজেৰিয়াৰ আধুনিক চহৰ আল আচনাম পৃথিবীৰ বুকুৰ পৰা নিশ্চিহ্ন হৈ গ'ল। ১৯৫৪ চনত এটা ভয়াবহ ভূমিকম্পৰ পীড়া প্ৰতিক্ৰিয়া শেষ নহওঁতেই আকৌ ১৯৮০ চনটো আন এটা তীব্ৰতম ভূমিকম্প আলজেৰিয়াই সহ্য কৰিব লগাত পৰে।

পেৰু, চীন, ফিলিপাইনচ আদি দক্ষিণ আমেৰিকীয় আৰু পূৱ এচিয়াৰ দেশ সমূহে এনেদৰে মাজে মাজে তীব্ৰ ভূমিকম্পৰ ফলত অজস্ৰ ধন জনৰ ক্ষতি সহ্য কৰিব-লগীয় হয়। মাত্ৰ তিনিটা বছৰ আগতে চীনৰ চাংহাই চহৰখন মাটিৰ তলত পোত গৈছিল। চীন চৰকাৰে বহুদিন আগতেই ভূমিকম্পৰ ভৱিষ্যতবাণী কৰি সাৱধান কৰি দিছিল। গতিকে চাংহাই আৰু ওচৰৰ পাজৰৰ সমস্ত অধিবাসীয়ে ঘৰ-বাৰী এৰি পথাৰত মাজত চাউনি পাতি আছিল। পিচে নিৰ্দিষ্ট দিন পাৰ হৈ যোৱাৰ পিচতো ভূমিকম্প নোহোৱাত মানুহবোৰ পুণৰ ঘৰত সোমায়। আৰু তাৰ পিচতে এদিন চাংহাই চহৰ মাটিৰ তলত নিশ্চিহ্ন হৈ যায়। চীনৰ চৰকাৰী তথ্যমতে প্ৰায় ১০ লাখ লোক মৃত্যুমুখত পৰে আৰু কুৰি লাখ গৃহহীন আৰু আহত হয়। চীনৰ উদ্যোগীসকলে মাত্ৰ কেইটামান মাহৰ ভিতৰত বিধ্বস্ত চাংহাই চহৰ পুনৰ্নিৰ্মান কৰি উলিয়ায়।

১৯৫৪ চনত হোৱা তীব্ৰ কপনিতো আল-আচনামখন বিধ্বস্ত হৈ গৈছিল। কিন্তু এইবাৰৰ ক্ষতিৰ পৰিমাণ আছিল প্ৰায় চাৰি গুণ। ফৰাচী উপনিবেশ হিচাবে আলজেৰিয়াৰ প্ৰগতি আছিল অতিপাত শ্লথ। চহৰত ঘৰ-বাৰী কম থকাই প্ৰাণহানি আৰু ক্ষতিৰ পৰিমাণ যথেষ্ট কম আছিল। চেল্লিফ নদীৰ উপত্যাকা অঞ্চলত এই চহৰৰ বাণিজ্যিক গুৰুত্ব বেছি। গতিকে '৫৪ ৰ ভূমিকম্পৰ পিচত আল আচনামক নতুনকৈ গঢ়ি তোলা হয়। ঘৰবাৰী, উদ্যোগ, হস্পিতাল, স্কুল আদি পৰিকল্পিত ভাৱে সাজি আলজেৰিয়ান সকলে নতুন জীৱন আৰম্ভ কৰিছিল।

কিন্তু এই ভূমিকম্পই আল-আচনামৰ আধুনিক হস্পিতালৰ ৩০০ ৰোগী সহ পাঁচশ লোক ঘৰ বাগৰি নিঃশেষ হয়। চিল্ড্ৰেন পাৰ্ক, ৰেষ্টোৰা, কাফে, হোটেল আদি খহি পৰে। ২৫ বৰ্গ মাইল জুৰি হোৱা তীব্ৰ কঁপনিত ২৫০০০ লোক মৃত্যুমুখত পৰে। ৮০,০০০ লোক উদ্বাস্তু হয় গৈ। চহৰখনৰ শতকৰা আশীভাগ ধ্বস্ত হৈ যায়।

এই খবৰ বিস্তাৰ হোৱাৰ লগে লগে ইউৰোপৰ দেশসমূহে ব্যাপক সাহায্য পঠোৱা আৰম্ভ কৰে। চুইজাৰলেণ্ডৰ বিমান বাহিনীৰ বিশেষ উদ্ধাৰকাৰী দল, ফ্ৰান্স আৰু টিউনিচিয়াৰ ডাক্তৰী সাহায্য, বৃটেইন আৰু জাৰ্মানীৰ অত্যাৱশ্যকীয় সামগ্ৰী সমূহ, আটাইবোৰ আহত লোকক সহায়ত বিশ্বখ্যাত। দেশৰ সমস্ত হেলিকপ্তাৰ ব্যস্তহোৱাৰ স্বত্বেও টেলিসংযোগ বাট ঘাট ধ্বংস হোৱা বাবে উদ্ধাৰকাৰ্য্য তৎকালিক নহয়। সেয়ে ভূমিকম্পৰ সম্পূৰ্ণ দুদিন পিচতহে বুলদজাৰ আৰু ক্ৰেণলৈ প্ৰথমটো দল আল-আচনাম পায় গৈ। এই উদ্ধাৰকাৰী দল গৈ পোৱাৰ আগে আগে লুটপাত আৰম্ভ হয়। পৃথিৱীৰ লগত সম্পূৰ্ণ দুদিন সংযোগ বিহীন হৈ মানুহবোৰে পুত্ৰ-কন্যা স্বামী স্ত্ৰীৰ সন্ধানত ঘূৰি ফুৰিছিল, কিন্তু ক্ষুধাই বাধা নামানে। আঠচল্লিশ ঘণ্টাৰ পিচত পোৱা খাদ্যই তেওঁলোকৰ সমস্ত শোক পাহৰাই পেলাইছিল। লুটপাতৰ খবৰ পাই আলআচনামলৈ যোৱা আলজেৰিয় সেনাবাহিনীৰ দল এটাক জনতাই আক্ৰমণ কৰে। খোৱা পানীৰ অভাৱ, আশ্ৰয় সমস্যা আৰু মহামাৰীৰ ভয়ত থাকিলেও এই অশান্ত পৰিস্থিতিয়ে আলজেৰিয়া চৰকাৰক চিন্তিত কৰি তোলে।

ফ্ৰান্স আৰু চুইজাৰলেণ্ড চৰকাৰে মৃতদেহ বাহিৰ কৰাৰ বাবে যিবোৰ প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰ পঠাইছিল, মহামাৰীৰ বিজাণুনাশক ঔষধৰ গন্ধত সেইবোৰ অকৃতকাৰ্য্য হয় গৈ।

জেনেৰেল বুমেদিয়েনৰ মৃত্যুৰ পিচত নতুন চৰকাৰে দেশৰ প্ৰখ্যাত মুক্তি যোদ্ধা প্ৰথম ৰাষ্ট্ৰপতি বেনবেলাক মুক্তি দিছিল, তেওঁৰ চেৰ সমৰ্থক। আল-আচনামত চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ কৰা হয়। ডেনমাৰ্কৰ এক সাংবাদিকৰ মতে অধিবাসী সকলে মৃত-আত্মীয়ৰ সন্ধানত নিজে লাগি গৈছে। ইতিমধ্যে আলজেৰিয়াৰ উদ্যোগ সমূহত ধৰ্মঘটো চলিছে। পূৱ কোনত দেশৰ উপজাতি বিদ্ৰোহে চৰম ৰূপ পাইছে। ৰাষ্ট্ৰপতি ছদ্দলি বেনজাদিদৰ মতে এই ভূমিকম্পৰ ফলত দেশৰ মুঠ বিদেশী ঋণৰ পৰিমাণ ২৫০০০ কোটি ডলাৰ। এই ঋণ শোধ কৰিবলৈ সমগ্ৰ আলজেৰিয়া এটা দশক গভীৰ অন্ধকাৰৰ মাজেদি চলিব লাগিব।

এদিনৰ এটা ভূমিকম্পৰ ফলত আলজেৰিয়া নামৰ উন্নতশীল দেশখন চৰম বিপৰ্য্যয়ৰ কবলত পৰিছে।

বাতৰি কাকতসমূহৰ সহায় লৈ

# দেৱ-গন্ধৰ্বসকল অন্য গ্ৰহৰ বাসিন্দা নেকি ?

শ্ৰীদিলীপ শৰ্মা
প্ৰাঃ বিঃ ২য় বাৰ্ষিক

দেনিকেন তত্বই কয় যে দেৱ-গন্ধৰ্ব-সকল ভিন্ন গ্ৰহবাসী, ইয়াৰ প্ৰমাণ কিবা আছে নে ? খ্যাতনামা বিবৰ্তনবিদ এৰিখ ভন দেনিকেনে ইয়াৰ প্ৰামাণ্য তথ্য কেতবোৰ আগবঢ়াইছে । শাস্ত্ৰ গ্ৰন্থ পুৰাণ হ'ল দেৱতাসকলৰ ইতিহাস, অন্য কথাত ই ভাৰতৰ প্ৰাচীন ইতিহাস । প্ৰশ্ন হ'ল দেৱতাসকল কোন ? দেৱগণ যে শৰীৰি তাক পুৰাণত প্ৰমাণ কৰা আছে, এওঁলোক ৰক্ত মাংসৰ দেহৰ মানুহ । অন্য এক সৌৰমণ্ডলৰ পৰা এওঁলোক আহি ইয়াত উপনিবেশ স্থাপন কৰে । তেওঁলোকে নিজৰ সৌৰমণ্ডলৰ গ্ৰহৰ নামেৰে আমাৰ গ্ৰহবোৰৰ নামাকৰণ কৰিছিল ।

মহাকাশ বিজয়ৰ পূৰ্ব্বে মানুহে কাহানিও কল্পনা কৰা নাছিল যে দেৱতাসকল অনা গ্ৰহৰ পৰা আহিব পাৰে । পুৰাণত অন্য এক সৌৰমণ্ডলৰ হুবহু বৰ্ণনা আছে । পুৰণি সপ্তলোক বা সপ্তদ্বীপ আমাৰেই পৃথিবী । আজি মানুহে চন্দ্ৰত ভৰি দিছে, ৰকেটৰ সহায়ত অন্য গ্ৰহ বিজয় কৰিছে আৰু মহাজগত অভিমুখে যান পঠাইছে । সেয়ে আমাৰ পুৰণি ধ্যান ধাৰণাও সলাবৰ হ'ল ।

'কুৰ্ম' পুৰাণ'ত আছে "সূতে কলে, হে দ্বিজোত্তমগণ । সংক্ষেপতে ত্ৰিভুৱন বৰ্ণাও সুবিস্তৃত ব্যাখ্যা সাধ্যাতিত । অণ্ডৰ পৰাই ভূৰ্লোক, ভুবৰ্লোক, স্বৰ্লোক, মহৰ্লোক, জনলোক, তপলোক আৰু সত্যলোক উদ্ভূত ।" ভূৰ্লোক হ'ল পৃথিবী । বিষ্ণু পুৰাণত আছে, "সূৰ্য্য চন্দ্ৰৰ কিৰণ যিমান দূৰ আলোকিত হয়, পৰ্ব্বত নদী সমুদ্ৰ সহিত সিমান দূৰ পৃথিবী বুলি কোৱা হয় । পৃথিবীৰ বিস্তাৰ আৰু পৰিমণ্ডল যিমান পৰিমাণ, ভুবৰ্লোকৰ বিস্তাৰ আৰু পৰিমণ্ডলো সিমান ।" কুৰ্ম পুৰাণতো একে কথাই আছে । ইয়াৰ পৰাই অনুমান কৰা যায় যে ভূৰ্লোক আৰু ভুবৰ্লোকৰ স্থান ওচৰা-ওচৰি বা একে । কাৰণ সূৰ্য্যৰ পৰা ভূৰ্লোকৰ আৰু অন্যান্য গ্ৰহৰ দূৰত্ব দিয়া আছে যদিও ভুবৰ্লোকৰ দূৰত্ব দিয়া হোৱা নাই । গতিকে ভূৰ্লোক, ভুবৰ্লোকে নিশ্চয় একে কক্ষপথত সূৰ্য্যক প্ৰদক্ষিণ কৰিব লাগিব । কিন্তু পুৰাণৰ মতে সূৰ্য্যৰ পৰা ভূমণ্ডল আৰু চন্দ্ৰৰ দূৰত্বও সমান । ভূমিৰ পৰা লক্ষ্য যোজন ওপৰত সূৰ্য্যমণ্ডল আৰু একে দূৰত দিবাকৰৰ পৰা চন্দ্ৰ মণ্ডল ।

ভূৰ্লোক, ভুবৰ্লোক আৰু স্বৰ্লোককৈ ত্ৰিলোক । পুৰাণৰ মতে ত্ৰিলোক একে সৌৰ মণ্ডলত । এই ত্ৰিলোকেই কৃতক । ৪৩২ কোটি বছৰ বা এক কল্পৰ মূৰে মূৰে ত্ৰিলোক সৃষ্টি আৰু ধ্বংস হয় । স্বৰ্লোকৰ অন্তৰ্গত গ্ৰহবোৰ হ'ল – চন্দ্ৰ, নক্ষত্ৰমণ্ডল, বুধ, শুক্ৰ, মংগল, বৃহস্পতি, শনি, সপ্তৰ্ষি মণ্ডল আৰু ধ্ৰুব ।

ইয়াৰ পিচত মহৰ্লোক । ইয়াৰ অন্য নাম কৃতাকতক । ই কেতিয়াও ধ্বংস নহয় । ইয়াত ভৃগু প্ৰভৃতি কল্প বাসীসকল থাকে । ই সৌৰমণ্ডলৰ বাহিৰৰ কোনো প্ৰান্তীয় গ্ৰহ । ইয়াৰ পিচত জনলোকত বাস কৰে অমলচিত্ত খ্যাত সনন্দন আদি ব্ৰহ্মাৰ পুত্ৰসকল । জনলোকৰ পিচৰ তপলোকত দাহবৰ্জিত বৈৰাজ নামৰ দেৱগণ বাস কৰে । ইয়াৰ পিচত তপলোকত ( বা ব্ৰহ্মলোক বা বৈকুণ্ঠ ) বাস কৰে অমৰ দেৱতাসকল । বিশ্লেষণৰ পৰা দেখা যায় যে জন, সত্য আৰু তপলোক অন্য সৌৰ মণ্ডলৰ গ্ৰহ হোৱাই স্বাভাৱিক ।

এতিয়া পৌৰাণিক সৌৰমণ্ডলৰ লগত আজিৰ সৌৰ জগতৰ তুলনা কৰিলে দেখা যাব যে পৌৰাণিক গ্ৰহবোৰ আজিৰ সৌৰ জগতৰ নাছিল । পুৰণিমতে ভূৰ্লোক সূৰ্য্যৰ নিকটস্থিত, কিন্তু আজি নিকটস্থিত গ্ৰহ হ'ল বুধ ! চন্দ্ৰ আছিল গ্ৰহ ; কিন্তু আজিৰমতে পৃথিবীৰ ই উপগ্ৰহ । ওপৰোক্ত লোকসমূহৰ স্থান আজি সৌৰজগতত নাই । আজিৰ আৰু পৌৰাণিক গ্ৰহবোৰৰ উল্লেখিত দূৰত্বৰ বহুত পাৰ্থক্য ।

কুৰ্ম পুৰাণ মতে ভূমণ্ডলৰ স্থল আৰু জলভাগ এনে ধৰণৰ ।

ঃ জন্মুদ্বীপঃ প্ৰধানোহস্মং প্ৰক্ষঃ শালমলিৰেবচ ।
কুশঃ ক্ৰৌঞ্চশ্চ শাকশ্চ পুষ্কৰশ্চৈৱ সপ্তম ॥
এতে সপ্ত মহাদ্বীপাঃ সমুদ্ৰৈঃ সপ্তাভিবৃতাঃ ।
দ্বীপাদ্ দ্বীপো মহামুক্তঃ সাগৰাচ্চাপি সাগৰঃ ।।
ক্ষাৰোদেক্ষুৰ সোদশ্চ সুৰোদশ্চ ঘৃতদোকঃ ।
দধ্যোদঃ ক্ষীৰ সলিলঃ স্বাদুদ শ্চোতি সাগৰাঃ ॥

ভূৰ্লোকৰ কেন্দ্ৰ হ'ল জন্মুদ্বীপ ; ইয়াৰ চতুৰ্দ্দিশে লবণ সমুদ্ৰ । তাৰ পৰা ক্ৰমে প্লক্ষ ; শাল্মলি, কুশ, ক্ৰৌঞ্চ, শাক আৰু সপ্তম পুষ্কৰ নামৰ দ্বীপ । এই সাত মহা দ্বীপ সপ্তসাগৰে পৰিবৃত । এটাৰ পিচত আন দ্বীপ আৰু সাগৰ ক্ৰমে বৃহৎ । সপ্ত সাগৰৰ নাম ক্ৰমে ক্ষাৰোদক ; ইক্ষুৰ সোদক, সুৰোদক, ঘটোদক, দধ্যোদক, ক্ষীৰোদক আৰু স্বাদুদক ইয়েই হ'ল পৌৰাণিক পৃথিবী । এই মান চিত্ৰৰ লগত আজিৰ পৃথিবীৰ মিল নাই । আনকি কুৰি কোটি বছৰ পূৰ্ব্বৰ পৃথিবীৰ লগতো মিল নাই । তাৰোপৰি পৌৰাণিক ভূৰ্লোকৰ পৰিধিৰ জোখ আছিল ৪৫০ কোটি মাইল, কিন্তু আজিৰ পৃথিবীৰ পৰিধি মাথো ২৫ হাজাৰ মাইল । গতিকে পুৰাণৰ এই পৃথিবী কোনো অন্য পৃথিবী আৰু ইয়েই

দেৱতাসকলৰ আদি বাসভূমি । ই কল্পনা নহয়; বাস্তৱ সত্য ।

পৌৰাণিক যুগত বিমান অকল উৰাজাহাজ নাছিল, ই আছিল মহাকাশযান । বাংগালোৰ বিশ্ববিদ্যালয়ৰ পৰা মহৰ্ষি ভৰদ্বাজৰ 'বিমান শাস্ত্ৰ' প্ৰকাশ কৰা হৈছে । তাৰ প্ৰথম সূত্ৰৰ ইংৰাজী অনুবাদ হ'ল—"Experts say that, that which can fly through air from one country to another country, from one island to another island and from one world to another world is a VIMANA. পুৰাণত এই বিমান চলাচলৰ পথ আৰু এই বিমান কোন গ্ৰহবাসীৰ বাবে নিৰ্দ্দিষ্ট তাৰ উল্লেখো আছে । এই বিমান পথৰ সংখ্যা আছিল মুঠ ৫,১৯০০১ এই পথ সমূহৰ পাঁচটা ভাগ আৰু প্ৰতিটো ভাগ বিশেষ গ্ৰহবাসীৰ বাবে নিৰ্দ্দিষ্ট ।

গতিকে "দেৱতাসকল ভিন্ন গ্ৰহবাসী গগন বিহাৰী" এই কথা স্বীকাৰ্য্য ॥

দেনিকেন তত্ত্ব আৰু কেতবোৰ আলোচনীৰ সহায়ত লিখা হৈছে ।

## কাৰ দাম বেছি ?

**প্ৰতুল শালৈ**

মানুহ আৰু জহৰতৰ কিমান পাৰ্থক্য ( কাৰ দাম বেছি ) ?
এই দেশত চলে জীৱন বেহা
তাহানিৰ দিন ধৰি শুনি অহা এটা একঘেয়ী সাধু ।
মানুহৰ আমদানী আৰু ৰপ্তানী, জকা আৰু নাও খোলা,
নদী হৈ বৈ যোৱা তেজৰ দোঙা ( কাৰ দৰ বেছি ? ),
তেজৰ কোহেৰে ফাকু খেলা বৃকোদৰ বনিকৰ
আঙুলিত নাচে আমাৰ মানুহ, আৰু ৰজা ।
মানুহ আৰু ৰজাৰ কিমান পাৰ্থক্য ( কাৰ তেজ বেছি ) ?
ভৱিৰ পতাত ক্ৰীড়নক কৰিছে বন্ধু,
বোপা ককাৰ দিন ধৰি শুনি অহা এটা প্ৰচলিত সাধু ।
আমাৰ হাড়ৰ বনিজ কৰে ৰাজ বনিকে
আমাৰ দেশ বনিজৰ ভূমি মাথো
স্বদেশত আমি বেহাৰ সমল । ●●●



## প্ৰাচীৰ পত্ৰিকাৰ জন্ম

এচাম উদ্যোগী প্ৰগতিশীল ছাত্ৰ-ছাত্ৰীৰ উদ্যোগ আৰু কৰ্তৃপক্ষৰ সহযোগত ১৯৭৬ চনত জন্ম লাভ কৰে ৰঙিয়া কলেজ প্ৰাচীৰ পত্ৰিকাই । প্ৰথমাৱস্থাত এই পত্ৰিকা অকল কবিতা আৰু কবিতা সম্বন্ধীয় প্ৰবন্ধ-পাতিৰে সমৃদ্ধ আছিল যদিও পিচলৈ সাহিত্য সংস্কৃতিৰ সকলোবোৰ দিশকে ই প্ৰতিফলিত কৰিবলৈ লয় । সাহিত্যই জন-জীৱনৰ মুক্তিৰ সংগ্ৰামত বিজ্ঞান সন্মত দৃষ্টিভংগীৰে প্ৰচুৰ অৰিহণা যোগাব পাৰে আৰু এই কামত সাহিত্যক কিদৰে হাতিয়াৰ কৰিব পৰা যায়, তাৰ নিদৰ্শনৰ প্ৰচেষ্টাই হ'ল এই পত্ৰিকা । কলেজৰ সাহিত্যৰ প্ৰতি আকৰ্ষিত অথচ প্ৰকাশৰ, অভাৱত সাহিত্য সৃষ্টিৰ প্ৰচেষ্টাৰ পৰা আতৰি আহিবলৈ উপক্ৰম কৰা চামুক অনুপ্ৰেৰণা দানৰ মাধ্যমেৰে কলেজৰ ছাত্ৰ-ছাত্ৰী চামৰ মাজত বিভিন্ন দিশৰ চৈতন্য আননৰ চেষ্টাও এই পত্ৰিকাৰ উদ্দেশ্য । এই কামকে কৰিবলৈ যাওঁতে বিগত বছৰ বোৰত ই কেতবোৰ দুৰ্যোগৰো সন্মুখীন হয় । বিশেষকৈ বিদেশী বহিস্কাৰ আন্দোলনৰ মাজৰ প্ৰকাশবোৰত কোনো দুৰ্বৃত্তই এই পত্ৰিকা কেবাবাৰো ফালি পেলায় আৰু চিয়াহীৰে ক'লা কৰে । বামপন্থী দলসমূহক তীব্ৰভাৱে সমালোচনা কৰা আৰু এওঁলোকৰ ভুল নীতিৰ স্বৰূপ উদঙাই দিয়া অংশবোৰতহে এনে অত্যাচাৰ কৰাটো দৃষ্ট হোৱাত ই কাৰ দ্বাৰা কৰা হৈছে তাক বুজিবলৈ কাৰো বাকী নাথাকিল ।

তথাপি, এনে দুৰ্যোগৰ মাজতো এই পত্ৰিকাই কিছু সফলভাৱে প্ৰকাশ আৰু প্ৰচাৰ লাভ কৰো প্ৰথমাৱস্থাৰ প্ৰকৃত নীতিহীন আৰু একপক্ষীয় সম্পাদকীয় আৰু মতামতৰ পৰিবৰ্ত্তে বৰ্তমান অৱস্থাত নিৰ্দ্দিষ্ট নীতি সম্বলিত লিখা মেলাৰে সমৃদ্ধ হোৱাত ই ক্ৰমশঃ আকৰ্ষণীয় হব ধৰিছে ।

কবলৈ দুখ লাগে মাজৰ দুটা বছৰত এই পত্ৰিকাখন এক ৰাজনৈতিক দলৰ ৰহতীয়া ছাত্ৰ সংগঠনৰ অধীনস্থ হোৱা সময় ছোৱাত আন সংগঠনৰ ছাত্ৰ-ছাত্ৰীসকলক

ইয়াৰ দ্বাৰা উলাই কৰাও হয়। অকল কাচি, হাতুৰী, তৰা আদিৰ প্ৰতীক চিহ্ন আৰু সৰ্ব্বহাৰা নামৰ কঠিন শব্দৰ ঝংকাৰেৰে প্ৰতিফলিত লিখনি কিছুমান এনেদৰে প্ৰকাশ কৰা হ'ল যে ইয়াৰ জনপ্ৰিয়তা পিচলৈ সমূলি টুটি আছে। এই কালছোৱাত হেমাংগ বিশ্বাসৰ 'কুলখুৰাৰ চোতাল' নামৰ কাব্য গ্ৰন্থৰ বিশ্লেষণাত্মক আলোচনাৰ দৰে সৰহ আৰু গঠনমূলক আলোচনাৰ প্ৰকাশ চলাই থাকিলে (অকল কম্যুনিষ্টৰ গুৰুসকলৰ জীৱনীতে গুৰুত্ব নিদি) এনে অৱস্থা নহ'ল-হেঁতেন। বৰ্ত্তমান অৱস্থাত সম্পূৰ্ণ নিৰ্ভিক-ভাৱে লিখনিৰ বাট মুকলি কৰি দি ৰঙিয়া কলেজ প্ৰাচীৰ পত্ৰিকাই কৈ আহিছে যে ই কাৰো ব্যক্তিগত সম্পত্তি নহয়; ইয়াক পঢ়াৰ, পঢ়ুওৱাৰ, সমালোচনা কৰাৰ আৰু ইয়াত লিখাৰ সকলোৰে অধিকাৰ আছে।

এই শিতানত ১৯৮০-৮১ চনৰ পত্ৰিকা সমূহত প্ৰকাশিত কেতবোৰ লিখনিৰ অংশ বিশেষ প্ৰকাশ কৰা হ'ল।

১] বিজয়া চৌধুৰীৰ লিমেৰিক (২য় সংখ্যা)

(ক) আজৰ জাতি অসমীয়া সকলো জাতিতকৈ,
সকলো দেশৰ পোছাক পিন্ধে নিজৰ
পোছাক থৈ।

(খ) মোক ঘেৰি গুজৰি উঠে মহ একপাল,
এই চালাৰ তেজত দেখিছো সকলো
ভেজাল।

২] ২য় সংখ্যাৰ সম্পাদকীয়ঃ—

অসমৰ সাম্প্ৰতিক বিদেশী বহিষ্কাৰ আন্দোলন এক মহা যজ্ঞত পৰিণত হোৱাৰ পিচত অসমীয়া জনজাতি ভাইসকল আৰু মিঞা সম্প্ৰদায়ক অসম বিদ্বেষী হবলৈ উচটোৱা, কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰী আৰু বেচৰকাৰী কৰ্মচাৰী কেইগৰাকীমানক উচটোৱা, প্ৰতি আন্দোলন গঢ়িবলৈ ৰাজ্য, কেন্দ্ৰ আৰু পশ্চিম বংগ চৰকাৰৰ পৃষ্ঠ-পোষকতা লভ কৰি ভুৱা সমাজবাদ গঢ়িবলৈ ওলাই আৰ্তৰাৱ কৰা বামপন্থীসকলেও যতে ততে বিষ্ঠা ত্যাগ কৰি আন্দোলনত পশ্চাৎঘাট কৰা দৃষ্ট হৈছে। নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ কি প্ৰয়াস!

৩] ঘনশ্যাম কাকতিৰ বিজ্ঞান বাৰ্ত্তা সংগ্ৰহ (৩য় সংখ্যা)ঃ—

অসমৰ বিলবোৰলৈ জহকালি ইউৰোপৰ নৰৱে, চুইডেন, চাইবেৰিয়া আদিৰ পৰা চৰাই আহি চাৰি পাঁচ মাহ থাকি আলহী খাই নিজ নিজ দেশলৈ গুচি যায়। এই চৰাইবোৰে বাট পথ বাৰু কিদৰে চিনে? পথী বিশেষজ্ঞসকলে ঠাৱঁৰ কৰিছে যে এই চৰাইবোৰে পৰ্ব্বত, পাহাৰ, সাগৰীয় সোঁত, জলবায়ু আদিত বাহিৰেও সূৰ্য্যৰ কিৰণ, গ্ৰহ নক্ষত্ৰৰ অৱস্থিতি আদি লক্ষ্য ৰাখি হাজাৰ হাজাৰ মাইল পথ অতিক্ৰম কৰে।

৪] ৫ম সংখ্যাৰ সম্পাদকীয়ঃ—

অসমৰ ৰাজনীতি অস্থিৰ, অস্থিৰ সমাজ, বেহ বেপাৰৰ বজাৰ, শিপিনিৰ মাকো, মদৰ ভাটি, বেশ্যালয়, ডকাইতৰ আদ্দা, শিক্ষা জগত সকলোবোৰ। এই অৱস্থাত এতিয়াও মাতৃ আৰু ভগ্নীৰ দেহৰ ব্যৱসায় কৰা অসম বিৰোধী কীটৰ লগত গলাগলি কৰি অট্টহাস্য কৰা অসমীয়াসকলে গলত কলাহ বান্ধি লুইতত ডুব মৰাই ভাল। কিন্তু মৰে অসম জীয়ে কোন, জীয়ে অসম মৰে কোন? এক বিন্দু তেজ থকা লৈকে অসমীয়া সকলে সংগ্ৰাম কৰি জীয়াই থকাত বাহিৰে আন কি উপায় আছে? আমি জানো নিজক জহৰা বুলি পৰিচয় দিব পাৰিম?

প্ৰাচীৰ পত্ৰিকাত সীমিত কলেবৰত গল্প, আৰু দীঘলীয়া প্ৰবন্ধ প্ৰকাশৰ সুবিধা নহয়, তাৰ পৰিৱৰ্ত্তে চুটি প্ৰবন্ধ, কবিতা, গল্প, লিমে-ৰিক, সংগৃহীত তথ্য আদিত বাহিৰেও কাৰ্টুন আৰু খবৰো প্ৰকাশ কৰা হয়। কলেজৰ শিল্পীসকলৰ তুলিকাৰ আকৰ্ষণীয় বেটুপাত আৰু সাজ-সজ্জাৰে জিলিকি উঠা পত্ৰিকাৰ পৰা কেইটামান খবৰ নমুনা এয়া—

১] যুক্তৰাষ্ট্ৰৰ নিৰ্ব্বাচনত পূৰ্ব্বৰ ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰক পৰাস্ত কৰি নতুন ৰাষ্ট্ৰপতি নিৰ্ব্বাচিত হয় ৰোনাল্ড ৰিগেন। প্ৰথমাৱস্থাৰ খেল-ধেমালীৰ চলন্ত টিপ্পনীকাৰ ৰিগেন আৰু তেওঁৰ পত্নী নান্সী আমেৰিকাৰ প্ৰখ্যাত আৰু প্ৰসিদ্ধ অভিনেতা-অভিনেত্ৰী। এই অভিনেতাৰ প্ৰৱেশে আমেৰিকাৰ ভাৰত প্ৰীতিত কিছু বিঘিনি ঘটাই মধ্য প্ৰাচ্যৰ ৰাজনীতিত হুট্টকোলৰ সৃষ্টি কৰাৰ সম্ভৱনা অতি প্ৰবল।

আনফালেদি প্ৰায় একে সময়তে ৰুছ প্ৰধান মন্ত্ৰী আলেক্সি কছিগিনৰ মৃত্যুত কমুনিষ্ট পাৰ্টিৰ পলিত বুৰই নিকোলাই টিখনভক নতুন নেতা নিৰ্ব্বাচন কৰে। আফগান পৰিস্থিতি আৰু পোলেণ্ডৰ ঘটনা প্ৰবাহত এই পৰিবৰ্ত্তন স্বত্বেও কোনো পৰিবৰ্তন আশা কৰা হোৱা নাই।

২] অসমৰ আন্দোলনত চি-আৰ-পি, বি-এছ-এফ আৰু সামৰিক বাহিনী নিয়োগ কৰি কেন্দ্ৰীয় চৰকাৰে লোৱা ব্যৱস্থাত আমি একমত। (কাছাৰৰ জনসভাত সমৰ মুখাৰ্জী চি-পি-এম)

৩] ১৯৬১-৭১ চনৰ বিদেশীসকলক বিতৰণ কৰিলে পশ্চিম বংগই এজনো গ্ৰহণ নকৰে। (জ্যোতি বসু, মুখ্যমন্ত্ৰী, পশ্চিম বংগ)

৪] অসমৰ বনজ আৰু খনিজ সম্পাদসমূহ যদি ভাৰতৰ সম্পদ, তেনেহলে অসমৰ সমস্যাসমূহ কিয় ভাৰতৰ সমস্যা নহব? (নিবাৰণ বৰা, সভাপতি, পি-এল-পি)

প্ৰাচীৰ পত্ৰিকাসমূহৰ পৰা নিৰ্ব্বাচিত লিখনি এই আলোচনীৰ স্থানান্তৰত প্ৰকাশ কৰা হৈছে।

●●●

> এৰিষ্টটোল: "যি সকলে আমাক অকল মৰণশীল বুলি ভাবিবলৈ কয় তালৈ আমি মন কৰা অনুচিত? আমি যিমান দূৰ পাৰো নিজকে অমৰ কৰিবলৈ চেষ্টা কৰা উচিত, আৰু তাৰ বাবে আমাৰ শ্ৰেষ্ঠ নীতিৰ লগত খাপ খোৱা জীৱন নিৰ্ব্বাহৰ বাবে সকলো কৰিবলৈ যত্ন কৰা উচিত।"

# তিনিজন কুমলীয়া ছাত্ৰৰ বুকুভেদা গুলি কাৰ আদেশ আৰু ষড়যন্ত্ৰৰ ফল

চমেন পাঠক, সভাপতি,
ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা

বিদেশী বহিস্কাৰ আন্দোলনৰ প্ৰতিটো পৰ্য্যায় ৰঙিয়া অঞ্চলত সফল হোৱাত ইয়াৰ প্ৰশাসনীয় বিভাগৰ চকুত টোপনি নোহোৱা হয়। এই শান্তিপূৰ্ণ আন্দোলনৰ মাজ ভাগতে ১৯৮০ চনৰ মাৰ্চ মাহত স্থানীয় প্ৰশাসনীয় বিষয়া গৰাকীক বদলি কৰি কাছাৰৰ লোক এজনক আমদানি কৰি অশান্তিৰ বীজ ৰোপণ কৰিবলৈ অসম বিৰোধী চক্ৰ অগ্ৰসৰ হয়। ১৯৮০ চনৰ ২২ ডিচেম্বৰৰ গুলি চালনা আৰু কেবাজনো নিৰীহ ছাত্ৰৰ মৃত্যুৰ গুৰিতে এই বিষয়াজন।

আন্দোলন চলি থকা সময়ত আন্দলনকাৰীসকলৰ লগতে তেওঁলোকৰ পৰিয়ালকো হৰাশাস্তি কৰা আৰম্ভ হ'ল। মিছা গোচৰত বহুতক গ্ৰেপ্তাৰ কৰা হয়। ৰঙিয়া ষ্টেচনত ১২০টা কাঠৰ ডবা অৱৰোধ কৰি ৰখা আন্দোলনকাৰীসকলৰ ওপৰত অত্যাচাৰ কৰা হয়। পৰিচালনা সমিতিৰ কাৰ্য্যালয় লণ্ড ভণ্ড কৰি পুলিচে কাগজ পত্ৰ কৰায়ত্ব কৰে। ১২ ডিচেম্বৰৰ সন্ধিয়া অৱৰোধত সমবেত আন্দোলনকাৰীৰ ওপৰত অত্যাচাৰ কৰা হয়। তাত চৰকাৰী পক্ষৰ চল বল কৌশলে কাম নিদিলে। সিদিনাই নিশা ৰঙিয়া আঞ্চলিক ছাত্ৰ-সন্থা, গণ সংগ্ৰাম পৰিষদ আৰু অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদৰ কাৰ্য্যালয়ত পুলিচ সোমাই লণ্ড ভণ্ড কৰে, লাগতিয়াল বয় বস্তু, শ্বহীদ বেদী, নাম ফলি আদি লৈ যায়। অনুষ্ঠানসমূহৰ সন্মানীয় পতাকাবোৰ ফালি চিৰি পেলায়, যুৱ ছাত্ৰ পৰিষদৰ সংকল্প শিখাৰ বেদী চূৰ্ণাকৃত কৰে আৰু কাৰ্য্যালয়ত থকা সকলক তীব্ৰভাৱে মাৰধৰ কৰে। সিদিনাই ৰাতি পুলিচে অৱৰোধ কাৰীসকলত বাহিৰেও সমগ্ৰ চহৰখনৰ বাটকৰা, বিয়াঘৰ, পূজা থলী আদিত লাঠি চালনা কৰি অবৰ্ণনীয় অত্যাচাৰ কৰে। আনকি মানুহৰ দোকান আৰু বাসগৃহত সোমাই লাঠি চাৰ্জ কৰা হয়।

১২ ডিচেম্বৰৰ পৰা জলগণৰ ফালৰ পৰা কোনো অশান্তি নোহোৱা স্বত্বেও প্ৰৰোচনামূলক সান্ধ্য আইন জাৰি কৰা হয়। নিশাৰ ভাগত অসংখ্য ছাত্ৰ-শিক্ষক, যুৱক, ব্যৱসায়ী, খেতিয়াক আদিক পুলিচে বিনা কাৰণত গ্ৰেপ্তাৰ কৰে আৰু মাৰধৰ কৰে। দুখীয়া নিছলা লোকসকলৰ বাবে এই দিনবোৰ আছিল চৰম দুৰ্ভাগ্যৰ। ইয়াৰ মাজতে অত্যাচাৰৰ প্ৰতিবাদত ৰঙিয়াত ১২ ঘণ্টীয়া বন্ধ পালন কৰা হয়।

১৮ ডিচেম্বৰৰ পৰা সমগ্ৰ অসমজুৰি আৰম্ভ হয় গণ সত্যাগ্ৰাহ। আনন্দোলন দমন কৰিবলৈ প্ৰশাসন আৰু পুলিচে আন্দোলন পৰিচালনা কাৰ্য্যালয় ৰঙিয়া আলোচনী সভাৰ কাৰ্য্যালয়ও দখল কৰে আৰু চলন্ত কাৰ্য্যালয়ৰ পৰা কাৰ্য্য-সূচী পৰিচালনা কৰা হয়। দিনৰ এঘাৰটা বজাত কেবা হাজাৰো সত্যাগ্ৰহীৰ দল এটাই ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উপপ্ৰতি সমাহতাৰ কাৰ্য্যালয়লৈ যাত্ৰা কৰে, কাৰ্য্যালয়ৰ সমুখত পুলিচে ভেটা দিয়ে আৰু সত্যাগ্ৰহীসকলে অৱস্থান ধৰ্মঘট কৰে। লগে লগে পিচফালৰ পৰা কেবাশ চি-আৰ-পিৰ দল এটাই সত্যাগ্ৰীৰ ওপৰত জপিয়াই পৰে। হিংস্ৰ জন্তুৰ দৰে সশস্ত্ৰ পুলিচে মহিলাসকলৰ ওপৰত প্ৰচণ্ড প্ৰহাৰ আৰম্ভ কৰে। লগে লগে চহৰৰ সৰ্ব্বত্ৰ অত্যাচাৰ আৰম্ভ হয় আৰু প্ৰশাসনীয় কৰ্তৃপক্ষই গণতন্ত্ৰক দেখ দেখকৈ হত্যা কৰে। সপ্তাহিক বজাৰত পুলিচৰ দলে লুটপাট আৰু অত্যাচাৰ কৰে। দিনৰ ২ বজাত সান্ধ্য আইন জাৰি কৰা হয়।

সন্ধ্যা আইনৰ মাজতে তীব্ৰ সংগঠন চলে আৰু পুলিচেও বহুত লোকক গ্ৰেপ্তাৰ কৰি থানাৰ লকআপত অত্যাচাৰ কৰে।

১৯৮০ চনৰ ২২ ডিচেম্বৰৰ ভয়াবহ ঘটনাৱলী অসমৰ বুৰঞ্জীত লিখা থাকিব। ৰঙিয়াৰ ইতিহাসত কৃষক বিদ্ৰোহৰ পিচত পুলিচে বৰ্ব্বৰভাৱে ২য় বাৰ গুলিচালনা কৰে। সিদিনাৰ মেঘাচ্ছন্ন আৰু গোলমলীয়া আকাশ আৰু ফেৰ-ফেৰীয়া বতাহক নেওচি দহ বজাত পাঁচ শ সত্যাগ্ৰাহীৰ দল এটা অগ্ৰসৰ হয় আৰু পুলিচে তেওঁলোকক কোৱাই পঠিয়ায়। ১১ বজাত মধ্য পাণ্ডুৰীৰ পৰা অহা পাঁচ হাজাৰ সত্যাগ্ৰহীক পুলিচে ষ্টেটট বেংকৰ সমুখত বাধা দিয়ে আৰু কোনো আগজাননী নোহোৱাকৈ গুলি চলায়। ৩৫ বছৰীয়া যুৱক সুনন্দ শালৈ লগে লগে মাটিত ঢলি পৰে আৰু ৰেলৰে চিকিৎসালয়ত দেশৰ হকে দেশৰ পুলিচৰ হাতত মৃত্যু বৰণ কৰে। ইতিমধ্যে বৈদ্যগড় আৰু ৰঙিয়া কলেজৰ ফালৰ পৰা অহা দহ হাজাৰমান সত্যাগ্ৰহীক পুলিচ বাহিনীয়ে উপপ্ৰতি সমাহৰ্তাৰ পৰা ১০০ গজ আঁতৰত বাধা দিয়ে। সত্যাগ্ৰহী সকলে শ্লোগান দি বহি পৰা সময়তে কন্দুৱা গেচ প্ৰয়োগ কৰে আৰু লগে লগে গুলিচালনা কৰে। বড়িগোগ হাইস্কুলৰ দশম মান শ্ৰেণীৰ কুমলীয়া ছাত্ৰ বিনোদ শৰ্মা আৰু তৰণীৰ কুৰি বছৰীয়া যুৱক যতীন কলিতা ঠাইতে নিহত হয়। অসংখ্য লোক গুৰুতৰভাৱে আহত হয়।

লগে লগে আৰম্ভ হয় অনিৰ্দ্দিষ্ট কালৰ সান্ধ্য আইন। গুলিচালনা আছিল অপ্ৰয়োজনীয়, প্ৰৰোচনামূলক আৰু পূৰ্ব্ব পৰিকল্পিত। গুলিচালনা হোৱা ঠাইত পুলিচে

লগে লগে আন্দোলনকাৰীৰ ওপৰত অপযশ দিবলৈ শিল, ইটা আদি চটিয়ায়। গ্ৰেপ্তাৰ হোৱা সকলক এনে ধৰণে অত্যাচাৰ কৰা হয় যে তাক বৰ্ণনা কৰা অসম্ভৱ। তাৰো-পৰি তেতিয়াৰ ডি-এচ-পি প্ৰখ্যাত গুন্দা শৰৎ ফুকনে অবাইচ মাত মাতি অশ্লীল গালি গালাজ কৰি বাটকুৱাক মাৰপিট কৰাত পুৰ্ণোদ্যমে লাগি যায়।

আজি অকল ৰঙিয়াত নহয়, সমগ্ৰ অসমত গণতন্ত্ৰ বিপন্ন হৈছে আৰু চোৰ ডকাইত লম্পটসকলে ৰাজত্ব আৰম্ভ কৰিছে। ৰঙিয়াত গুলি চালনাৰ অন্তৰালৰ কঠোৰ হাতৰ এই প্ৰশাসনীয় বিষয়াজনৰ দাৰ হেজাৰ বিষয়াই অসম বিৰোধী চক্ৰৰ লগত মিতিৰ পাতিছে। এই চক্ৰক উৎখাত কৰি আজিৰ অসমীয়াই অসমত পুণৰ আমাৰ অধিকাৰ প্ৰতিৰ্ষ্ঠা কৰিব লাগিব। নহলে শ্বহীদ সুনন্দ, বিনোদ, যতীন আদিৰ আত্মাই আমাক ভৰ্ৎসনা কৰিব আৰু উত্তৰ পুৰুষসকল হব ধ্বংস।

: জয় আই অসম :

●●

# ॥ অসমত সুস্থ ছবিৰ সমস্যা আৰু সমাধান ॥

শ্ৰীপ্ৰহ্লাদ চৌধুৰী
স্নাতক ১ম বাৰ্ষিক

মোটামুটিভাৱে কিছুদিন আগলৈকে অসমীয়া ছবিয়ে সৰ্ব্বভাৰতীয় আৰু অংন্তঃ-ৰাষ্ট্ৰীয় পৰ্য্যায়ত কিছু মানদণ্ড বজাই ৰাখিব পাৰিছিল। কিন্তু শেহতীয়া ছবিসমূহে মননশীল ছবিৰ দৰ্শকক নিৰাশ কৰিছে। বঁটা লাভৰ কথাটোত গুৰুত্ব দিয়া নাযায়; কাৰণ পদুম বৰুৱাৰ 'গঙা চিলনীৰ পাখি' আৰু অতুল বৰদলৈৰ 'কল্লোল'ৰ দৰে ছবিকো আঞ্চলিক ছবি পৰ্য্যায়ত বঁটা দিয়া নহ'ল। ভাৰতত মননশীল ছবিৰ বজাৰ (বজাৰ বুলি আচলতে নথাকে) আৰু জগতখন দক্ষিণ ভাৰত কিম্বা পশ্চিমবংগতে সীমবদ্ধ থকাৰ দৰে হৈছে। সৰ্ব্বভাৰতীয় মননশীল ছবিৰ কথা ক'লে অসমীয়াৰ নাম কোনো সমালোচকৰ মনলৈ আহে



অসমীয়া ছবিৰ এই দুৰৱস্থা কিয়? মননশীল ছবিসমূহ সদায় প্ৰতিযোগীতাত অৱতীৰ্ণ হবলগা হয় আৰু সাধাৰণতে ব্যাৱসয়িক ছবিৰ লগত এই প্ৰতিযোগীতাত মননশীল ছবি সহজে কাবু হয়। বজাৰত এই ছবি হয় অকৃতকাৰ্য্য, দৰ্শকে বেছি ভাগে বুজি নাপায়। গতিকে মৌখিক প্ৰচাৰ নহয় গতিকে লাভ কৰিব পৰা দূৰৰ কথা মূলকে তুলিব নোৱাৰে। বজাৰৰ কথা ভাবি কোনো পৰিবেশকে মননশীল ছবি পৰিবেশনৰ দায়িত্ব লব নোখোজে। বজাৰত বাজী মাৎ কৰিব নোৱাৰিলে অকল বঁটা লাভে পৰিবেশক আৰু প্ৰযোজকক সন্তুষ্ট কৰিব নোৱাৰে। প্ৰয়ো-জকক লাগে শকত পৰিমাণৰ লাভ। এই কাৰণে মননশীল ছবিৰ প্ৰতি প্ৰাযোজকসকল আগ্ৰহী নহয়। খ্যাতনামা পৰিচালক চিত্ৰ মৃনাল সেন, শ্যাম বেনেগাল, বাসু ভট্টচাৰ্য্য, বি, ভি কাৰান্থ, ঋত্তিক ঘটক, আদিয়ে প্ৰযোজকৰ অভাৱত এখন ছবি কৰিবলৈ বহুদিন ৰবলগীয়া হয়। বিখ্যাত অসমীয়া ছবি 'গঙা চিলনীৰ পাখী'ৰ পৰিচালক নিৰ্মাতা পদুম বৰুৱাই নিজৰ ঘৰৰ সম্পত্তি বিক্ৰী কৰি প্ৰথমখন ছবি কৰাৰ পিচত এতিয়া পৰৱৰ্ত্তী ছবিখন কৰাৰ বাবে টকা বিচাৰি ক্ষণ গণিব লাগিছে। ব্যাপক লোকচানৰ ভয়ত কোনো প্ৰাযোজকে মননশীল ছবি কৰিবলৈ আগবাঢ় আহে। এই ধৰণৰ ছবিয়ে অনেক সময়ত উপযুক্ত প্ৰচাৰ নাপাইওঁ সকলো দিশত কাম কৰিব নোৱাৰা হয়। বৃহৎ অৰ্থৰ বহু তাৰকাৰ ছবিৰ বৃহৎ বৃহৎ হেদিং আৰু কাকত পত্ৰিকাত পৃষ্ঠাৰ পিচত লাখটকীয়া বিজ্ঞাপণৰ লগত এই ছবিয়ে ফেৰ মাৰিব নোৱাৰে।

মননশীল ছবি সমূহৰ প্ৰধান বাধা হ'ল বৃহৎ বাজেটৰ বহু তাৰকাৰ ( Multi Stares) ছবিৰ মতে প্ৰতিদ্বন্দ্বিতা। অসমত বহুকেইখন ছবিয়ে একেৰাহে বক্স অফিচত ফ্লপ হোৱাৰ পিচত 'মেঘমুক্তি' আৰু 'আজলী নবৌ' নামৰ ছবি দুখনে গৰম কৰি তোলে। এনে ধৰণৰ বহু ত্যৰকাৰ বৃহৎ ৰঙীন ছবিৰ লগত সাধাৰণ ক'লা-বগা মননশীল ছবিয়ে সহজে কাবু হৈ যায়।

পিচে এই বাধাবোৰ আঁতৰাই মননশীল ছবিৰ অৱস্থা টনকিয়াল কৰিব নোৱাৰিলে; চলচিত্ৰ সমাজ পৰিবৰ্ত্তন আৰু উত্তৰণৰ মাধ্যম' এই কথা মিছা হবগৈ। চলচিত্ৰ হবগৈ আৰ্থিক উপাৰ্জনৰ মাধ্যম। এই ক্ষেত্ৰত চৰকাৰেহে কিছু ব্যৱস্থা সৱলভাৱে লব পাৰে। সম্প্ৰতি পশ্চিম বংগত মননশীল ছবিক আমোদকৰ ৰেহাই দি 'এক টকাৰ' টিকটৰ ব্যৱস্থা কৰা হৈছে। অসমতো ভাল ছবিক কৰ ৰেহাই দিলে দৰ্শকক কম পইচাত ছবি চাবলৈ আকৃষ্ট কৰিব পৰা যাব। কিছু বছৰ পূৰ্ব্বে চৰকাৰে ছবিঘৰত বছৰত চাৰি সপ্তাহ স্থানীয় ছবিৰ বাধ্যতামূলক প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। এই ব্যৱস্থা যদি এতিয়াওঁ ৰখা হয়; বহুত কামত আহিব। মননশীল ছবি কৰা নিৰ্মাতাক চৰকাৰে বোলছবি বিত্তীয় নিগমৰ দ্বাৰা শকত পৰিমাণৰ ধনৰ ঋণ দিয়াৰ ব্যৱস্থা কৰা উচিত। পশ্চিম বংগ চৰকাৰে তাত নিজে ছবি প্ৰযোজনা কৰাৰ ব্যৱস্থা

কৰিছে। এই কথা অসম চৰকাৰৰ বাবে আদৰ্শ হোৱা উচিত। সুস্থ ছবিৰ কলা কুশলী সকলকো বিত্তীয় সহায় কৰিব লাগে।

সম্প্ৰতি ভাৰতত বৃহৎ অংক বা বিগ বাজেটৰ ছবিৰ বিপৰীতে সৰু অংক বা স্মল বাজেটৰ ছবিৰ ঢৌ উঠিছে আৰু এনে ঢৌ এশ-ভাগ সফল হোৱা দেখা গৈছে। অসমতো স্থানীয় প্ৰযোজকসকলে সুস্থ ছবি কৰাৰ বাবে এই স্মল বাজেটৰ আহি লব লাগে।

●●●

# : সৰৱৰহী অধ্যাপকৰ স্মৃতিত :

গীতালী শৰ্মা

১৯৭৩ চনত এজন মিঠা বৰণৰ, অমায়িক, দীৰ্ঘদেহী অধ্যাপকে ৰঙিয়া কলেজৰ সংস্কৃত বিভাগত যোগদান কৰে। সদা বিনম্ৰ আৰু বন্ধুবৎ ব্যৱহাৰৰ গুণত এই মানুহজনে শিক্ষক আৰু ছাত্ৰমহলত তুমুল জনপ্ৰিয়তা অৰ্জন কৰি ১৯৮০ চনৰ শেষদিনটোলৈ আৰু দুটা দিন বাকী থাকোতে বিদায় লয়। এই বিদায় অৱশ্যেই জগতৰ পৰা চিৰবিদায় আছিল। সংগ্ৰাম আৰু বৈচিত্ৰ্যৰে পৰিপূৰ্ণ এইজন লোক আছিল অধ্যাপক ৺নিৰঞ্জন তালুকদাৰ। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, কটন কলেজ, গুৱাহাটী বিশ্ববিদ্যালয় আদি খ্যাতনামা শিক্ষানুষ্ঠানত শিক্ষা সাং কৰি নগাঁৱৰ ৰাউসী বাণীকান্ত কলেজত অধ্যাপনাৰ কামত সোমায় আৰু ভাগ্যৰ বিৰম্বনা শেষত ৰঙি[illegible] কলেজত যোগদান কৰি বিবাহিত জীৱন[illegible] তিনিটা বছৰ কটাবলৈ নৌ পাওঁতেই টা[illegible] নৰিয়াত পৰে। কিছুদিন আগেয়ে জাতী[illegible] শিক্ষাৰ্থী বাহিনীৰ বিশেষ প্ৰশিক্ষণ এটা[illegible] বাবে মাদ্ৰাজত কটাই আহি কলেজখন[illegible] সমাজসেৱা আৰু অন্যান্য সংস্কাৰমূ[illegible] কামকাজত মনোনিবেশ কৰিছিল।

ব্যৱহাৰত মানুহজন যেনে বি[illegible] আৰু ভদ্ৰোচিত আছিল, নিজস্ব পোচাক পা[illegible] আৰু জীৱন নিৰ্বাহৰ পদ্ধতি আছিল [illegible] সৰল আৰু সহজ। মাত্ৰ এযোৰ সাজ[illegible] লৈ কোন শিক্ষককেনো ৰাতিপুৱা ন বজাৰ[illegible] গধূলি পাঁচ বজালৈকে নিজৰ দায়িত্বৰ শ্ৰে[illegible] পঢ়ুৱাৰ ওপৰিও অতিৰিক্ত ভাবে তিনি চা[illegible] শ্ৰেণীত পঢ়ায়? সংস্কৃত বিষয়টোৰ প্ৰতি মোহ আৰু তাৰ চৰ্চাৰ প্ৰতি আগ্ৰহৰ বাবেই অশেষ চেষ্টা কৰি কলেজত স্নাতক মহলাত এই বিষয়টো খোলে, আৰু এই বিষয়ত স্বীকৃতি পোৱাৰ দুবছৰ আগৰ পৰাই স্নাতক মহলাত সংস্কৃত শিক্ষাদান আৰম্ভ কৰে। এই আলোচনীৰ এটা সংখ্যাত প্ৰকাশিত তেওঁৰ 'শূদ্ৰকৰ মৃচ্ছকটিকাত সমাজব্যৱস্থা' নামৰ প্ৰবন্ধটোত তেওঁৰ সাহিত্য চৰ্চা আৰু বিশ্লেষণ ধৰ্মিতা গুণৰ পৰিচয় পোৱা যায়। উনাশী চনৰ ৯ ডিচেম্বৰৰ দিনা অস্তিত্ব ৰক্ষাৰ আন্দোলনত বাটত ধৰ্ণা দিওঁতে পুলিচৰ লাঠিৰ কোবত আহত হয়। আহত হৈও কোনো ধৰণৰ চিকিৎসাৰ প্ৰয়োজন অনুভৱ নকৰি তেওঁ মাথো অন্যান্য সকলৰ পৰিচৰ্য্যা কৰি আছিল। এয়া ৺নিৰঞ্জন তালুকদাৰৰ ব্যক্তিত্ব আৰু সহানুভূতিশীলতাৰ দীপ্তিমন্ত দিশৰ পৰিচয়।

মানুহজন হয়তো কোনো আগশাৰীৰ নেতা বা গুৰুত্বৰ শিক্ষাবিদ্ হব নোৱাৰিলেহেঁতেন (ভৱিষ্যতৰ কথা কোনে কয়!), কিন্তু এই সহজ সৰল অধ্যৱসায়ী মানুহজন যি কোনো সমাজ আৰু পৰিবেশত তুমুল সৰৱৰহী আৰু জনপ্ৰিয় হব পাৰিলেহেঁতেন। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কেইবা মাহ গাত দুৰ্বিসহ ৰোগ লৈও প্ৰফুল্ল বদন লৈয়ে মৃত্যুক আকোঁৱালী লয় মাত্ৰ ৩৫ বছৰ বয়সত। বিধিৰ বিধান, মৃত্যুৰ অলপ দিন পিচতে জন্ম হোৱা তেওঁৰ সন্তানটিৰ মুখো তেওঁ নেদেখিলে।

●●●

---

ৰেচলীয়ে কৈছে—"বিশ্বাসে আমাৰ মনৰ সকলো অশান্তি দূৰ কৰে, আঘাটপ্ৰাপ্ত আত্মাৰ থং; অসন্তুষ্টিও ভয় আৰু অন্তৰৰ বেদনা—এই সকলোৰে পৰা ৰক্ষা কৰে। আৰু ৰক্ষা কৰে আমাৰ জগতৰ আৰু আমাৰ অব্যক্ত নিস্পৃহতা আৰু অৱসাদৰ পৰা, যাৰ প্ৰভাৱত পৰি আমি বছৰ বছৰ ধৰি নিঃসহায়ভাৱে পৰিশ্ৰম কৰিবলগীয়া হয়—বিশেষকৈ যেতিয়া আমি এই জগতৰ ব্যস্ততাৰ পৰা আঁতৰি শান্ত সৌম্য সাধনাত ৰত হওঁ।"

---

# বিভাগীয় সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদনসমূহ

## ঃ সাধাৰণ সম্পাদক ঃ

যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ সহায় সহযোগত এই মহান অনুষ্ঠানটিৰ সেৱা কৰিবলৈ সুযোগ লভিলো, সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

১৯৭৯ চনৰ ৩ নবেম্বৰৰ দিনা অনুষ্ঠানিকভাৱে পৰণি কাৰ্য্যকৰি কমিটিৰ পৰা কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ লগে লগে ৰঙিয়া কলেজত ছাত্ৰ একতা সভাৰ অত বছৰৰ কাৰ্য্যভাৰ চলাই অহা ৰাজনৈতিক ছাত্ৰ সংগঠন এছ--এফ-আইৰ কাৰ্য্যকালৰ অন্ত পৰে। ইমানদিন এই সংগঠনটোৱে ৰঙিয়া কলেজক ভূমি হিচাপে লৈ এই অঞ্চলত ৰঘুমলাৰ দৰে শিপাই অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন তথা অন্যান্য মৌলিক সমস্যাৰ সমাধানৰ বাবে অহোপুৰুষাৰ্থ কৰা সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলক তেওঁলোকৰ সেৱা আগবঢ়োৱাত বাধাৰ সৃষ্টি কৰিছিল। কিন্তু দিন যোৱাৰ লগে লগে সৰ্বহাৰাৰ মুখা পিন্ধা আৰু মাৰ্ক্সীয় নীতিৰ পৰা আঁতৰি অহা এই ছাত্ৰ সংগঠনৰ স্বৰূপ ছাত্ৰ-ছাত্ৰীসকলে বুজি উঠে আৰু তাৰ পৰিণতি স্বৰূপ এছ-এফ-আইক শোচনীয়ভাৱে পৰাজিত কৰি সদৌ অসম ছাত্ৰ সন্থাক নিৰ্ব্বাচিত কৰে।

একে বছৰতে অসম তথা উত্তৰ পূৰ্বাঞ্চলত বিদেশী বহিস্কাৰ আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ পৰ্য্যায়সমূহ সফল কৰাত আমাৰ কলেজৰ ছাত্ৰ সভা আৰু কৰ্মীসকলে যথেষ্ট ত্যাগ স্বীকাৰ ক'ৰে। মোৰ ওপৰত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্বভাৰো আহি পৰাত কলেজৰ সাধাৰণ সম্পাদক হিচাপে অনুষ্ঠানটিৰ বাবে যিখিনি কৰিব লাগিছিল, তাক সুচাৰুৰূপে কৰিব নোৱাৰিলো। তাৰ বাবে আটাইৰে ওচৰত মই ক্ষমাপ্ৰাৰ্থী।

সাম্প্ৰতিক আন্দোলনৰ বাবে অসমৰ আটাইবোৰ শিক্ষানুষ্ঠানৰ লগতে ৰঙিয়া কলেজো দীৰ্ঘদিনৰ বাবে বন্ধ থকাত ১৯৭৯-৮০ চনৰ কলেজ হপ্তাহ অনুষ্ঠিত কৰিব পৰা নগ'ল। অৱশ্যে অসমৰ বাবে উত্তপ্ত আৰু শোকাকুল সময়ছোৱাত এনে ধৰণৰ উৎসৱ অনুষ্ঠিত কৰাৰ যুক্তিও মই বিচাৰি নাপাওঁ। এই কাৰ্য্যকালত এক গম্ভীৰ্য্য পূৰ্ণ পৰিবেশত প্ৰাঃ বিঃ বিদ্যালয় আৰু বি-এ চূড়ান্ত পৰীক্ষাৰ্থীসকলক বিদায় দিবলৈ পত্তা সভাখনত বাহিৰে কলেজৰ ভিতৰ চ'ৰাত আন সভা হোৱা নাই বুলিব পাৰি। আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী তথা কৰ্তৃপক্ষৰ উদ্যোগতে মোৰ কাৰ্য্যকালত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ কলেজ ফুট-বল প্ৰতিযোগিতা সুচাৰুৰূপে অনুষ্ঠিত হয়। ১৯৮১ চনৰ এক অক্টোবৰত অনুষ্ঠিত নৱাগত আদৰণী সভাত পূৰ্বাঞ্চলীয় লোক পৰিষদৰ চেয়াৰমেন শ্ৰীনিবাৰণ বৰা আৰু বি-বৰুৱা কলেজৰ অধ্যাপক শ্ৰীথানেশ্বৰ বড়োৱে মুখ্য অতিথি হিচাপে ভাষণ দিয়ে।

ৰঙিয়া কলেজৰ অভাৱ অভিযোগৰ অন্ত নাই। স্থাপনৰ কুৰি বছৰ পিচতো যি ক্ষেত্ৰত ই এখন পূৰ্ণাংগ কলেজ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব লাগিছিল, সেই ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষৰ তীব্ৰ অবহেলা আৰু স্থানীয় লোক সকলৰ উদ্যোগহীনতাৰ বাবে ই চালুকীয়া অৱস্থাতে ৰ'ল। আজি কুৰি বছৰে কৰ্তৃপক্ষই কলেজলৈ অহা বাটটোও পকা কৰিব নোৱাৰিলে, কলেজত বিজ্ঞান বুলিবলৈ এটা বিষয় খুলিব নোৱাৰিলে, এটা প্ৰেক্ষাগৃহ সাজিব নোৱাৰিলে, কলা বিভাগটোকে পূৰ্ণাংগ কৰিব নোৱাৰিলে। আনকি সুবিধাজনক প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰ কেটামানো নবনাই প্ৰমাণ কৰিলে যে ব্যক্তিগত লাভালাভত চকু দিয়াত বাহিৰে তেওঁলোকে একো কৰিবই নোৱাৰে। গতিকে এইবোৰ চিৰদিনীয়া অভাৱ অভিযোগ সদায় পুৰ্ণৰাবৃত্তি কৰি থকাৰ পৰা লাভ কি হব ?

মোৰ কাৰ্য্যকালত আন্দোলনৰ বিভিন্ন পৰ্য্যায়ত পুলিচ আৰু অসম বিৰোধী বৰ্বৰহঁতৰ হাতত নিহত, আহত, লাঞ্চিত আৰু অপমানিত ত্যাগী ভাই ভনীহঁতলৈ মোৰ শ্ৰদ্ধাঞ্জলী আৰু সমবেদনা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকাল চোৱাত সহযোগ কৰি কৃতাৰ্থ কৰা তেতিয়াৰ অধ্যক্ষ শ্ৰীবীৰেণ বৰদলৈ, বৰ্ত্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীনীলকান্ত মহন্ত, অন্যান্য অধ্যাপক সকল আৰু কলেজৰ কৰ্মচাৰীসকললৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। বন্ধু-বান্ধবী সঞ্জীৱ কলিতা, মোজাম্মিল হক, আক্কেল আলী, ভৱ, নৃপেন, মফিজ, নগেন, চিদ্দিক, হাচমত জীয়া, খগেন, প্ৰতুল, অনুপ, কামিনী, গীতালী, কল্পনা, নিৰ্মালী, দিপালী, দীপা, পাৰুল, ডালিমী, বিজু, ৰাণী, জাহ্নবী, মীৰা আৰু মঞ্জুলাৰ সহায়-সহযোগৰ কথা মই পাহৰিব নোৱাৰিম।

জয় আই অসম, জয়তু ৰঙিয়া কলেজ ছাত্ৰ সন্থা।

শ্ৰীচমেন পাঠক

## সহকাৰী সাধাৰণ সম্পাদক ঃ

যিসকল বন্ধু-বান্ধবীয়ে মোক নিৰ্ব্বাচন কৰি কলেজলৈ মোৰ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেওঁলোকলৈ মোৰ শলাগ আগবঢ়াইছোঁ।

সাধাৰণ সম্পাদকৰ অনুপস্থিতিত তেওঁৰ দায়িত্ব পালন কৰাৰ সুযোগকণ মাজে সময়ে পাই থকাত বাহিৰে অন্য লেখতলবলগীয়া কাম কৰাৰ সুযোগ মই নাপালো। কাৰ্য্য-ভাৰ লৈয়ে বিদেশী বহিস্কাৰ আন্দোলনত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ দায়িত্ব লৈ জপিয়াই পৰো আৰু এনেদৰে কলেজৰ কাম কাজ পিচ পৰি থাকে। মোৰ কাৰ্য্যকালত আন্দোলনৰ বিভিন্ন পৰ্য্যায়ত আমাৰ সহৃদয় অসম প্ৰেমী বন্ধু বান্ধবীসকলে আগবঢ়োৱা ঐকান্তিক সহযোগ পাহৰাটো মোৰ বাবে সম্ভ নহয়। এইখিনিতে মই এই আন্দোলন চলি থকা দিনবোৰত সংগ্ৰামী বন্ধুসকলক নি নিজ সংকল্পত অবিচল থাকিবলৈ আহ্বা জনালোঁ।

যোৱা দিনবোৰত মোক সহায় কৰি দিহাপৰামৰ্শ দিয়া শিক্ষাগুৰু আৰু ছা ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ওল আৰু বৈপ্লবিক অভিনন্দন যাচিলোঁ। ৰঙিয় কলেজ ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনাৰে—

"জয় আই অসম"

মোজাম্মিল হক

●●●

## খেল বিভাগৰ সম্পাদক ঃ

প্ৰতিবেদনৰ আৰম্ভণীতে ৰঙিয়া কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক মৰম আৰু শুভেচ্ছা যাচিলোঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই এই মহান অনুষ্ঠানৰ উন্নতিৰ সপোন দেখিছিলো, বাস্তৱত কিমান আগবাঢ়িলো তাক আপোনালোকে জানিব। কলেজৰ বিভিন্ন খেল-ধেমালীত হেতা ওপৰা কৰা ছাত্ৰ-ছাত্ৰীসকলক দেখিয়ে বুজা যায় ইয়াত খেলৰ প্ৰতি আকৰ্ষণ থকা লোকৰ অভাৱ নাই। এটা ভাল ফুটবল দল গঠন কৰাৰ মোৰ সপোন কৰলৈ গলে বাস্তৱত ৰূপায়ণ হৈছিল। বিদেশী বহিস্কাৰ আন্দোলন বাবে খেল-ধেমালীৰ আকৰ্ষণ স্বাভাৱিকভাবে কমি যায় আৰু এই বাবেই অসমৰ জাতীয় স্বাৰ্থৰ খাতিৰত মোৰ কাৰ্য্যকালত বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰিব নোৱাৰি মোৰ কোনো খেদ নাই।

মই গৌৰবান্বিত যে ১৯৮০-৮১ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় অন্তঃ কলেজ ফুটবল টুৰ্ণামেণ্ট আমাৰ কলেজৰ তত্ত্বাবধানত অনুষ্ঠিত হয়। ইয়াত মুঠতে ৪৪খন কলেজে অংশ গ্ৰহণ কৰি উন্নত খেল প্ৰদৰ্শন কৰে। বিশেষকৈ প্ৰাগজ্যোতিষ আৰু কোকৰাঝাৰ কলেজৰ খেলখনে হাজাৰ হাজাৰ দৰ্শকক বিস্ময়ামুগ্ধ কৰি ৰাখিছিল। দুয়োটা দলে যুগ্ম বিজয়ীৰ সন্মান লাভ কৰে। এই প্ৰতিযোগিতাত আমাৰ কলেজ দলে বৰভাগ কলেজক ৮-০, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীক ৪-০ গ'লত পৰাজিত কৰি গোসাইগাওঁ কলেজৰ লগত ৩-১ গ'লত পৰাজিত হয়। বিগত বছৰটোত আমাৰ কলেজে কেৱাজনো কৃতি ক্ৰিকেট খেলুৱৈক লৈ শ্ৰীহীৰেন কলিতাৰ নেতৃত্বত এটা সুন্দৰ দল গঢ়ি তোলে।

মোৰ কাৰ্য্যকাল চোৱাত বিভিন্ন কামত দিহা-পৰামৰ্শেৰে সহায় সহযোগ কৰা বাবে আমাৰ অধ্যক্ষ, তত্ত্বাবধায়ক আদিৰ ওপৰিও ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী ( মফিজুদ্দিন, সঞ্জীৱ, আফজাল, দিপালী, ৰাণী, পাৰুল, চমেন আদি ) লৈ মোৰ শলাগৰ শৰাই আগবঢ়ালোঁ।

শেষত কাৰ্য্যভাৰ সম্পাদনত অজানিতে হোৱা দোষ ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি ৰঙিয়া কলেজৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

ঃ জয় আই অসম ঃ

চৈয়দ আবুবক্কাৰ চিদ্দিক

●●●

## ঃ তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদক ঃ

প্ৰতিবেদনৰ আৰম্ভণীতে যিসকলে মোক বিপুল ভোটত নিৰ্ব্বাচিত কৰি তৰ্ক বিভাগৰ পৰিচালনাৰ ভাৰ দিলে সেই সকল ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবীলৈ মোৰ বৈপ্লবিক অভিনন্দন যাচিছোঁ। আমি কাৰ্য্যভাৰ লৈয়ে আছু আৰু এ-এ-জি-এচ-পিৰ নেতৃত্বত চলা বিদেশী বহিস্কাৰ আন্দোলনত জপিয়াই পৰো। গতিকে এনে মহান কামত লাগি থাকি তৰ্ক বিভাগৰ যাৱতীয় কামবোৰৰ সৰহখিনি সম্পাদন কৰা হৈ নুঠেগৈ। আন্দোলনকালীন সময়ছোৱাত আমি কোনো প্ৰতিযোগিতা পাতিব পৰা নাই। একে কাৰণতে অইনবাৰৰ দৰে সিদ্ধিনাথ শৰ্মা সোঁৱৰণী আন্তঃকলেজ বিতৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত নহ'ল। এই ক্ষেত্ৰত বিভাগীয় তত্ত্বাবধায়কৰ অমনোযোগিতাই মোক হতাশ কৰিছে। ১৯৮১-৮২ চনৰ

এই প্ৰতিযোগিতা যথেষ্ট কষ্ট আৰু তিক্ত অভিজ্ঞতাৰ মাজেৰে হয়। ইয়াত কটন কলেজে প্ৰথম আৰু চৰকাৰী ল কলেজে দ্বিতীয় শ্ৰেষ্ঠ দলৰ বঁটা পায়।

তৰ্ক বিভাগৰ তত্বাবধায়কৰ কাৰ্য্যাৱলীয়ে মোক আমুৱই দিয়ে। তেখেতে সকলো কাম-কাজ একনায়কত্ববাদী সদৃশ নীতি লৈ গোপনে কৰি সময়ত সম্পাদককে অসাৰ কৰি দিয়ে। ভৱিষ্যতৰ সম্পাদকসকলক এনে তত্বাবধায়কৰ কাৰ্য্যৰ পৰা সদায় সচেতন হবলৈ মই সোঁৱৰাই দিওঁ।

ৰঙিয়া কলেজৰ তৰ্ক বিভাগৰ ক্ষুদ্ৰ বাজেটে ইমান বৃহৎ পৰিসৰৰ কাম কাজ সামৰিব নোৱাৰে। ইয়াৰ বাবে মই যুজিও নোৱাৰা কামখিনি ভৱিষ্যত সম্পাদকসকলকো কৰিবলৈ চেষ্টা কৰিবলৈ পৰামৰ্শ দিওঁ। কৃতজ্ঞতা মৰম আৰু শুভেচ্ছাৰে—

: জয় আই অসম :

বিপিন কাকতি

## : ছাত্ৰ জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত সম্পাদক :

পাতনিতে ৰঙিয়া কলেজ ছাত্ৰ একতা সভা আৰু ছাত্ৰী-ছাত্ৰী ভাই ভনীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সম্পাদক হিচাবে কৰিম বুলি ভাবি কৰা কামখিনিত মই কিমান দূৰ সফল তাক অকল আপোনা-লোকেহে বুজি পাব।

জিৰণিৰ সময়ত অলপ সাধাৰণ খেল ধেমালি খেলি, দুই এখন কাকত পত্ৰ পঢ়িব পাৰিলে ভাল, দুৰ্ভাগ্যবশতঃ এনে ধৰণৰ কামৰ বাবে অপৰ্য্যাপ্ত সামগ্ৰী মই যোগান ধৰিব নোৱাৰিলো। আমাৰ ছাত্ৰ জিৰণি কোঠাটো কিবা আইন ঘৰ যেনহে লাগে। এইটো ইমান সৰু কোঠা যে এখন টেবুল টেনিছ বৰ্ডৰ বাহিৰে তাত আন একো নধৰে বুলিব লাগিব। আনকি মানুহ থিয় হবলৈও ঠাইৰ অভাব।

আন্দোলনৰ বাবে কলেজ সপ্তাহ পাতিব পৰা নগ'ল, তাৰ বাবে মই দুঃখীত।

কলেজৰ সকলোবোৰ সামগ্ৰীয়ে ছাত্ৰ বন্ধু সকলে যত্নেৰে ব্যৱহাৰ কৰা উচিত। কিছুমান বদ অভ্যাসৰ ছাত্ৰই সামগ্ৰীসমূহ বৰ বেয়া ব্যৱহাৰ কৰে, আনকি কোনোৱে নিজৰ কৰি লৈও যায়। এনে অভ্যাস ত্যাগ নকৰিলে জিৰণি কোঠা নিৰৰ্থক হৈ পৰিব।

মোৰ কাৰ্য্যকালত বিভিন্নভাৱে সহায় কৰা বন্ধু বান্ধৱী সঞ্জীৱ, মফিজ, চমেন, সূৰ্য্য, গনেশ, মোজাম্মিল. লুটফুৰ, তফিক, চাবেদ, মজিৰ, তবিব; আফজাল, প্ৰণব শৰ্মা আদিক মই সদায় সোঁৱৰণ কৰিবই লাগিব। লগতে বিভিন্ন দিহা-পৰামৰ্শৰ বাবে আমাৰ অধ্যক্ষ আৰু তত্বাবধায়কৰ ওচৰতো মই কৃতজ্ঞ। অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

"জয় আই অসম"

মঃ চমচেৰ আলী



## : ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা :

আৰম্ভণীতে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীলৈ মোৰ বৈপ্লৱিক অভিনন্দন জনালোঁ। সম্পাদিকা হিচাবে মই কিমান দূৰ কৃতকাৰ্য্য তাৰ বিচাৰৰ ভাৰ ছাত্ৰী বান্ধবীসকলৰ। ছাত্ৰী জিৰণি কোঠাৰ অভাৱ অভিযোগবোৰ দূৰ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱা স্বত্বেও মই এই ক্ষেত্ৰত সফল হব নোৱাৰিলোঁ। ইয়াৰ প্ৰধান কাৰণ হ'ল মোৰ কাৰ্য্যকালৰ সৰহ সময় কলেজ বন্ধ আছিল। একে কাৰণতে খবৰ কাকত আৰু আলোচনী আদিৰ যোগানো বৰ অনিয়মীয়া হৈ পৰে।

কিছুমান দুষ্টা বুদ্ধিৰ ছাত্ৰীয়ে জিৰণি কোঠাৰ সামগ্ৰীসমূহ নিজৰ কৰি ঘৰলৈ লৈ যোৱা ঘটনাই অনেক সময়ত মোক আৰু অন্যান্যক আমনি দিয়ে। একে কেইবিধ বস্তুকে এনে ঘটনাৰ ফলত বাৰে বাৰে যোগান ধৰিব লগা হয়। এনে স্বভাৱ এওঁলোকে ত্যাগ কৰিবই লাগিব।

মোৰ কাৰ্য্যকালতে কোঠাত বিজুলী পাংখাৰ ব্যৱস্থা কৰিছিলো। ভলীবল ঠাইৰ অভাবত দিব পৰ নগ'ল। আনহাতে পৰ্য্যাপ্ত বিত্তৰো অভাৱ। মোৰ পৰৱৰ্তী সম্পাদিকাই এইবোৰ সমাধা কৰিবলৈ চেষ্টা কৰিব বুলি আশা কৰিলোঁ।

মোক নানাভাৱে সহায় কৰা মঞ্জুলা, ৰাণী, মিনি, দিপালী, ৰীণা, চাবেদ, মজাম্মিল, তফিক, বিপুল, শ্ৰীধৰ আদিলৈ মোৰ কৃতজ্ঞতা জনালোঁ। আমাৰ অধ্যক্ষ আৰু তত্বাবধায়িকা বাইদেউও ধন্যবাদৰ পাত্ৰ। শেষত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি আৰু ৰঙিয়া কলেজৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

শ্ৰীমীৰা তপদাৰ

## ঃ সমাজ সেৱা বিভাগৰ সম্পাদকঃ

ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ বৈপ্লৱিক অভিনন্দন। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাৰ্থী সকলক বিপুল ভোটত জয়ী কৰা বন্ধু-বান্ধৱীলৈও ওলগ।

কাৰ্য্যভাৰ গ্ৰহণৰ কালচোৱাত অস্তিত্ব ৰক্ষাৰ আন্দোলনত জপিয়াই পৰো আৰু তাৰ বাবে কেতিয়াও দ্বিধা বোধ কৰা নাই। গতিকেই এনে মহান কামত আগবাঢ়ি কলেজৰ ভিতৰ চ'ৰাত বিশেষ কৰিব নোৱাৰাই স্বাভাৱিক। তথাপি এই সময়চোৱাত কলেজৰ পৰা খেল পথাৰ আৰু ছাত্ৰাবাসলৈ যোৱা দুৰ্গম পথ দুটা মেৰামতি কৰি আমি উপযোগী কৰি তোলো। জৰাজীৰ্ণ চাইকেল ষ্টেণ্ডটোও মেৰামত কৰা হয়। আমি এন-এচ-এচ কেম্প নকৰিলেও গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ সমস্ত কাম আমাৰ এন-এচ-এচ কৰ্মীসকলেই সম্পাদন কৰে। অৱশ্যে এই সামান্য কামখিনি কৰি আমি বিশেষ কৃতি বুলি দাবী কৰিব নিবিচাৰো।

মোৰ কাৰ্য্যকালত দিহা-পৰামৰ্শৰে সহায় কৰা আমাৰ অধ্যক্ষ, তত্বাবধায়ক আৰু ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ কৃতজ্ঞতা যাচিলোঁ। অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।


ঃ জয় আই অসম ঃ

তফিকউদ্দিন আহমেদ

●●●



**Rangia College Student's Union, 1979-80-81.**



**From Left to Right :—**

**Sitting :**—*Prof. R. C. Deka ( i/c, Boy's Common Room ), Prof. B. Deka ( i/c Debating Section ), Prof. G. Bhuyan ( Vice President, R. C. S. U ) Mr. N. K. Mahanta ( Principal i/c, R. C ), Prof. J. Pathak ( i/c, Games and Sports ), Prof. U. C. Goswami ( i/c College Magazine ), Prof. H. Sarmah ( i/c. Social Service ), Prof. H. Das ( i/c. Cultural Section ).*

**Standing :**—*Mr. J. C Baishya, Miss G. Sarmah ( Rep ), Miss M. Tapader ( Secy. Girls Common Room ), Miss. D. Saikia ( Rep ), Miss. R. Kalita ( Rep ), Mr. M. Ahmed ( Rep ), Mr. T. Ahmed ( Secy. Social Service ), Mr. S. Ali ( Rep ) & Boys Common Room Secy i/c. ), Mr. A. B. Siddique ( Secy. Games and Sports ), Mr. S. Kalita ( Editor, College Magazine ), Mr. M. Haque ( A. G. S. ), Mr. S. Pathak ( General Secretary ).*

**Not in the photograph :**—*Prof. S Ahmed (Treasurer), Prof. N. Deka (i/c. Girls Common Room), Mr. B. Kakati (Secy. Debating), Mr T. Ahmed (Secy. Cultural Section), Mr. S. Pathak (Rep), Miss. M. Kalita (Rep), Mr. D. Deka (Rep).*